

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত



দ্বাদশ বছৰ ■ সংখ্যা ৩১৩ ■ গুৱাহাটী ■ বুধবাৰ, ২২ জুন, ২০২২, ৭ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XII ISSUE NO. 313 Dainandin Barta ■ Guwahati, Wednesday ■ 22 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



## ৰাছিয়াৰ মহান সাংবাদিকজন

■ জ্যোতিপ্ৰসাদ বুঢ়াগোহাঞি

ক'ভিডৰ বাবে সমগ্ৰ বিশ্বৰে অৰ্থনীতি থানবান হোৱাৰ পিছত লাহে লাহে দেশবোৰে উশাহ ল'বলৈ কিছু আহৰি পাইছিলহে, আৰম্ভ হ'ল ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ। ইয়াৰ কু-ফল কেৱল এই দুখন দেশেই ভোগা নাই। ক'ভিডে কোঙা কৰা সৰু সৰু দেশবোৰৰ অৰ্থনীতি একেবাৰে ভাগি পৰিছে। শ্ৰীলংকাৰ কথাই ধৰি ল'ব পাৰি। এতিয়া আকৌ ভাৰতৰ বিভিন্ন স্থানত প্ৰবল বৃষ্টিপাত। অসম, অৰুণাচল, মেঘালয়ৰ অৱস্থা দুখ লগা। লাখ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। চাৰিওফালে হাহাকাৰ। ■ ৮ পৃষ্ঠাত

## যোগ হৈছে ভাৰতীয় প্ৰাচীনতম সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ ঃ মুখ্যমন্ত্ৰী শৰ্মা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ জুন ঃ** আয়ুষ সঞ্চালকালয় আৰু ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম তথা ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিব্ৰুগড়ৰ চৌকিডিঙ্গী খেলপথাৰত আয়োজিত ৮ম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাজ্যিক কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশ গ্ৰহণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা যোগাভ্যাসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে অংশ লয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোগ হৈছে ভাৰতীয় প্ৰাচীনতম সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এখন স্বাস্থ্যৱান বিশ্বৰ বাবে পোনপ্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক মঞ্চত যোগৰ প্ৰয়োজনীয়তাৰ কথা তুলি ধৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনৰ ২৭ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত সাৰগৰ্ভ ভাষণৰে যোগে মানৱৰ স্বাস্থ্য আৰু মনক কিদৰে প্ৰভাৱিত কৰি সুস্থ শৈলীৰে জীৱন যাপন কৰিব পাৰি, সেই ■ ৮ পৃষ্ঠাত




### যোগে সমাজলৈ শান্তি কঢ়িয়াই আনে ঃ প্ৰধানমন্ত্ৰী মোদী

## মানৱতাৰ বাবে যোগ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২১ জুন ঃ** আজি আন্তঃৰাষ্ট্ৰীয় যোগাসন দিৱস। আমেৰিকা, ব্ৰিটেইনকে ধৰি বিশ্বৰ বহু দেশত আজি উদ্‌যাপন কৰা হয় আন্তঃৰাষ্ট্ৰীয় যোগাসন দিৱস। ভাৰতৰো প্ৰান্তে প্ৰান্তে উদ্‌যাপন কৰা হয় যোগাসন দিৱসৰ বিভিন্ন কাৰ্যসূচী। ■ ৮ পৃষ্ঠাত

## ৰাজ্যজুৰি অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন





## আধুনিক তামুলপুৰৰ অন্যতম খনিকৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী প্ৰফুল্ল চন্দ্ৰ মহন্তৰ দেহাৱসান

### তামুলপুৰত শোকৰ ছাঁ ঃ বিটিআৰপ্ৰধান প্ৰমোদ বড়োৰ শোক প্ৰকাশ ঃ অসম নাট্য সন্মিলনৰ তিনিদিনীয়া শোক পালন ঃ তামুলপুৰত ছঘণ্টীয় বন্ধ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২১ জুন ঃ** তামুলপুৰ পৌৰ সভাৰ পৌৰপতি, আধুনিক তামুলপুৰৰ নিৰ্মাতাসকলৰ অন্যতম খনিকৰ, বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী, সমাজ সংগঠক, অৱসৰী শিক্ষক, সদৌ অসম উচ্চ মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, তামুলপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন ■ ৮ পৃষ্ঠাত

**ৰাষ্ট্ৰপতি নিৰ্বাচন-২০২২**

**শাসকীয় এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী বিৰোধী দলৰ প্ৰাৰ্থী যশোৱন্ত সিনহা**

# দ্ৰৌপদী মুৰ্মু বনাম যশোৱন্ত সিন্‌হাৰ যুঁজ

এতিয়ালৈকে ভাৰতত কোনো আদিবাসী লোক ৰাষ্ট্ৰপতি হোৱা নাই ঃ এইবাৰ যদি দ্ৰৌপদী মুৰ্মু জয়ী হয় তেন্তে তেওঁ হ'ব ভাৰতৰ প্ৰথম আদিবাসী সম্প্ৰদায়ৰ ৰাষ্ট্ৰপতি ঃ দ্ৰৌপদী মুৰ্মু হৈছে ঝাৰখণ্ডৰ ৰাজ্যপাল ঃ তেওঁৰ প্ৰকৃত ঘৰ ওড়িশাত ঃ ৰাজ্যপাল হোৱা প্ৰথম ওড়িয়া ব্যক্তি



অনুসূয়া উইকে আৰু আনন্দিবেন পেটেলক অতিক্ৰমী দ্ৰৌপদী মুৰ্মু প্ৰাৰ্থী হয় বিজেপি নেতৃত্বাধীন এনডিএৰ ঃ অনুসূয়া বৰ্তমান ছত্ৰীশগড়ৰ ৰাজ্যপাল ঃ আনন্দিবেন পেটেল উত্তৰ প্ৰদেশৰ ৰাজ্যপাল তথা গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী



### দেশৰ যিকোনো বিধানসভাতে ভোট দিব পাৰিব অসমৰ বিধায়কে



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২১ জুন ঃ** দেশৰ পৰৱতী ৰাষ্ট্ৰপতি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক আৰু বিৰোধী পক্ষৰ মাজত প্ৰক্ষেপিত দুই প্ৰাৰ্থী ক্ৰমে স্পষ্ট হৈ পৰিছে। শাসকীয় এন ডি এম মৰ্চাৰ প্ৰাৰ্থী হিচাপে সাংবিধানিক মুৰব্বীৰ পদত একপ্ৰকাৰ যুঁজিবলৈ সাজু হৈছে বৰ্তমানৰ উপ ৰাষ্ট্ৰপতি এম ভেংকয়া নাইডু। অৱশ্যে আনুষ্ঠানিক ঘোষণা এতিয়াও কৰা হোৱা নাই। ইফালে ■ ৮ পৃষ্ঠাত

**বিটিআৰত আৰম্ভ হৈছে ৰেষ্টলেণ্ড ডেভেলপমেণ্ট প্ৰজেক্ট**

## চাৰিখন নদীৰ পানী কেনেলৰ জৰিয়তে পেলাব ব্ৰহ্মপুত্ৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২১ জুন ঃ** বিটিআৰৰ অন্তৰ্গত চাৰিখন জিলা চাৰিখন নদীক সামৰি গ্ৰহণ কৰা হৈছে ৰেষ্টলেণ্ড ডেভেলপমেণ্ট প্ৰজেক্ট। ইতিমধ্যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আঁচনিখনত অনুমোদন জনাইছে। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দিয়া প্ৰপ'জেলৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে এই আঁচনিখন বিচিআৰত ৰূপায়ণ কৰিব। কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনোৱা এই ৰেষ্টলেণ্ড ডেভেলপমেণ্ট প্ৰজেক্টৰ জৰিয়তে বিটিআৰৰ চাৰিখন নদীক কেনেলৰ জৰিয়তে সংযোগ কৰিব ব্ৰহ্মপুত্ৰৰ ■ ৮ পৃষ্ঠাত



*চাৰিও দিশে বানৰ সংহাৰী ৰূপৰ মাজতে নগাঁৱৰ জলাহত এগৰাকী বৃদ্ধা ৰোগীয়াক নাৱৰে নিৰাপদ আশ্ৰয় স্থানলৈ নিয়া মুহূৰ্তত* আলোকছবি ঃ দ্বীপেন শইকীয়া

## নলবাৰী আৰু কামৰূপৰ বিভিন্ন বান ক্ষতিগ্ৰস্ত এলেকা আৰু সাহায্য শিবিৰ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

■ গৃহ, পশু ধনকে ধৰি বানত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে জনসাধাৰণে প্ৰশাসনক অৱগত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে মুকলি কৰিব এটি প'ৰ্টেল ঃ মুখ্যমন্ত্ৰী

■ বান ক্ষতিগ্ৰস্ত লোকৰ ক্ষতিপূৰণ আদায় দিয়াৰ বাবে ৰাজ্য চৰকাৰে অতিশীঘ্ৰে ঘোষণা কৰিব সাহায্য পেকেজ ঃ মুখ্যমন্ত্ৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ জুন ঃ** নলবাৰী আৰু কামৰূপ জিলাৰ বান পৰিস্থিতিৰ প্ৰত্যক্ষভাৱে বুজ লোৱাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জিলা দুখনৰ বিভিন্ন বান ক্ষতিগ্ৰস্ত এলেকা আৰু সাহায্য শিবিৰ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে নলবাৰী জিলাৰ দেহাৰকুছিস্থিত পশ্চিম বৰিগোগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা মণ্ডপত স্থাপন কৰা বান সাহায্য শিবিৰ পৰিদৰ্শন কৰি তাত থকা লোকসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি প্ৰশাসনে আগবঢ়োৱা সা-সুবিধাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে শিশু খাদ্যকে ধৰি সাহায্য সামগ্ৰী যাতে লোকসকলে পৰ্যাপ্ত পৰিমাণে লাভ কৰে সেয়া সুনিশ্চিত কৰিবলৈও প্ৰশাসনক ■ ৮ পৃষ্ঠাত



*মৰিগাঁৱৰ এটি বানাক্ৰান্ত পৰিয়াল, মঙলবাৰৰ ছবি*

## বনাঞ্চল ধ্বংসযজ্ঞকাৰী, শিল-বালিৰ কুৱেৰীৰ বিৰুদ্ধে সৰৱ বিটিচিৰ মুখ্য কাৰ্যবাহী বড়ো

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২১ জুন ঃ** ওদালগুৰি জিলাত খহনীয়া আৰু বানপৰিস্থিতিয়ে সংহাৰী ৰূপ লোৱাৰ এটা মুখ্য কাৰণ বনাঞ্চল ধ্বংস কৰা, শিল-বালি কুৱেৰীৰ অবৈধ খনন। সেয়েহে বিটিআৰত থকা বালি-শিলৰ মহল বা কুৱেৰীসমূহ পুনৰ ৰিভিউ কৰা হ'ব - এই মন্তব্য বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ। আজি ওদালগুৰি জিলাৰ বানাক্ৰান্ত ৰাইজৰ খবৰ লোৱাৰ উপৰি বানবিধ্বস্ত এলেকা পৰিদৰ্শনৰ বাবে ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাৰ টংলাত উপস্থিত হোৱা বিটিচি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ওদালগুৰি জিলাৰ ওদালগুৰি, টংলা, পুৰন্দীয়া, ছৈবাৰীৰ ■ ৮ পৃষ্ঠাত

## নিৰ্মাণ সম্পূৰ্ণ নহওঁতেই চপৰা-চপৰকৈ খহি পৰিল ১৫নং ৰাষ্ট্ৰীয় ঘাই পথৰ বেদেতীৰ উৰণীয়া সেতু

### নিম্ন মানৰ কামৰ বাবেই এনে অৱস্থা হৈছে বুলি নিৰ্মাণ সংস্থাক দোষাৰোপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২১ জুন ঃ** বিশ্বনাথ জিলাখনত ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থা সন্দৰ্ভত ইলেক্‌ট্ৰনিক আৰু চপা মাধ্যমৰ বাতৰিয়ে শীৰ্ষ স্থান দখল কৰি অহাৰ সময়তে এইবাৰ বেদেতীস্থিত উৰণীয়া সেতুৰ নিৰ্মাণ সম্পূৰ্ণ নৌহওঁতেই চপৰা-চপৰে খহি পৰাত শংকিত হৈ পৰিছে বেদেতীবাসী। এইক্ষেত্ৰত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী সংস্থাক ডি চি চিক দোষাৰোপ কৰিছে সচেতন ৰাইজে। এই সন্দৰ্ভত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ গুণগত মানৰ বিষয়ে নজৰ দিওঁতা এন এইচ আই ডি চি এলক গুৰুত্ব দিবলৈ সচেতন ৰাইজে দাবী জনাইছে।

# সংকটত মহাৰাষ্ট্ৰৰ উদ্ধৱ থাকৰেৰ চৰকাৰ

**২৫জনৰো অধিক বিধায়কৰ বিদ্ৰোহী স্থিতি**



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২১ জুন ঃ** মহাৰাষ্ট্ৰৰ উদ্ধৱ থাকৰেৰ চৰকাৰলৈ নামি আহিছে মহাসংকট। শিৱসেনাৰ এগৰাকী বিশেষ মন্ত্ৰী আৰু প্ৰায় এক ডজন বিধায়কে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰাৰ পিছতে চৰকাৰখনৰ অস্তিত্বলৈ সংকট নামি আহিছে। মহাৰাষ্ট্ৰত বিজেপি পুনৰ ক্ষমতালৈ ঘূৰি আহিব পাৰে বুলি বহুতে চৰ্চা আৰম্ভ কৰিছে। মহাৰাষ্ট্ৰ বিধান পৰিষদৰ নিৰ্বাচনত বিজেপিৰ ৫জন প্ৰাৰ্থীৰ জয় আৰু পৰৱৰ্তী সময়ত নগৰ উন্নয়ন মন্ত্ৰী একনাথ চিণ্ডেকে ধৰি ■ ৮ পৃষ্ঠাত

### মহুৰামুখৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৃষিমন্ত্ৰী অতুল বৰাৰ

## জৰীপৰ জৰিয়তে ক্ষতিগ্ৰস্ত কৃষকক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হ'ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২১ জুন ঃ** বোকাখাত বিধানসভা সমষ্টিৰ মহুৰামুখৰ বানবিধ্বস্ত অঞ্চলসমূহ আজি পৰিদৰ্শন কৰে বোকাখাত বিধানসভা সমষ্টিৰ বিধায়ক তথা কৃষিমন্ত্ৰী অতুল বৰাই। মন্ত্ৰী অতুল বৰাই মহুৰামুখৰ উত্তৰ মহুৰা আৰু দিচৈৰ কেইবাখনো গাঁও পৰিদৰ্শন কৰাৰ উপৰি ক্ষতিগ্ৰস্ত ৰাইজৰ স'তে মত বিনিময় কৰাৰ লগতে বংকোৱাল বালিচাপৰি নাট্য মন্দিৰত ৰাইজৰ মাজত বান সাহায্যৰ লগতে অধিক ক্ষতিগ্ৰস্তসকলৰ মাজত ■ ৮ পৃষ্ঠাত



জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

২২ জুন, ২০২২ ■ বুধবাৰ ■ গুৱাহাটী ■ ৭ আহাৰ, ১৯৪৪ শক



# ধুবুৰীত অব্যাহত আছে বানৰ বিভীষিকা



## মাণিকপুৰত সাংসদ আব্দুল খালেকৰ বিৰুদ্ধে খহনীয়াগ্ৰস্ত ৰাইজৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২১ জুন ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ২নং বাশবাৰীত আই নৈৰ খহনীয়াগ্ৰস্থ ৰাইজে সাংসদ আব্দুল খালেকৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। যোৱা ২ বছৰ ধৰি ২নং বাশবাৰীত আই নৈৰ খহনীয়া অব্যাহত আছে যদিও যোৱা এক সপ্তাহ ধৰি অধিক ভয়াবহ হৈ পৰিছে খহনীয়া। আই নৈৰ খহনীয়াই কাঢ়ি নিলে ২নং বাশবাৰী, টেঙুনপুৰ, বালাৰপেটসহ গাঁও তিনিখন। আই নৈৰ খহনীয়াই কাঢ়ি নিলে তিনিশতকৈ অধিক পৰিয়ালৰ ঘৰ দুৱাৰ। খহনীয়া সম্পৰ্কে সাংসদ আব্দুল খালেকক অৱগত কৰাৰ পিছতো আজিলৈকে পৰিদৰ্শন কৰিবলৈ নাহিল আব্দুল খালেক। আজি খহনীয়া গ্ৰস্থ ৰাইজে আব্দুল খালেক মুৰ্দাবাদ, আব্দুল খালেক গ' বেক আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে।

## উপায়ুক্তই আশ্ৰয় শিবিৰে শিবিৰে খবৰ লৈছে বন্যাৰ্তৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ২১ জুন ঃ** ধুবুৰী জিলা উপায়ুক্তই বানাক্ৰান্ত অঞ্চললৈ গৈ বান ৰ কৱলত পৰা লোকৰ খবৰ লৈছে উপায়ুক্ত গৰাকীয়ে। বানৰ কবলৰ পৰা ৰাইজক সকাহ দিয়াৰ বাবে জিলাখনৰ ৪০ টাকৈ অধিক আশ্ৰয় শিবিৰৰ ব্যৱস্থা। বৰ্তমানলৈ জিলাখনৰ এক লাখতকৈ অধিক লোক বানত ক্ষতিগ্ৰস্ত। এইদৰে ধুবুৰী জিলাৰ বিভিন্ন ঠাইৰ লগতে চহৰখনৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত আশ্ৰয় শিবিৰত উপস্থিত হৈ বন্যাৰ্তৰ লোকৰ খবৰ লৈছে জিলা উপায়ুক্তগৰাকীয়ে । ইয়াৰ উপৰিও ১নং ৱাৰ্ডৰ প্ৰতিটো গলিতে উপস্থিত হৈ ৰাইজৰ সমস্যা সমাধানৰ আশ্বাস প্ৰদান দিলে উপায়ুক্তই। ইফালে ধুবুৰীৰ চৰাঞ্চালত বানৰ কবলত পৰা ৰাইজৰ লগতে পশুধনৰ খাদ্য ইতিমধ্যে চৰকাৰী সাহায্য নদী পথেৰে প্ৰেৰণ কৰা হৈছে বুলি উল্লেখ কৰিলে উপায়ুক্তই।



## গৌৰীপুৰৰ পৰ্বতঝোৰাত হানি-খুঁচি যুৱকক হত্যাৰ চেষ্টা দুৰ্বৃত্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২১ জুন ঃ** শেহতীয়াকৈ বি টি আৰত হত্যা হিংসা পুনৰ মূৰ দাঙি উঠাত শংকিত হৈ পৰিছে বি টি আৰ বাসী ৰাইজ। দিনৰ পোহৰত দুৰ্বৃত্তই চোকা অস্ত্ৰৰে হানি-খুঁচি হত্যাৰ চেষ্টা কৰা বাতৰিয়ে কাজিগাঁও অঞ্চলত তীব্ৰ উত্তেজনা বিৰাজ কৰা পৰিলক্ষিত হৈছে। খুটাবাগৰা প্ৰথম খণ্ড গাঁৱৰ হানিফ খন্দকাৰৰ পুত্ৰ আইনুদ্দিন খন্দকাৰে চুপাৰিঘাটৰ পৰা কাজিগাঁৱলৈ যোৱাৰ পথত দেবীতোলা মিছন স্কুলৰ সন্মুখৰ ৰাস্তাৰ মাজত দুৰ্বৃত্তৰ দলে হাতে হাতে চোকা অস্ত্ৰ লৈ উপৰ্যুপৰি হানি-খুঁচি হত্যাৰ চেষ্টা কৰাৰ সময়ত চিঞৰ-বাখৰ কৰাত ওচৰ-চুবুৰীয়াই দৌৰি অহাত দুৰ্বৃত্তৰ দলটো ঘটনাস্থলীৰ পৰা পলায়ন কৰে। পাছত কাজিগাঁৱৰ আৰক্ষীয়ে ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ দেবীতোলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰে যদিও শাৰীৰিক অৱস্থা অৱনতি হোৱাত ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে বুলি জানিব লৈ দিয়ে। স্মৰ্তব্য যে, প্ৰেমজনিত ঘটনাই আইনুদ্দিনৰ প্ৰাণ কাঢ়ি লোৱাৰ যো-জা হৈছিল বুলি ৰাইজৰ মুখত চৰ্চিত হৈছে যদিও সেয়া আৰক্ষীৰ তদন্ততহে ওলাই পৰিব।



## যুৱ-ব্যৱসায়ী পৰাগ চৌধুৰীৰ মটৰ দুৰ্ঘটনাত মৃত্যু

**মিৰ্জাৰ কোকঝাৰত শোকৰ ছাঁ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ২১ জুন ঃ** দক্ষিণ কামৰূপ জিলা বিজেপিৰ প্ৰাক্তন সভাপতি তথা পলাশবাৰী থানাৰ অন্তৰ্গত মিৰ্জাৰ কোকঝাৰ নিৱাসী দীনেশ চৌধুৰীৰ পুত্ৰ পৰাগ চৌধুৰীৰ (প্ৰাণজিৎ, ৩৯) যোৱানিশা মিৰ্জাত সংঘটিত এক মটৰ দুৰ্ঘটনাত মৃত্যুক আঁকোৱালি লয়। ঘটনাৰ বিৱৰণী মতে, এখন ছুইফট গাড়ীৰে সৈতে তেওঁৰ নিজৰ আই-২০ বাহনত সংঘটিত এক মটৰ দুৰ্ঘটনাত তেওঁ মৃত্যুৰ মুখত পৰে। মিৰ্জাৰ যুৱ ব্যৱসায়ী, সুঠাম চেহেৰাৰ, মানুহক সহায় কৰি ভাল পোৱা পৰাগৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে মিৰ্জাৰ কোকঝাৰস্থিত বাসগৃহত বন্ধু-বান্ধৱ, শুভাকাংক্ষী, ইষ্ট-কুটুম্ব, বিভিন্ন দল-সংগঠনৰ লোক উপস্থিত হৈ তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়। যুৱ ব্যৱসায়ী গৰাকীৰ মৃত্যুত গভীৰ দুখ প্ৰকাশ কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাঙ্গ ঠাকুৰীয়াই। বিধায়ক ঠাকুৰীয়াই তেওঁৰ বাসভৱনত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক গভীৰ সমবেদনা জনায়। তেওঁ মৃত্যুৰ সময়ত পিতৃ মাতৃ, পত্নী দুই কণমানি সন্তান, ভাতৃ, ভগ্নীক এৰি থৈ যায়। পৰাগৰ মৃত্যুত মিৰ্জা,কোকঝাৰ অঞ্চলত এক শোকৰ ছাঁ পৰে।

### খাৰুপেটীয়াত ৰাইজে নিৰ্মাণ কৰিলে বাঁহৰ সাঁকো

## প্ৰৱল সোঁতে নিমিষতে খহাই নিছিল ফুট ব্ৰীজ

### বাঁহৰ সাঁকো নিৰ্মাণ কৰি জনপ্ৰতিনিধিৰ প্ৰৱেশ নিষিদ্ধ কৰিলে ৰাইজে



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২১ জুন ঃ** দৰঙৰ খাৰুপেটীয়াৰ ৰাইজে জনপ্ৰতিনিধিৰ আশাত নাথাকি ওলাই আহে বাঁহৰ সাঁকো নিৰ্মাণৰ বাবে। দলগাঁও সমষ্টিৰ বিহুদিয়া গাঁও পঞ্চায়তৰ ক্ষোভিত ৰাইজে নিৰ্মাণ কৰিলে বাঁহৰ সাঁকো। 'আমাৰ সমস্যা আমি সমাধান কৰিম' এই লক্ষ্যৰে পঞ্চায়তখনৰ খেতাশ্বৰ গাঁৱৰ ৮ আৰু ৯নং ৱাৰ্ডৰ ৰাইজে দান-বৰঙণি উঠাই, ঘৰে ঘৰে বাঁহ সংগ্ৰহ কৰি হাতে কামে লাগি বানে খহাই নিয়া গাঁওখনৰ ফুট ব্ৰীজৰ ঠাইত নিৰ্মাণ কৰিলে এখন বাঁহৰ সাঁকো। জনপ্ৰতিনিধিৰ আশাত নাথাকি গাঁও দুখনৰ ৰাইজে নিজেই নিৰ্মাণ কৰিলে বাঁহৰ সাঁকো। উল্লেখ্য, ১৭ জুনত খেতাশ্বৰ গাঁৱৰ মাজেৰে বৈ যোৱা নৈৰ প্ৰৱল সোঁতে চকুৰ সন্মুখতে একমাত্ৰ পথত থকা ফুট ব্ৰীজখন খহাই নিয়াত উপায়ান্তৰ ৰাইজে কলগছৰ ভুৰেৰে যাতায়াত অব্যাহত ৰাখে। ইমানৰ পিছতো ৰাইজৰ দ্বাৰা নিৰ্বাচিত বিধায়ক কিম্বা গাঁও পঞ্চায়তৰ সভাপতিগৰাকীয়ে বিপদ কালত খাৰুপেটীয়াৰ গাতে লাগি থকা গাঁওখনৰ ৰাইজৰ কোনো ধৰণৰ খবৰ নোলোৱাত ক্ষোভিত ৰাইজে বিহুদিয়া গাঁও পঞ্চায়তখনৰ জনপ্ৰতিনিধিৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি পঞ্চায়তখনৰ ৮নং ৱাৰ্ডত প্ৰৱেশ নিষিদ্ধ কৰে। স্মৰ্তব্য যে, গাওঁ পঞ্চায়তখনৰ কেইবাটাও গাঁৱৰ পুখুৰী পানীত ডুব গৈ লাখ লাখ টকাৰ মাছ ওলাই যোৱাৰ লগতে কৃষক সকলে উৎপাদন কৰা পাচলি খেতি নষ্ট হোৱাত বৃহৎ ক্ষতিৰ সন্মুখীন হৈছে।

## সাহায্যত সন্তুষ্ট নহয় ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২১ জুন ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বন্যাৰ্তৰ সহায়ত হাত উজাৰি সহায় সাহায্য আগবঢ়োৱাৰ কথা জিলা প্ৰশাসনক নিৰ্দেশ দি গ'লেও প্ৰশাসনৰ সাহায্যক লৈ একাংশ বানাক্ৰান্ত লোক সন্তুষ্ট নহয়। উল্লেখ্য, ১৬ জুনৰ নিশা ছিপাঝাৰৰ একাধিক ঠাইত ননৈ নদীৰ মথাউৰি ছিগি দৰং জিলাৰ ছিপাঝাৰ আৰু পাথৰিঘাট ৰাজহ চক্ৰৰ অধিকাংশ গাঁও বানপানীয়ে বুৰাই পেলাই। বিশেষভাবে দুৰ্যোগত পৰে পাথৰিঘাট ৰাজহ চক্ৰৰ বন্যাৰ্ত। উত্থাপিত অভিযোগ অনুসৰি বানৰ মাজত ককবকাই থাকিব লগীয়া হোৱা বন্যাৰ্ত সকলে ভোকে-লঘোনে চাৰিদিন থকাৰ পিছত কিবা কৰি কালি লাভ কৰাৰ সৌভাগ্য ঘটে সাহায্য সামগ্ৰী। ইয়াৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ কুমাৰাপাৰা গাঁৱৰ বন্যাৰ্ত সকলে কালি প্ৰশাসনে যোগান ধৰা সাহায্য সামগ্ৰীত পৰিয়ালৰ প্ৰতিজন লোকে ডেৰ কিলোগ্ৰামকৈ চাউল, প্ৰতিজনে ৮০ গ্ৰামকৈ মিঠাতেল, দুশ ঊনত্ৰিশ গ্ৰামকৈ দাইল। নিমখৰ নাটনিৰ বাবে পাবলৈ সক্ষম নহ'ল বহুজনে নিমখ। আনহাতে একেখন গাঁও পঞ্চায়তৰে নাওঁপোটা গাঁৱত ৯৬ পৰিয়ালৰ ৪০০ জনসংখ্যাৰ মাজত প্ৰতিজনক ডেৰ কিলো গ্ৰাম চাউল, ১০ কিলো গ্ৰাম নিমখ আৰু ঘৰে প্ৰতি ৬০০ গ্ৰামকৈ দালি বিতৰণ কৰা হয়।ইয়াৰে ৯৬ পৰিয়ালৰ মাজত ১০ কিলো গ্ৰাম নিমখ বিতৰণ কৰিব নোৱাৰি থৈ দিয়া বুলি প্ৰকাশ। আশ্বৰ্যজনক কথা যে, যি সময়ত বানে ৰাইজৰ ককাল ভাগি পেলাইছে সেই সময়ত ৰিলিফৰ সাহায্য সামগ্ৰী গাড়ী ভাৰা কৰি গাঁৱলৈ কঢ়িয়াই নিয়াৰ খৰচৰ নামত বন্যাৰ্তই বিতৰণৰ সময়ত ধন ভৰিব লগীয়া হোৱা বুলি অভিযোগ উত্থাপন হৈছে।

**CANCELLATION NOTICE for NIQ No.01 of 2022-23**

It is hereby informed that, the notice inviting quotations no. 01 of 2022-23 published vide. No. RGRWSM-242/PMX/2021-22/130-37 dated 08.4.2022 for "Procurement of Automatic Machine with Raw materials for production of Biodegradable Sanitary Pad" is hereby **CANCELLED** due to technical reasons.

The bidders who have already submitted their bids at the office of the undersigned may collect their submitted bid documents upon production of verifiable documentary evidences of identity etc.

Sd/-
Chief Engineer (PHE), Sanitation, Assam
Hengrabari, Guwahati-36

Janasanyog/C/5111/22

## তামাৰহাটৰ নিৰুদ্দিষ্ট ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২১ জুন ঃ** ১৯ জুনৰ দিনা নিশা নিৰুদ্দেশ হোৱা ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত উত্তৰ কাচখানা গাঁৱৰ ছাত্ৰী শিৱাণী ৰায়ৰ মৃতদেহ আজি গদাধৰ নদীত উদ্ধাৰ হয়। উল্লেখ্য, তামাৰহাট থানাৰ অন্তৰ্গত উত্তৰ কাচখানা গাঁৱৰ বাসিন্দা পুলিন ৰায়ৰ কন্যা তথা গোলকগঞ্জৰ চিলাৰায় মহাবিদ্যালয়ৰ স্নাতক মহলাৰ দ্বিতীয় ষাণ্মাসিকত অধ্যয়নৰত ছাত্ৰী শিৱানী ৰাৰ ১৯ জুনৰ নিশা আলোকঝাৰী মহামায়া ধামৰ পৰা পাগলাহাটলৈ যোৱা পথৰ গদাধৰ নদীৰ ওপৰত থকা দলঙৰ পৰা নদীত জপিয়াই নিৰুদ্দেশ হয়। পিছত যোৱ কালি গোটেইটো দিন গদাধৰ নদীত স্থানীয় ৰাইজ, আৰক্ষী আৰু এছ ডি আৰ এফৰ দলে অভিযান চলায় সদিও নিৰুদিষ্ট ছাত্ৰী গৰাকীৰ সন্ধান লাভ কৰিবলৈ সক্ষম হোৱা নাই। অবশেষত আজি ঘটনাস্থলিৰ পৰা প্ৰায় দুই কিলোমিটাৰ নিলগত পাগলাহাট বজাৰৰ ওচৰত নদীৰ পানীত নিৰুদ্দেশ হোৱা ছাত্ৰী শিৱাণীৰ মৃতদেহ উদ্ধাৰ হয়।

## ৰাহুল গান্ধীক ই ডিৰ জেৰা নগাঁৱত কংগ্ৰেছৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২১ জুন ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীক কেন্দ্ৰীয় চৰকাৰে ই ডিৰ জৰিয়তে হাৰাশাস্তি কৰাৰ প্ৰতিবাদত আৰু কংগ্ৰেছৰ কাৰ্যালয়ত আৰক্ষীৰ অত্যাচাৰৰ বিৰুদ্ধে আজি নগাঁৱত কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। নগাঁও পৌৰ ব্লক কংগ্ৰেছৰ উদ্যোগত সঞ্জয় ভবনত কংগ্ৰেছৰ নেতা কৰ্মী সকলে প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। কংগ্ৰেছ কৰ্মী সকলে ৰাহুল গান্ধী জিন্দাবাদ, কংগ্ৰেছ জিন্দাবাদ, নৰেন্দ্ৰ মোদী হায় হায়, বিজেপি হায় হায়, অমিত শ্বাহ হায় হায়, পুলিচৰ দমন ৰাজ নচলিব আদি বিভিন্ন ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে প্ৰতিবাদী সমদল উলিয়াব বিচাৰে যদিও আৰক্ষীয়ে বাধা প্ৰদান কৰে।

## কাৰ্বি স্বায়ত্ত পৰিষদৰ অধ্যক্ষ পদৰ বাবে মনোনয়ন দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকলীয়াঘাট, ২১ জুন ঃ** কালি হৈ যোৱা শপত গ্ৰহণ অনুষ্ঠানৰ পাছত আজি কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ অধ্যক্ষ পদৰ বাবে মনোনয়ন-পত্ৰ দাখিল কৰা হয়। ড° তুলিৰাম ৰংহাঙৰ নেতৃত্বত পৰিষদৰ পূৰ্বৰ কাৰ্যবাহী সদস্য তথা কৰকাঠি পৰিষদীয় সমষ্টিৰ পৰা নিৰ্বাচিত সদস্য ৰাজু টিচুই পৰিষদৰ আগন্তুক অধ্যক্ষৰ বাবে মনোনয়ন দাখিল কৰে। পৰিষদৰ জইণ্ট ছেক্ৰেটেৰি বিৰচিং ইংতিৰ হাতত মনোনয়ন প্ৰদান কৰাৰ সময়ত উপস্থিত থাকে ডিফুৰ বিধায়ক বিদ্যাছিং ইংলেং, হাওৰাঘাটৰ বিধায়ক দৰছিং ৰংহাঙৰ লগতে পৰিষদৰ নৱ-নিৰ্বাচিত সকলো সদস্যই। মনোনয়ন দাখিলৰ লগে লগেই ৰাজু টিচুয়েই আগন্তুক পৰিষদৰ অধ্যক্ষ হিচাপে নিশ্চিত হৈছে।

## লাহৰীঘাটত ছাত্ৰৰ সলিল সমাধি

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ২১ জুন ঃ** ভূৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত হাৰিয়াবিল গৰৈমাৰী গাঁৱত আজি এটি কণমানি ছাত্ৰৰ সলিল সমাধি ঘটে। মৃত ছাত্ৰৰ নাম দিব্যজ্যোতি পাতৰ (৬)। গাঁওখনৰ ৰজনী পাতৰ নামৰ লোকজনৰ পুত্ৰ দিব্যজ্যোতিয়ে আজি বিদ্যালয় ছুটীৰ পিছত সমনীয়াৰ সৈতে ঘৰলৈ গৈ থকাৰ অৱস্থাত শৌচ কৰা লাগে। পিছত ছাত্ৰজনে নিজৰ কিতাপৰ বেগটো সমনীয়াৰ হাত দিয়ে আৰু শৌচ কৰিবলৈ বুলি অন্য এটা পথেৰে গৈ শৌচ কৰি পথাৰৰ পানীৰ মাজেৰে চমু বাটেৰে ঘৰলৈ যোৱাৰ অৱস্থাতে পুখুৰীৰ পানীত পৰে। কিছু সময়ৰ পিছত স্থানীয় আৰু পৰিয়ালৰ লোকে শিশুটিক পানীৰ পৰা উদ্ধাৰ কৰি মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে শিশুটি মৃত ঘোষণা কৰে। মৃত শিশুটি স্থানীয় গৰৈমাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম মানৰ ছাত্ৰ আছিল। শিশুটিৰ অকাল মৃত্যুত সমগ্ৰ গাঁওখনতে শোকৰ ছাঁ পৰিছে।

### ধুবুৰীত আশ্ৰয় শিবিৰত থকা শিশুৰ বাবে বিশেষ ব্যৱস্থা

## বানৰ বিভীষিকাৰ মাজতো শিশুৱে পঢ়িছে, গাইছে, খেলিছে



### ধুবুৰী প্ৰশাসনৰ বিশেষ পদক্ষেপ

**দৈনন্দিন বাৰ্তা সেৱা, ধুবুৰী, ২১ জুন ঃ** বানপানীৰ সময়ত ধন-জনৰ ব্যাপক ক্ষতি হোৱাৰ লগতে সংকটপূৰ্ণ পৰিস্থিতিৰ বাবে কণ কণ শিশুসকলৰ মনতো ঋণাত্মক প্ৰভাৱ পৰে। বানত বুৰ যোৱা নিজৰ ঘৰখন এৰি, প্ৰিয় খেলপথাৰখনৰ পৰা আতৰি নিষ্পাপ বহু শিশুৱে অভিভাৱকৰ সৈতে আশ্ৰয় শিবিৰত থাকিবলৈ বাধ্য হয়। স্তব্ধ হৈ পৰে তেওঁলোকৰ নিয়মীয়া খেলা-ধূলা, পঢ়া-শুনা। এনে পৰিস্থিতিয়ে শিশুৰ কোমল মনত পেলাই বহু ঋণাত্মক প্ৰভাৱ। এনে ঋণাত্মক প্ৰভাৱৰ পৰা শিশুসকলক ৰক্ষা কৰিবলৈ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ নীতিৰ আধাৰত ধুবুৰী জিলা প্ৰশাসনে লৈছে বিশেষ পদক্ষেপ। জিলাখনৰ আশ্ৰয় শিবিৰবোৰত শিশুসকলৰ বাবে শিশু উপযোগী স্থান নিৰ্মাণ কৰি তেওঁলোকক বানৰ বিভীষিকাৰ মাজতো পঢ়া-শুনা, গীত-মাত, খেলা-ধূলাৰ মাজত ব্যস্ত ৰখাৰ পদক্ষেপ লোৱা হৈছে। জিলা উপায়ুক্ত অন্বামুথন এম পিৰ বিশেষ তৎপৰতাত ইতিমধ্যে ৪৩ আশ্ৰয় শিবিৰৰ প্ৰায় ১৫ টা শিবিৰত এনে শিশু উপযোগী স্থান সাজু কৰি শিশুসকলক গুণগত সময় পাৰ কৰাৰ সুবিধা কৰি দিয়া হৈছে আৰু আন শিবিৰসমূহতো দুই-এদিনৰ ভিতৰতে এনে পৰিৱেশ গঢ়ি তোলা হ'ব বুলি জনায় ধুবুৰী জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ জিলা প্ৰকল্প বিষয়া মফেৰজল সৰকাৰে। তেওঁ কয় যে অংগনবাড়ী কৰ্মী-সহায়িকা, আশা কৰ্মী, স্থানীয় শিক্ষক আৰু স্বেচ্ছাসেৱকৰ সহায়ত শিশুসকলক সংকট কালৰ মাজতো নাচ-গান, পঢ়া- শুনা, খেলা- ধূলাত ব্যস্ত ৰাখি আনন্দৰে সময় অতিবাহিত কৰাৰ বাবে সুবিধা কৰি দিয়া হৈছে যাতে এনে পৰিস্থিতিয়ে তেওঁলোকৰ কোমল মনত বিৰূপ প্ৰভাৱ পেলাব নোৱাৰে।

## কলাইগাঁৱত বন্যাৰ্তৰ কাষত অসম গ্ৰামীণ বিকাশ বেংক



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২১ জুন ঃ** কলাইগাঁৱত প্ৰলয়ংকাৰী বানে সৰ্বশ্ৰান্ত কৰা বন্যাৰ্তৰ কাষত ঠিয় দি প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে অসম গ্ৰামীণ বিকাশ বেংকৰ কলাইগাঁও শাখাৰ পৰিচালক ৰূপম কলিতাই। উল্লেখ্য যে চৰকাৰী দায়িত্ব নিষ্ঠাৰে পালন কৰাৰ সমান্তৰালভাৱে সমাজপ্ৰিয় কলিতাই বিত্তীয় প্ৰতিষ্ঠানটোৰ একাংশ কৰ্মচাৰীক লগত লৈ বন্যাৰ্ত তথা আশ্ৰয় শিবিৰত বিশুদ্ধ খোৱা পানী যোগান ধৰি সামাজিক দায়বদ্ধতাৰ নিৰ্দশন দাঙি ধৰিছে। ইপিনে বাট-পথ, খেতি পথাৰ আদি প্ৰলয়ংকাৰী বানে বিস্তৰ ক্ষতিসাধন কৰা ৰূপাতল, ভেহগুৰ,শগুণবাহী আদি বানাক্ৰান্ত অঞ্চলৰ পাচ শতাধিক লোকক আজি দালি-ভাতৰ যোগান ধৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। বানত ককবকাই থকা ৰাইজক এনে বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে অসম গ্ৰামীণ বিকাশ বেংক কলাইগাঁও শাখাৰ পৰিচালক ৰূপম কলিতা সমন্বিতে কৰ্মচাৰীসকলক ৰাইজে প্ৰশংসা কৰিছে।




**TENDER NOTICE**

Sealed Tender affixing Court Fee for Rs.8.25 (Rupees eight and paise twenty five) are hereby invited from the reputed and experienced Architectural Consultancy Firm for preparation of DPR & monitoring of works for maintenance of the quality against the following works. The details may be seen in the office of the Silviculturist, Assam, Basistha, Guwahati-29 during the office hour of working day. Due to non receipt of Tender Vide Tender notice Dated 13/06/2022 the date of receiving of Tender is hereby extended upto 27th June/2022.The Tender will be received by the undersigned on or before 27th June/2022 up-to 3.00 P.M. (1ST) and will be opened in the same day in presence of Tenderers. The rates should be put including all Taxes as admissible.

The intending Consultancy/Tenderer shall quote the rate in Rupees (words) against the value of each item of works.

| SI No. | Item | Value | Rate in Rs. |
|---|---|---|---|
| 1 | Establishment of Orchid park & renovation of Herbal Garden | 1,30,000/- | |
| 2 | Repairing of Existing water supply | 20,000/- | |

Silviculturist, Assam
Basistha,Guwahati-29

Janasanyog/C/5171/22

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
২২ জুন ■ ২০২২ ■ ৭ আহাৰ ■ গুৱাহাটী

# আবতৰীয়া বানত বন্যাৰ্তৰ হাহাকাৰ

আজি কিছুদিন ধৰি অসমৰ চৌদিশে কেৱল প্ৰকৃতিৰ সংহাৰী ৰূপ। উজনি, নামনি, বৰাক-ব্ৰহ্মপুত্ৰ সৰ্বত্ৰ ভয়াৱহ বানৰ তাণ্ডৱ। বানৰ লগতে খহনীয়া আৰু ভূমিস্খলনে জীৱন আৰু সম্পত্তিৰ বিনাশ মাতি আনিছে। ৰাজ্যৰ হাজাৰ হাজাৰ গাঁও জলমগ্ন হোৱাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰে'ল পথ বুৰাই পেলাইছে। ৰাজ্যত বৰষুণ অব্যাহত থকাত বানপৰিস্থিতি অধিক জটিল হৈছে। বানাক্ৰান্তৰ মাজত খোৱাপানী, খাদ্য সমস্যাৰ লগতে পোহনীয়া জীৱ-জন্তুৰো আলৈ-আথানি হৈছে। বহু স্থানত নৈয়ে মথাউৰি ছিঙাৰ বাবে নতুন নতুন অঞ্চল বানৰ কবলত পৰিছে। ৰাজ্যৰ আটাইকেইখন জিলাতেই লক্ষাধিক লোক বানৰ ফলত প্ৰভাৱিত হৈছে। এৰা-ধৰাকৈ অহা দুটাকৈ বানত ৫০জনৰো অধিক লোক মৃত্যুমুখত পৰিছে। মুঠতে সৰ্বত্ৰ অবৰ্ণনীয় পৰিৱেশ। সাহায্য বিচাৰি হাহাকাৰ কৰিছে বন্যাৰ্তই। স্বাধীনতাৰ পিছত ইখনৰ পিছত সিখনকৈ শাসনৰ বাঘজৰি লোৱা ৰাজনৈতিক দলবোৰে কেৱল বানমুক্ত অসম গঢ়াৰ প্ৰতিশ্ৰুতিহে ইমান দিনে ৰাইজক দি আহিছে। একেদৰেই এবছৰ পূৰ্বে শাসনলৈ অহা হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপিৰ দ্বিতীয়খন চৰকাৰেও একে প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল আৰু এইবাৰৰ বানত চৰকাৰে হিয়া উজাৰি বানপীড়িতক সাহায্য প্ৰদান কৰা বুলি ৰাইজক আশ্বাস প্ৰদান কৰিছে। ভয়ানক বানৰ কৱলত পৰা অঞ্চলসমূহৰ উপৰি প্ৰশাসনেই প্ৰতিষ্ঠা কৰা আশ্ৰয় শিবিৰসমূহতে বানপীড়িতই পোৱা নাই পানী, খাদ্য। উল্লেখ্য যে যি স্থানত গৈ সাহায্য বিতৰণৰ নামত চলিছে এক চূড়ান্ত অচলাৱস্থা বুলি বাতৰিত প্ৰকাশ পাইছে। আনকি যি স্থানত গৈ সাহায্য পাইছেগৈ সেয়াও তেনেই কম আৰু নিম্নমানৰ বুলি অভিযোগ উঠিছে। শাসনত থকা আগৰ চৰকাৰে প্ৰতিটো বাৰিষাতে আহিব লগা ভয়াৱহ বানপানীৰ সন্মুখীন হোৱাৰ বাবে প্ৰশাসনৰ এক আগতীয়া প্ৰস্তুতি থকা দেখা যায়। পূৰ্বতে খৰালিতেই জলসম্পদ বিভাগে আগতীয়াকৈ মথাউৰি নিৰ্মাণ বা মেৰামতিৰ কাম কৰে, জনস্বাস্থ্য বিভাগে বাঢ়নী পানীয়ে স্পৰ্শ কৰাৰ সম্ভাৱনা নথকা ওখ স্থানত টিউবৱেল বহুৱায়, দুৰ্যোগ ব্যৱস্থাপনা বিভাগে এনআৰএফ, এছডিআৰএফক সাজু কৰাৰ লগতে উপায়ুক্তসকলৰ কাৰ্যালয়ত পৰ্যাপ্ত বান সাহায্য মজুত কৰি ৰখাটো পৰিলক্ষিত হৈ আহিছিল। কিন্তু এইবাৰ ৰাজ্য চৰকাৰৰ যেন বানপানীৰ মুখামুখী হ'ব পৰাকৈ কোনো আগতীয়া প্ৰস্তুতিয়েই নাছিল। অথচ মুখ্যমন্ত্ৰীগৰাকীৰ ৰাজ্যৰ চৰকাৰী বিষয়া-কৰ্মচাৰীসকলে সেৱা আগবঢ়াই অহা সত্ত্বেও প্ৰতি বছৰে অহা বানপানী এইবাৰো অহাৰ সময়ত সমগ্ৰ ৰাজ্যৰ প্ৰশাসন ব্যৱস্থা বিশেষ চকুত লগা হোৱা নাই। সাহায্য বিতৰণৰ নামত বিভিন্ন অঞ্চলৰ পৰা অভিযোগ উত্থাপন হৈছে। প্ৰশাসন ব্যৱস্থা বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে, যাৰ বাবে বানপীড়িতই বান সাহায্যৰ নামত সঠিকভাৱে বিতৰণৰ বাবে সাহায্য পাবলৈ সমৰ্থ হোৱা নাই। বহু অঞ্চলত সাহায্যৰ নামত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে আৰু কেতবোৰ অঞ্চলত বানপীড়িতক বিতৰণ কৰা সামগ্ৰী নিম্নমানৰ বুলি অভিযোগ উত্থাপন হৈছে। এইক্ষেত্ৰত চৰকাৰ তথা চৰকাৰী বিষয়ববীয়াই এই অভিযোগৰ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু এইবোৰ অভিযোগ উত্থাপনৰ ব্যৱস্থা ক্ষীপ্ৰ গতিৰে নাইকিয়া কৰিবলৈ ব্যৱস্থা হাতত ল'ব লাগে। আৱশ্যক হ'লে চৰকাৰে যুদ্ধকালীন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেতিয়াহে হাজাৰ হাজাৰ বানপীড়িতই হাহাকাৰ কৰা অৱস্থা এটাৰ সমাপ্তি ঘটিব। বানপীড়িতৰ অভাৱ-অনাটন অৱস্থাও নাইকিয়া হ'ব। আৱশ্যক হ'লে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰক। লাহে লাহে বানপানী স্তিমিত হৈছে যদিও শংকা দূৰ হোৱা নাই। আনহাতে, বজাৰত একাংশই বয়বস্তু জুই-চাই দামত বিক্ৰী কৰি ৰাইজক হাব- ডাবু খুৱাইছে।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### বানাক্ৰান্তৰ লগতে দ্ৰুত হাৰত জীৱ-পশু ধনৰ ৰোগৰ আশংকা

সাম্প্ৰতিক সময়ত দেশৰ লগতে অসমতো বানৰ বিভীষিকাই কাল ৰূপ ধাৰণ কৰিছে। উল্লেখ্য যে, উজনি-নামনি সকলো দিশতে বানপানী। গৃহহাৰা হৈছে সহস্ৰ জনগণ। বিশুদ্ধ খোৱাপানীৰ সংকটে গ্ৰাস কৰিছে। সপোনৰ ঘৰখন সম্পূৰ্ণৰূপে বানত উটি-ভাহি গৈ জৰাজীৰ্ণ কৰি পেলাইছে। আশ্ৰয়ৰ বাবে শিবিৰ পাতি থাকি স্বাস্থ্যৰ প্ৰতি ভয়ানক ভাবুকি কঢ়িয়াই আনিছে। ইফালে, পশুধনৰ (গৰু, ম'হ, ছাগলী, হাঁহ, কুকুৰা) অভাৱনীয় পৰিস্থিতিত। আনহাতে, বানপানীয়ে বিভিন্ন মাৰাত্মক ৰোগ (কলেৰা, পক্ষীজ্বৰ, চবকা) শেহতীয়াকৈ (ক'ৰনা, ইব'লা, জিকা ভাইৰাচ) ইত্যাদিৰ আশংকা নমাই আনিছে বানপীড়িত নৈপৰীয়া লোকসকলৰ মাজত। এইক্ষেত্ৰত চৰকাৰ প্ৰশাসনে তথা পশু চিকিৎসা বিভাগ, ভেটেৰিনেৰী পশু চিকিৎসকসকলৰ জৰিয়তে, পোহনীয়া-বনৰীয়া জীৱ-জন্তুৰ পৰা বিভিন্ন মাধ্যমেৰে বীজাণুবোৰ মানুহৰ দেহলৈ সংক্ৰমিত হয়, তাৰ প্ৰতি সজাগতা তথা ৰোগ নিৰাময়ৰ প্ৰতিষেধক (ছিটা) প্ৰদান কৰি ৰোগমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিব বুলি মই এজন ভুক্তভোগী নাগৰিক হিচাপে আশাবাদী।

■ চিন্ময় ডেকা
*ফোন ঃ ৬০০২৬-৬৬৫৯৩*

### ভুলবোৰ শুধৰণি কৰোঁ আহক

সম্প্ৰতি সমগ্ৰ অসমতে এটি অভাৱনীয় পৰিৱেশ। নেৰানেপেৰা বৰষুণ। এবুকুলৈকে বুৰ যোৱা পানীত নগৰ-মহানগৰ। ক'ৰবাত যদি ৰাস্তাৰ ওপৰেৰে নাও চলিছে ক'ৰবাত পানীৰ প্ৰকোপৰ পৰা হাত সাৰিবলৈ জলদেৱতাক ৰাইজে পূজা-অৰ্চনা কৰিব ধৰিছে। কোনো কালেই নোহোৱা এটি পৰিস্থিতি। ৰাইজৰ অৱস্থা দেখাজনেহে উপলব্ধি কৰিব পাৰে। গুৱাহাটী মহানগৰীৰ অৱস্থা সবাতোকৈ বিষম। কৃত্ৰিম বানে সকলোৰে স্বাভাৱিক জীৱন যাত্ৰা বিপৰ্যস্ত কৰি তুলিছে। কিন্তু ইয়াৰ প্ৰকৃত কাৰণ কি কোনে ভাবিছে। সকলোৱে চৰকাৰক দুষিছে। বানপানী কি চৰকাৰৰ ব্যৰ্থতাৰ কাৰণ নেকি? মুঠেই নহয়। আজিৰ এই অৱস্থাৰ কাৰণ আমি নিজেই। কোন দিনা আমি নিজৰ ঠাইখনক নিজৰ বুলি ভাবিছোঁ। এজন সৎ নাগৰিক হৈ নিজৰ চহৰখন নিকা কৰি ৰখাৰ দায়িত্ব আমাৰে নহয়নে? যিখন চহৰে আমাক জীৱিকা দিছে, শিক্ষা দিছে সেইখন চহৰকে আমি প্ৰতিক্ষণে জাবৰৰ দ'মেৰে পুতি পেলাবলৈ আগবাঢ়িছোঁ। জলাহ পুতি ডাঙৰ ডাঙৰ অট্টালিকা সাজিছোঁ, পথৰ দাঁতিৰ নৰ্দমাবোৰত পলিথিনেৰে বান্ধি জাবৰ পেলাইছোঁ, সেয়া জানো শুদ্ধ কথা। ক'ৰবাত যদি খালী প্লট এটা পৰি আছে তাৰ এফাল জাবৰ-জোঁথৰেৰে ভৰা। আমি নিজৰ ভেটিটো আনতকৈ ওখকৈ সাজিছোঁ কিন্তু আমাৰ ভেটিৰ অতিৰিক্ত পানী ক'লৈ গৈছে গমি চাইছোনে? এফালে আমাৰ খোৱাপানীৰ অভাৱ অথচ কৃত্ৰিম বানে আমাক বুৰাই ৰাখিছে। কি যে পৰিহাস। চৰকাৰে সাধ্য অনুসৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে কিন্তু যেতিয়ালৈকে ৰাইজৰ সহযোগিতা নাথাকে চৰকাৰ নালাগে কোনেও পানীক প্ৰতিৰোধ কৰি ৰাখিব নোৱাৰে। নিজৰ ঘৰৰ ভিতৰখন আমি যেনেকৈ নিকা কৰি দেখনীয়াৰ কৰি থওঁ চহৰখনো তেনেকৈ ৰখাৰ দায়িত্ব আমাৰে। সদৌ শেষত এটি অনুৰোধ— আনক দূষীলেই নিজৰ দোষ কমি নাযায়, আমি সকলো সমানে দোষী। এই দোষৰ ভাৰ কমাই লোৱাৰ সময় সমাগত। নহ'লে পিছলৈ আমাক সময়েও ক্ষমা নকৰিব।

■ অংকুৰিতা ফুকন
*ফোন ঃ ৮৪৫৩৩-৮৯৪৫০*

# অম্বুবাচী মেলা - হিন্দুৰ পৱিত্ৰ উৎসৱ



■ অমল চন্দ্ৰ কোঁৱৰ

অম্বুবাচী হ'ল হিন্দু ধৰ্মৰ পৱিত্ৰ উৎসৱ। ই এটা কৃষিভিত্তিক উৎসৱ। বেদৰ মতে পৃথিৱীক আমাৰ মাতৃ বুলি কৈছে আৰু হিন্দু শাস্ত্ৰৰ মতেও পৃথিৱীক মাতৃ জ্ঞান কৰিছে। পৃথিৱীত বসবাস কৰা চৰাই-চিৰিকটি, প্ৰকৃতি, জীৱ-জন্তু, মানুহ এই সকলোৰে মাতৃ হ'ল পৃথিৱী। এজনী ছোৱালী যেনেকৈ ঋতুমতী হয় ঠিক তেনেকৈ পৃথিৱীও এদিন ঋতুমতী হয় বুলি হিন্দু শাস্ত্ৰত কৈছে। প্ৰতি মাহে ছোৱালী বা মহিলা ঋতুমতী হোৱাৰ দৰে প্ৰতি বছৰে এদিন পৃথিৱী ঋতুমতী হয়। হিন্দু শাস্ত্ৰ মতে আহাৰ মাহৰ ৭ তাৰিখে পৃথিৱী ঋতুমতী হয়। ই প্ৰাচীন কালৰে পৰাই জড়িত এজনী ছোৱালী যেনেকৈ ঋতুমতী হোৱাৰে পৰা সন্তান জন্ম দিবৰ পৰা ক্ষমতা হয় ঠিক তেনেকৈ পৃথিৱী ঋতুমতী হোৱাৰে পৰা বৰ্ষাসিক্ত পৃথিৱীও নতুন বছৰৰ নতুন শস্য উৎপাদনৰ উপযোগী এই দিনটোৰ পৰাই আৰম্ভ হয়। আহাৰ মাহৰ সাত তাৰিখৰ পৰা ধৰিত্ৰী উৰ্বৰা কাল বুলি ধৰা হয়। অম্বুবাচী শব্দটো সংস্কৃত শব্দৰ পৰা আহিছে। সংস্কৃত 'অম্বু' মানে পানী আৰু 'বাচী' মানে প্ৰকাশ বুজাইছে বুলি পণ্ডিতসকলে ক'ব বিচাৰিছে। অৱশ্যে অসমৰ ঠাই বিশেষে এই অম্বুবাচীক অমাৰতী, সাত, ৰজোৎসৱ আদি নামেৰে জনা যায়। হিন্দুৰ জ্যোতিষ শাস্ত্ৰৰ মতে আহাৰ মাহত মৃগাশিৰা নক্ষত্ৰৰ তিনিপদ অতীত হ'লে চতুৰ্থপদ আদ্ৰা নক্ষত্ৰৰ প্ৰথৰ ভিতৰত পৃথিৱী ঋতুমতী হয়। হিন্দু শাস্ত্ৰৰ মতে অম্বুবাচী বা সাত আৰম্ভ হোৱাৰ দিনটোক 'অম্বুবাচী প্ৰবৃত্তি' আৰু শেষৰ দিনটোক 'অম্বুবাচী নিবৃত্তি' বুলি কোৱা হয়। আমাৰ সমাজত লোক বিশ্বাস মতে পৃথিৱীক যিহেতু মাতৃ জ্ঞান কৰা অম্বুবাচী সময়ত ৰজস্বলা হয়। পৃথিৱী ৰজস্বলা হোৱাৰ সময়ত কোনো হিন্দু ধৰ্মৰ লোকে কৃষি কাৰ্য নকৰে। কৃষিজীৱী ৰাইজে এই অম্বুবাচী নানা ধৰণৰে পালন কৰে।

হিন্দু শাস্ত্ৰৰ মতে আহাৰ মাহৰ আৰম্ভণিতে পৃথিৱী বা বসুমতী মা বৰ্ষাৰ নতুন পানীৰে উপচি পৰে আৰু তেতিয়া পৃথিৱীক ঋতুমতী নাৰীৰূপে গণ্য কৰা হয় আৰু আৰম্ভ হয় সাত বা অম্বুবাচী। সাত চোৱা বা অম্বুবাচী মেলা নিবৃত্তি হোৱাৰ পাছদিনৰ পৰা কৃষকে খেতিপথাৰত হাল বোৱাৰ কাম আৰম্ভ কৰি আহিছে। প্ৰাচীন কালৰ পৰাই সমাজত প্ৰচলিত হৈ আহিছে। হিন্দুৰ সমাজত কোনো ছোৱালী ঋতুমতী হ'লে অম্বুবাচী বুলি ধৰা হয় আৰু তেনে সময়ত কোনো মাংগলিক কাম সেই ছোৱালীয়ে বা মহিলাই নকৰে। ঠিক তেনেকৈ পৃথিৱী ঋতুমতী অৰ্থাৎ সাত বা অম্বুবাচীৰ সময়ত কোনো ধৰণৰ মাংগলিক কাম কৰা নহয়। এগৰাকী নাৰী যেনেকৈ তিনি দিন ঋতুসায়ী হৈ থাকে আৰু সেই সময়ত সেই নাৰীগৰাকী অশুচি হৈ পৰাৰ দৰে অম্বুবাচীৰ সময়ত সমগ্ৰ পৃথিৱী অশুচি হৈ থাকে বুলি লোক-বিশ্বাস আছে। এই সময়ছোৱাত কোনো ব্ৰাহ্মণ বা সন্ন্যাসীয়ে কোনো সিদ্ধ আহাৰ গ্ৰহণ নকৰে। আন নালাগে সেই তিনি দিন তেওঁলোকে মাটিত ভৰিও নিদিয়ে। সেই তিনি দিন তেওঁলোকে ভৰিত চেঙেল আদি পিন্ধি থাকে। আনহাতে, অম্বুবাচীৰ তিনি দিন ফলাহাৰ গ্ৰহণ কৰাৰ লগতে মাটিৰ পৰা ওপৰত থোৱা পানীহে গ্ৰহণ কৰে।

অম্বুবাচী পালন কৰা লোকসকলে আহাৰ মাহৰ সেই তিনি দিন এক বিশেষ ধৰণেৰে পালন কৰে। তেওঁলোকে কিছুমান বিশেষ নীতি-নিয়ম পালন কৰে। নামঘৰ বা গোসাঁইঘৰত নোসোমাই, চাকি-বন্তি নজ্বলাই, মাটিৰ স্পৰ্শলৈ অহা কোনো বস্তুৰেই গ্ৰহণ নকৰে। যিকোনো ৰন্ধা বস্তু নাখাই আনকি মাটি স্পৰ্শলৈ অহা বাচন-বৰ্তনতো কোনো খাদ্য নাখায়। বহুত মানুহে মাটিৰ ওপৰত তক্তা পাৰি পানী বা বাচন-বৰ্তন আদি থৈ দিয়ে অম্বুবাচী অহাৰ আগতেই। অম্বুবাচী পালন কৰা লোকসকলে সেই দিনকেইটাত ইজনে সিজনৰ ঘৰলৈ ফলমূল আদান-প্ৰদান কৰে। অম্বুবাচী নিবৃত্তি হোৱাৰ পাছত থাকি যোৱা পানী বা অনান্য ফলমূলসমূহ পেলাই দিয়ে আৰু সেইকেইদিন ব্যৱহাৰ কৰা কাপোৰ-কানিবিলাক ভালদৰে ধুই দিয়ে। এয়াই অম্বুবাচী পালন কৰা লোকৰ নিয়ম।

ভাৰতৰ অন্যতম শক্তিপীঠ মা কামাখ্যাত আহাৰৰ তিনি তাৰিখৰ পৰা অম্বুবাচী মেলা পালন কৰা হয়। এই মেলালৈ পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা লক্ষ লক্ষ ভক্তৰ সমাগম হয়। এই মেলা দেশৰ ভিতৰতে জনপ্ৰিয়। কামাখ্যাধামত দেশ-বিদেশৰ লক্ষ লক্ষ সাধু-সন্ন্যাসীৰ সমাগম বিশেষকৈ মন কৰিবলগীয়া। সেইকেইদিন এই সাধু-সন্ন্যাসীসকলৰ আলৌকিক কাৰুকাৰ্যবিলাক মন কৰিব লগা। ভক্তিৰসৰ গদগদ ভক্তৰ ব্যস্ততা, অলেখ সাধু-সন্ন্যাসীৰ বিচিত্ৰ কৰ্ম-কাণ্ডৰ উথপ্‌থপ হৈ পৰা দেখা যায়। জনবিশ্বাস মতে অম্বুবাচীৰ সময়ত কামাখ্যা দেৱী ঋতুমতী হয় আৰু ঋতুমতী যি অশুচিতা সেয়া কঠোৰভাৱে পালন কৰা হয়। অম্বুবাচীৰ এই তিনি দিন মা কামাখ্যাৰ মন্দিৰৰ দুৱাৰ বন্ধ থাকে। বন্ধৰ তিনি দিন কোনো মন্দিৰৰ ভিতৰত সোমাব নোৱাৰে। সেই তিনি দিন কোনো পূজা আদি নহয়। অম্বুবাচীৰ প্ৰথম তিনি দিন চুৱা আৰু চতুৰ্থ দিনা শুদ্ধি বুলি কোৱা হয়। অম্বুবাচী আৰম্ভ হোৱাৰ লগে লগে মা-কামাখ্যাৰ লগতে সকলো মঠ-মন্দিৰৰো দুৱাৰ বন্ধ হৈ যায় আৰু চতুৰ্থ দিনা শুদ্ধিকৰণৰ পাছত মন্দিৰৰ দুৱাৰ খোলা হয় দৰ্শনাৰ্থীৰ বাবে। চতুৰ্থ দিনা মা কামাখ্যা দেৱীক স্নান কৰি পূজা প্ৰভৃতি



সমাপন কৰাৰ পাছতহে দৰ্শনাৰ্থীয়ে দেৱীক দৰ্শন কৰিব পাৰে। হিন্দু ধৰ্মৰ মতে মা কামাখ্যা দেৱী দৰ্শনৰ এই দিনটোৱে আটাইতকৈ ভাল দিন বুলি বিশ্বাস কৰে। দেশৰ বিভিন্ন ঠাইৰ লগতে লাখ লাখ ভক্তই সেইদিনা দেৱীৰ ভোগ গ্ৰহণ কৰিলে বছৰটোৰ কাৰণে ভাল বুলি বিশ্বাস কৰে। অম্বুবাচী পালন কৰা লোকসকলে দেৱীৰ ভোগ নিনিয়ালৈকে কেৱল মাত্ৰ ফল-মূলহে গ্ৰহণ কৰি থাকে। এই কেইদিন সকলো ভক্তই মন্দিৰৰ চৌপাশে ধূপ-ধূনা জ্বলাই নাম-কীৰ্ত্তন কৰি তিনি দিন পাৰ কৰে আৰু চতুৰ্থ দিনা মন্দিৰৰ দুৱাৰ খোলাৰ লগে লগে মা দুৰ্গাক দৰ্শন কৰিবলৈ অধীৰ আগ্ৰহৰে শাৰী পাতি থাকে আৰু দেৱী চৰণ চুইহে ঘৰমুৱা হয়। ই এক প্ৰতিজন হিন্দু ধৰ্মৰ পৱিত্ৰ কাম বুলি বিশ্বাস আছে।

অম্বুবাচী সময়ছোৱাত মা-কামাখ্যা দেৱীৰ ৰক্তবস্ত্ৰৰ মাহাত্ম্য সকলো হিন্দু মাত্ৰেই জ্ঞাত। সেইদিনা কামাখ্যাৰ গৃহৰ পৰা ৰক্ত তৰল নিৰ্গত হয়। অম্বুবাচী নিবৃত্তি তিনি দিন মন্দিৰৰ পাণ্ডাসকলে ভক্তসকললৈ এই ৰক্তবস্ত্ৰ আগবঢ়ায়। হিন্দু শাস্ত্ৰৰ মতে মা-কামাখ্যাৰ ৰক্তবস্ত্ৰ শৰীৰত পৰিধান কৰিলে অভীষ্ট সিদ্ধি হয় বুলি বিশ্বাস আছে। সেই কাৰণে পুৰুষে সেই ৰক্তবস্ত্ৰ সোঁহাতত বা ডিঙিত বা মহিলাই বাঁওহাতত বা ডিঙিত ধাৰণ কৰে। বৰ্তমান কামাখ্যা ধামৰ এই অম্বুবাচী মেলাই এক আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিছে। আহঁক আমি প্ৰতিজন হিন্দুৱে কামাখ্যা ধামত নগ'লেও নিজ নিজ গৃহত এনেদৰে অম্বুবাচী পালন কৰোঁ।

ফোন নং- ৭০০২৯২৬০৭০

# কামজন কামাখ্যা আৰু কামাখ্যাত অনুষ্ঠিত হোৱা অম্বুবাচী মহা উৎসৱ আৰু মেলা



■ দুৰ্গা প্ৰসাদ শৰ্মা

অতীজৰ পৰাই কামাখ্যা তন্ত্ৰ সাধনাৰ সিদ্ধপঠ হিচাপে প্ৰখ্যাত হৈ আহিছে। সেই সময়ত এই অঞ্চলত মুখ্যতঃ অষ্ট্ৰিক আৰু মংগোলীয় বা কিৰাতসকলৰ বসতিস্থল আছিল। অষ্ট্ৰিকসকল আছিল শক্তি উপাসক। তেনেদৰে কিৰাতসকল আছিল শৈৱ আৰু শক্তি উপাসক। কামাখ্যা শব্দটো অষ্টিক ভাৰা সম্ভুত। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে আৰ্য সংস্কৃতি প্ৰাগজ্যোতিষপুৰ পৰ্যন্ত সম্প্ৰসাৰিত হোৱাৰ বহু আগৰ পৰাই কামৰূপত শক্তিবাদ বা দেৱী পূজাৰ পৰম্পৰাক আৰ্য সংস্কৃতিৰ ধাৰক-বাহক নৰকাসুৰক বিষ্ণুৱে নিৰ্দেশ দিছিল যে কামৰূপত নীলাচলৰ গিৰি কন্দৰতা বিৰাজমান দেৱী কামাখ্যাই এই এই অঞ্চলৰ অধিপতি — গতিকে কামাখ্যাৰ বাদে অন্য দেৱ-দেৱীক পূজা কৰাটো নিষেধ। বিষ্ণুৱে নৰকাসুৰক প্ৰাগজ্যোতিপুৰত ৰজা পতাৰ বহু আগৰ পৰাই মহাদেৱী কামাখ্যাই এই স্থানৰ সাংস্কৃতিক জীৱনত অশ্ৰুতি দ্বন্দ্বিনী নায়িকাৰ ভূমিকা পালন কৰি আহিছে।

প্ৰাগজ্যোতিষপুৰৰ ৰাজসিংহাসনত নৰকাসুৰ অধিষ্ঠিত হোৱাৰ পূৰ্বে এই স্থানৰ অধিবাসী আছিল কিৰাতসকল আৰু তেওঁলোকৰো উপাস্য দেৱী কামাখ্যাই আছিল। সেই বাবে বিষ্ণুৱে পুত্ৰ নৰকাসুৰক কৈছিল কৰতোৱা নামৰ গংগা পূব ফালে অহৰহ বৈ আছে আৰু এই অঞ্চলৰ ললিতা কান্তা দেৱী চিৰবিৰাজমান, সেই স্থান পৰ্যন্ত তোমাৰ ৰাজ্য হ'ব। এই স্থানত দেৱী মহামায়া জগত প্ৰসবিনী যোগ নিদ্ৰাই কামাখ্যা ৰূপ ধাৰণ কৰি সৰ্বদা বিৰাজমান হৈ আছে।

মহাকবি কালিদাসে ৰঘুবংশ মহাকাব্যত 'কামৰূপ কামাখ্যাক হেমপীঠ আখ্যা দিছে। তন্ত্ৰত উল্লেখ থকা কামপীঠ, কামৰূপ আৰু কামাখ্যা ভিন্ন আন কোনো স্থান নহয়। কালিকা পুৰাণত কামপীঠক কুব্জিকা পীঠ আৰু কামাখ্যা বোলা হৈছে। গড়ুৰ পুৰাণত কামৰূপ আৰু কামাখ্যা বিখ্যাত তীৰ্থস্থান হিচাপে অভিহিত কৰিছে। কালিকা পুৰাণত উল্লেখ থকা মতে কামৰূপক প্ৰাগজ্যোতিষপুৰ নামেৰে জনা গৈছিল। কিয়নো প্ৰাচীন কালত পিতামহ ব্ৰহ্মাই এই স্থানত নক্ষত্ৰাদি, জগতৰ সৃষ্টি কাৰ্য আৰম্ভ কৰিছিল বুলি প্ৰবাদ আছে। সেই বাবেই এই স্থান প্ৰাগজ্যোতিষপুৰ নামেৰে প্ৰখ্যাত হৈছিল। হিন্দু ধৰ্মৰ বিশ্বাস অনুসৰি অসম তথা কামৰূপত আই মাতৃ শক্তিৰূপা কামাখ্যা দেৱী শক্তিপীঠ হিচাপে বিৰাজমান।

কুব্জিকা তন্ত্ৰত উল্লেখ থকা মতে কামনা কৰা ফল প্ৰাপ্তি হয় কাৰণে ই কামৰূপ নামে প্ৰখ্যাত। বিশেষকৈ কলি যুগত এই স্থান অতি জাগ্ৰত বুলি কোৱা হয়।

মহাদেৱে কামদেৱক পুনৰুজ্জীৱন দান দিলে যদিও পূৰ্বৰ ৰূপ-লাৱণ্য লাভ কৰিব নোৱাৰিলে। সেয়ে পুনৰ মহাদেৱক তুষ্ট কৰি তেওঁৰ আদেশত ঈষাণ কোণত অৱস্থিত নীলাচল পৰ্বতত থকা মহামায়াৰ মহামুদ্ৰা পীঠত ৰতী দেৱী আৰু কামদেৱ আহিল নানা তুতি-মিনতিৰে দেৱীক সন্তুষ্ট কৰি আগৰ হেৰোৱা ক্ৰান্তি লাভ কৰিলে। ইয়াৰ পাছত দেৱতাসকলে মহামায়া কামাখ্যাৰ পূজা-সেৱা কৰি তেওঁৰ মহিমা স্বৰ্গতো প্ৰচাৰ কৰিলে। লগতে জগতত দেৱীৰ মাহাত্ম্য প্ৰচাৰৰ অৰ্থে কামদেৱে বিশ্বকৰ্মাক কামাখ্যা পীঠৰ ওপৰত মন্দিৰ নিৰ্মাণ কৰিবলৈ অনুৰোধ কৰিলে। বিশ্বকৰ্মাই এই অনুৰোধ পাই অতি আনন্দৰে কৰ্মীসকলক লগত লৈ ছদ্মৱেশেৰে মন্দিৰ নিৰ্মাণত ব্ৰতী হ'ল। বিশ্বকৰ্মাই মহামুদ্ৰাপীঠৰ ওপৰত শিলেৰে এটা বিচিত্ৰ মন্দিৰ নিৰ্মাণ কৰি মন্দিৰৰ গাত চৌষষ্ঠি যোগিনী আৰু অষ্টাদশ ভৈৰৱ মূৰ্তি খোদিত কৰি তৈয়াৰ কৰিলে। কামদেৱে ইয়াক আনন্দাখ্য মন্দিৰ নামেৰে জগতত প্ৰচাৰ কৰিলে। কামদেৱে নিজৰ ৰূপ ঘূৰাই পোৱাৰ বাবে এই দেশ কামৰূপ হ'ল। সৰ্বপ্ৰথমে এই মহামুদ্ৰাপীঠৰ মাহাত্ম্য জগতত প্ৰচাৰ হোৱা মনোভৱ গুহা নামেৰে প্ৰখ্যাত হ'ল।

বিশ্বকৰ্মা নিৰ্মিত আনন্দাখ্য মন্দিৰ কালক্ৰমত ক্ষয়প্ৰাপ্ত হোৱাত হৈ সময়ৰ প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকাসুৰৰ দ্বাৰা নিজ ৰাজধানী আৰু কিংবদন্তিৰ চৰ্ত অনুসৰি এৰাতিৰ ভিতৰতে নীলাচল পৰ্বতত চাৰিও দিশে শিলেৰে চাৰিটা খটখটিৰ স'তে ৰাস্তা আৰু চাৰিটা শিলেৰে নিৰ্মাণ কৰা তোৰণ ক্ৰমে ব্ৰাহ্মদ্বাৰ, হনুমন্তদ্বাৰ, স্বৰ্গদ্বাৰ আৰু সিংহদ্বাৰ নিৰ্মাণ কৰাৰ কথা পোৱা যায়, লগতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত থকা কুকুৰা কটা চকীৰ কিংবদন্তিৰ কথাও ইয়াৰ লগত সংযোগ হৈ আছে। কোচ বিহাৰৰ মহাৰজাই দেৱী মন্দিৰ পুনৰ নিৰ্মাণ, মন্দিৰ সোণেৰে নিৰ্মাণ কৰাৰ কথা আৰু পাচত দেৱীৰ আদেশত প্ৰত্যেক চপৰা ইটাৰ লগত এক ৰতিকৈ সোণ দি মন্দিৰ নিৰ্মাণ আদি অনেক জনশ্ৰুতি আৰু প্ৰবাদ কামাখ্যা মহাপীঠৰ লগত জড়িত হৈ আছে। বিশ্ববিখ্যাত কামাখ্যা মহাপীঠত অনুষ্ঠিত অম্বুবাচী উৎসৱ ঃ বিশ্ববিখ্যাত কামাখ্যা মহাপীঠত অনুষ্ঠিত হোৱা অম্বুবাচী, দেৱধ্বনি, দুৰ্গাপূজা, দৌলযাত্ৰা, বাসন্তী পূজা, নৱান্ন, পোহনী বিয়া, (পুষ্যাভিষেক) দুৰ্গা দৌল, মদন চতুৰালি শিৱৰাত্ৰি, জন্মাষ্টমী, কালী পূজা, সৰস্বতী পূজা, মাননি পূজা আদি অনেক উৎসৱ-পাৰ্বণ অনুষ্ঠিত হয়। এই অনুষ্ঠিত হোৱা উৎসৱবিলাকৰ ভিতৰত অম্বুবাচী উৎসৱেই শ্ৰেষ্ঠতা লাভ কৰিছে। বালিকা পুৰাণত উল্লেখ থকা মতে একাৱন্নখন মহাপীঠ আৰু চাৰ্ব্বিছখন উপপীঠৰ কামাখ্যা দেৱীৰ মহামুদ্ৰাপীঠ পৃথিৱীৰ ভিতৰতে শ্ৰেষ্ঠ হিচাপে স্বীকৃত। এই উৎসৱ-পাৰ্বণবিলাকৰ ভিতৰত অম্বুবাচী উৎসৱ আৰু মেলা প্ৰতি বছৰে আহাৰ মাহত অনুষ্ঠিত হয়। আৰু এই অম্বুবাচী মেলাই বিশেষ তাৎপৰ্য বহন কৰি আহিছে। উল্লেখ্য যে ভগৱতী ৰজস্বলা হোৱাৰ যি পৰম্পৰা সেই পৰম্পৰা অনুসৰি অম্বুবাচী প্ৰবৃতিৰ পৰা নিবৃত্তি পৰ্যন্ত এই সময়ছোৱাক অম্বুবাচী বা যাঠ বুলি জনাজাত। জ্যোতিষ শাস্ত্ৰৰ মতে আহাৰ মাহৰ মৃগশিৰা নক্ষত্ৰৰ তিনি পাদ অতীত হৈ চতুৰ্থ পাদ, আদ্ৰা নক্ষত্ৰৰ প্ৰথম পাদৰ ভিতৰত পৃথিৱী ঋতুমতী হয় বুলি লোক বিশ্বাস আছে। এই ঋতুমতী হোৱা সময়খিনিক অম্বুবাচী বোলা হয়। এই সময়ছোৱাত কামাখ্যা মন্দিৰৰ মূল দ্বাৰ বন্ধ ৰখা হয়। আৰু পূজা সেৱা দৰ্শন সকলো কাৰ্য বন্ধ থাকে। চতুৰ্থ দিনা সময় মতে মন্দিৰৰ দুৱাৰ মুকলি কৰা হয়। দেৱী মণ্ডপ, মন্দিৰ সকলো ধুই পৰিষ্কাৰ কৰাৰ পাছত মহামায়া কামাখ্যা দেৱীক স্নান-পূজা আদি সমাধা হোৱাৰ পাছত যাত্ৰীসকলক মূল পীঠ আৰু মন্দিৰ দৰ্শন কৰিবলৈ দিয়া হয়। দেৱী দৰ্শনৰ বাবে সেইদিনা দেশ-বিদেশৰ বিভিন্ন স্থানৰ পৰা তীৰ্থযাত্ৰী আহি দেৱী দৰ্শন কৰেহি। অম্বুবাচীৰ সময়ত মাৰ পীঠ ঢাকি ৰখা ৰঙা অংগবস্ত্ৰৰ মাহাত্ম্য বহুত বেচি। কথিত আছে, এই বস্ত্ৰ শৰীৰত ধাৰণা কৰিলে বা লগত ৰাখিলে অভীষ্ট ফল আৰু মনৰ কামনা পূৰণ হয়। গতিকে এই অংগ বস্ত্ৰ পাবলৈ হিন্দু সমাজৰ হাবিয়াস খুব বেছি। অম্বুবাচীৰ সময়ত কামাখ্যা দেৱী জাগ্ৰত অৱস্থাত থাকে। সেই গতিকে এই সময়ছোৱাত ব্ৰতীসকলে নিজ অভীষ্ট সিদ্ধিৰ বাবে মাৰ আশিস বিচাৰি কামাখ্যাত ভিৰ কৰেহি। বৰ্তমান সময়ত পৃথিৱী বা প্ৰায় দেশৰে যাত্ৰী আৰু সাধু-সন্ন্যাসীসকলক কামাখ্যাৰ এই অম্বুবাচী মেলা আৰু উৎসৱত প্ৰত্যক্ষ কৰা যায়। এনেকৈয়ে কিছুৱে চাবৰ বাবে কিছুৱে পুণ্যৰ বাবে কামাখ্যালৈ আহি নিজৰ নিজৰ অভীষ্ট পূৰণ কৰে।

অম্বুবাচীক লৈ লোক বিশ্বাস আৰু লোক পৰম্পৰাৰ অন্ত নাই। এই দিনকেইটাত খেতিয়ক ৰাইজে মাটি কৰ্ষণ নকৰে, গছ-গছনি নাকাটে আৰু নোৰোৱে। কোনো গুটি আদি নিসিচে। কোনো মাংগলিক কাৰ্য মানে পূজা-সেৱাকে আদি কৰি কোনো শুভ কাৰ্য অনুষ্ঠিত নকৰে। ব্ৰতীসকলে এই সময়ছোৱাত কোনো অন্ন গ্ৰহণ নকৰে। ফল-মূল, গাখীৰহে আহাৰ হিচাপে গ্ৰহণ কৰে। অম্বুবাচীত গাখীৰ খালে সাপে অপকাৰ নকৰে বুলি জনবিশ্বাস আছে। ইয়াৰ উপৰি এই সময়ত ব্ৰত নৰখাসকলেও ফল-মূল খোৱাৰ পৰম্পৰা আছে। এই সময়ত যিহেতু ফল-মূলৰ বতৰ। এনেদৰেই শক্তিৰূপীনি দেৱী বসুমতী বা আদ্যা শক্তি মহামায়া পীঠৰ এই উৎসৱ সামৰণি পৰে।

*ফোন ঃ ৯৫০৮২-৯৭৬০৮*

# জলবায়ু পৰিৱৰ্তন আৰু আমাৰ দায়িত্ব

■ হৃদয় ডেকা

পৰিৱেশৰ বিপন্নতাক লৈ যে কিবা হ'ব পাৰে সেই কথা পৃথিৱীৰ মানুহৰ চিন্তাৰ অগোচৰ আছিল দুই দশক আগলৈ। কিন্তু আজি পৰিৱেশৰ বিপন্নতাৰ সমস্যাক লৈ পৃথিৱীৰ মানুহ সন্ত্ৰস্ত। বিশ্ববিদ্যালয়ৰ পৰা প্ৰাথমিক স্কুলৰ পাঠ্যক্ৰমলৈ, গৱেষণাগাৰৰ পৰা উদ্যোগলৈ, ৰাজনৈতিক মহলৰ পৰা সাংস্কৃতিক মহললৈ সকলোতে এতিয়া পৰিৱেশক লৈ চিন্তা-চৰ্চা হৈছে। পৰিৱেশৰ সমস্যাটোক এক বিজ্ঞানসন্মত দৃষ্টিভংগীৰে চোৱাৰ অতীৱ প্ৰয়োজন হৈছে বৰ্তমান সময়ত। প্ৰয়োজন হৈছে পৰিৱেশৰ সমস্যাৱলীক আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ সন্মুখত নিৰপেক্ষভাৱে দাঙি ধৰাৰ। পৰিৱেশৰ বিপুল সমস্যাৰ বহুমাত্ৰিক বিষয়সমূহ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক সৰুৰে পৰা জ্ঞান দিয়াটো অতি জৰুৰী হৈ পৰিছে। কিন্তু স্কুল পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশৰ বহুমাত্ৰিক বিষয়সমূহৰ সমন্বিত শিক্ষা দিব পৰা নাই যদিও এতিয়া এইটো অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। জলবায়ু পৰিৱৰ্তনৰ ফলত বৃদ্ধি হোৱা উষ্ণতা, বায়ু, পানী, আৰু মাটি প্ৰদূষণ তথা প্ৰাকৃতিক সম্পদ আৰু দুৰ্বল আৱৰ্জনা ব্যৱস্থাপনাই পৃথিৱীত যি ভয়ানক সমস্যাৰ সৃষ্টি কৰিছে সেয়া নকৈ কোৱাৰ হয়তো কোনো প্ৰয়োজন নাই যিয়ে আনৰ মাজত আমাৰ জীৱনকো প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰিছে। জলবায়ু পৰিৱৰ্তনক আমি সদায় চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য হিচাপে লৈ আহিছোঁ। কিন্তু কিয়? ইয়াৰ মূল কাৰণ আমিয়েই নহয় জানো। অৱশ্যে ১০ ক্ম শতাংশ মান মানুহে এই বিষয়ে সচেতন নোহোৱা নহয়। পৰিৱেশবিদ আৰু সেউজকৰ্মীসকলে আমাৰ নিৰ্বিকাৰ মনোভাৱৰ বিপদৰ বিৰুদ্ধে অহৰহ প্ৰচাৰ চলাই অহাটো আমি বাতৰি-কাকত, আলোচনী, কিতাপ, অথবা বিভিন্ন মঞ্চৰ কথোপকথনত শুনিছোঁ যদিও ভাবুকিটো হৃদয় বিদাৰক নোহোৱালৈ সমাধানৰ প্ৰতি গুৰুত্ব নিদিয়াকৈ হাত সাবটি বহি থকাটো কিমান যুক্তিসংগত সেয়া আমি সকলোৱে অৱগত আৰু কেইবা বছৰ পিছত যে আমাৰ লগতে নৱ-প্ৰজন্ময়ো ভালকৈয়ে উপলব্ধি কৰিব সেইটো নিশ্চিত। নিজৰ প্ৰয়োজন পূৰণ কৰিবলৈ বনাঞ্চল ধ্বংস কৰা, ঘৰ নিৰ্মাণ কৰিবলৈ গছ কটা, আপডেট কৰা প্ৰদূষণ পৰীক্ষা অবিহনে গাড়ী চলোৱা, দ্বিতীয়জনৰ সন্মতি অবিহনে উদ্যোগ -ইণ্ডাষ্ট্ৰি নাইবা প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা নিৰ্মাণ কৰা এই সকলোবোৰৰ ফলত কিন্তু সকলোৰে জীৱন সমানে ক্ষতিসাধন হৈছে আৰু ইয়াৰ কাৰণ হৈছে জনগণৰ সজাগতাৰ অভাৱ। অৱশ্যে সম্প্ৰতি কেইবাটাও স্বেচ্ছাসেৱী



সংগঠনে অসমত পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত প্ৰশংসনীয় সেৱা আগবঢ়াইছে। এই বিলাক সংগঠনৰ ভিতৰত ধুবুৰীৰ নেচাৰ্ছ বেকন, গুৱাহাটীৰ আত্মা (ATMA) বা Apropriate Technology Mission of Assam গুৱাহাটীৰ আৰণ্যক প্ৰকৃতি সংঘ, ছাত্ৰ বিজ্ঞান সমিতি, অসম বিজ্ঞান সমিতি, ইনষ্টাৰ (INSTER) উত্তৰ-পূব পৰিৱেশ শিক্ষণ কেন্দ্ৰ (CEE North East) আদিৰ ওপৰতে নিৰ্ভৰ কৰি জনগণ সজাগ নহৈ সকলো দায়িত্ব এৰি দিলে ভৱিষ্যতে ভয়ানক পৰিস্থিতিৰ মুখামুখি হোৱাটো বাঞ্ছনীয়।

*ফোন ঃ ৯১০১৯-৫৭৫৭০*



## বকোৰ ডাকুৱাপাৰাত সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তা সেৱা, বকো, ২১ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন পাই ৯৪.৬৭পাই বকোৰ সুনাম অৰ্জন কৰে ধৃষ্টি কলিতা। আৰু আজি দক্ষিণ কামৰূপ জিলা সমিতিৰ উদ্যোগত আৰু বকো আঞ্চলিক সমিতিৰ সহযোগত জাতীয় মহিলা সেনাৰ সহযোগত ২নং ডাকুৱাপাৰাৰ দ্বিজেন কলিতা আৰু বৰ্ণালী কলিতাৰ কন্যা ধৃষ্টি কলিতাক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানটো আঁত ধৰে দক্ষিণ কামৰূপ জিলা জাতীয় সেনাৰ সভানেত্ৰী অদিতি কলিতাই। ৯৪.৬৭পাই বকোৰ সুনাম অৰ্জন কৰা ধৃষ্টি কলিতাক সম্বৰ্ধনা-পত্ৰ, ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। কোনোমতে পেতে-ভাতে খাই, কষ্ট কৰি ঘৰখনত ভাল ফল লাভ কৰা ধৃষ্টি কলিতাৰ পৰিয়ালটোক চৰকাৰক দৃষ্টি গোচৰ কৰাৰ বাবে অনুৰোধ জনাই মহিলা সেনাৰ সভানেত্ৰী অদিতি কলিতাই। ধৃষ্টি কলিতাৰ আশা নগাঁৱৰ আগশাৰীৰ মহাবিদ্যালয়ত শিক্ষা লোৱাৰ কিন্তু আৰ্থিক দুৰৱস্থাৰ বাবে বকো জৱাহৰলাল নেহৰুৰ মহাবিদ্যালয়ত বিজ্ঞান শাখাত নামভৰ্তি কৰিব বুলি জনায় শিক্ষাৰ্থীগৰাকীয়ে।

■ বঙাইগাঁৱত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউলৰ চোৰাং বেহা ■

# অবৈধভাৱে ৰখা ৭০০ বস্তা চাউল জব্দ

**দৈনন্দিন বাৰ্তা সেৱা, বঙাইগাঁও, ২১ জুন ঃ** ৰাজ্যত অব্যাহত আছে চাউলৰ চোৰাং বেহা । বিশেষকৈ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউলক লৈয়ে চলি আছে এই চোৰাং বেহা। কিন্তু চৰকাৰ তথা খাদ্য আৰু অসামৰিক যোগান বিভাগে ৰোধ কৰিব পৰা নাই ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউলৰ চোৰাং বেহা। বঙাইগাঁও জিলাতো ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউলক লৈ চোৰাং বেহা চলি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে । ইয়াৰ মাজতে সোমবাৰে বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত চিটকাগাঁও হীৰাপাৰাত আৰক্ষী আৰু খাদ্য আৰু অসামাৰিক যোগান বিভাগে অভিযান চলাই এটা গৃহৰ পৰা অবৈধভাবে মজুত কৰি ৰখা ৭০০ বস্তাতকৈও অধিক চাউল ভৰ্তি বস্তা উদ্ধাৰ কৰি জব্দ কৰে। ঘৰটোৰ গৰাকী কৃষ্ণ বাহাদুৰ প্ৰধান বুলি জানিব পৰা গৈছে। জানিব পৰা মতে কৃষ্ণ বাহাদুৰ প্ৰধানৰ পুত্ৰ বিনোদ প্ৰধানে এনেদৰে চাউলৰ বস্তাসমূহ মজুত কৰি ৰাখিছে। খাদ্য আৰু অসামৰিক যোগান বিভাগে জানিবলৈ দিয়া অনুসৰি বিনোদ প্ৰধান ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউলৰ লগত কোনোধৰণে জড়িত নাই। তেনে ক্ষেত্ৰত ইমান বৃহৎ পৰিমাণৰ চাউল ক'ৰ পৰা আহিল সেই লৈ বিভাগে সন্দেহ ব্যক্ত কৰিছে। অভিযানকাৰী দলটোৱে এ এছ-০১ জি ই-৮২০৪ নম্বৰৰ এখন বলেৰ' পিকআপ ভান আৰু এ এছ-১৯ এ চি-৩৫১৬ নম্বৰৰ এখন টেম্প'ও জব্দ কৰিছে। অভিযানৰ সময়ত দলটোৱে বিনোদ প্ৰধানক নোপোৱা বুলি জানিব পৰা গৈছে । অৱশ্যে সেয়া ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল হয় নে নহয় এতিয়াও স্পষ্ট হোৱা নাই যদিও বিভাগে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল বুলি সন্দেহ প্ৰকাশ কৰিছে। লগতে সমগ্ৰ বিষয়টো সন্দৰ্ভত আৰক্ষী তথা যোগান বিভাগে তদন্ত অব্যাহত ৰাখিছে। প্ৰতিটো বস্তাত ৫০ কিলোগ্ৰামকৈ চাউল আছে। উল্লেখ্য যে স্থানীয় সচেতন ব্যক্তিৰ তৎপৰতাত এই চোৰাং চাউলৰ বেহাৰ ঘটনা পোহৰলৈ আহে । জানিব পৰা মতে বিগত এমাহ মান ধৰি ইয়াৰ পকা এই চোৰাং চাইলৰ বেহা চলি আহিছিল। শনিবাৰে নিশাৰ ভাগত দুখন ১২ চকীয়া ট্ৰাকত চাউল বজাই কৰিছিল । সেইদৰে



দেওবাৰে নিশাও এইদৰে লঘু বাহনেৰে বাসগৃহৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথলৈ চাউল নি ট্ৰাকত বজাই কৰাৰ বাবে যো-জা চলোৱাৰ সময়তে স্থানীয় লোকে বিষয়টো ধৰা পেলায় । পিছত আৰক্ষীক অৱগত কৰাত সমগ্ৰ ঘটনাটো পোহৰলৈ আহে । এই চোৰাং চাউলৰ বেহাৰ সৈতে চহিদুল নামৰ ব্যক্তিৰ লগতে আৰু ব্যক্তি জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে । আনহাতে এই চোৰাং বেহাৰ লগত জড়িত চক্ৰটোৰ বঙাইগাঁৱৰ জেল্কাঝাৰ অঞ্চলটো গুদাম থকা বুলি জানিব পৰা গৈছে। অৱশ্যে এটা গুদামৰ চাউল জব্দ হোৱাৰ পিছতে বাকী গুদামৰ চাউল আন স্থানলৈ নিয়া বুলিও জানিব পৰা গৈছে।

# শদিয়াৰ জননেতা ভীমবৰ দেউৰী পৰ্যটন ভৱন নিৰ্মাণত দুৰ্নীতি

## ঠিকাদাৰ পদ্ম দেউৰীক ব্লেক লিষ্টেড কৰাৰ আহ্বান ৰাজ্য চৰকাৰলৈ

**দৈনন্দিন বাৰ্তা সেৱা, গুৱাহাটী, ২১ জুন ঃ** অসমৰ ভূমিপুত্ৰ তথা জনজাতি সমাজৰ আদৰণীয় ব্যক্তি জননেতা ভীমবৰ দেউৰীৰ নামেৰে শদিয়াৰ ছাপাখোৱা অঞ্চলত এটা পৰ্যটন ভৱন নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰা হৈছিল বিশ লাখ টকা ব্যয়ৰে এই ভৱন নিৰ্মাণৰ ঠিকা আবন্টন দিয়া হৈছিল পদ্ম দেউৰীক। কিন্তু পৰিতাপৰ বিষয় যে পৰিষদৰ মুখ্য কাৰ্যবাহী মাধৱ দেউৰী নেতৃত্বাধীন দেউৰী পৰিষদে ঠিকাদাৰক তেৰ লাখ টকা পুঁজি মুকলি কৰি দিছে। তথাপি বৰ্তমানলৈকে পৰ্যটন ভৱনটোৰ নিৰ্মাণ কাৰ্য ত্ৰিশ শতাংশও অগ্ৰগতি লাভ কৰা নাই। সম্প্ৰতি নিৰ্মাণ কাৰ্য বন্ধ কৰি ৰখা হৈছে। টকা লাভ কৰাৰ পাছতো জননেতা ভীমবৰ দেউৰীৰ নামত পৰ্যটন ভৱন সম্পূৰ্ণকৈ নিৰ্মাণ নকৰা ঠিকাদাৰ পদ্ম দেউৰীক ব্লেক লিষ্টেত কৰিবলৈ বিভিন্ন দল-সংগঠনে দাবী জনাইছে। দেউৰী পৰিষদৰ প্ৰধান সচিবে অতি শীঘ্ৰে নিৰ্মাণ কাৰ্যৰ তদন্ত কৰিব লাগে। ভাৰতীয় জনতা পাৰ্টিৰ শদিয়া জিলাৰ জনজাতি মৰ্চাৰ মেডিয়া কোষৰ সভাপতি ধীৰেন দেউৰীয়ে কয় যে স্বায়ত্ব শাসিত পৰিষদে ঠিকাদাৰ পদ্ম দেউৰীক কামৰ খতিয়ান নোলোৱাকৈ কেনেদৰে সত্তৰ শতাংশ পুঁজি মোকলাই দিলে, তাৰো তদন্ত হ'ব লাগে। ঠিকাদাৰ জনৰ বেংক একাউণ্ট জব্দ কৰিবলৈ ৰাজ্য চৰকাৰলৈ আহ্বান জনাইছে স্থানীয় ৰাইজে। এইক্ষেত্ৰত দেউৰী পৰিষদৰ বিষয়ববীয়াৰ লগত ঠিকাদাৰৰ ধনৰ লেন-দেন কৰাৰ সন্দেহ প্ৰকাশ পাইছে। ইয়াৰ লগতে ঠিকাদাৰ পদ্ম দেউৰীক নাকী লগাই শীঘ্ৰে ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনাইছে শদিয়াৰ ৰাইজে।

# মেলেং ভোলানাথ সন্দিকৈ আদৰ্শ জাতীয় বিদ্যাপীঠত ৰাভা দিৱস পালন

■ মুকলি কৰিলে প্ৰাচীৰ পত্ৰিকা

■ ভাৰতীয় জীৱন বীমা নিগমেও আগবঢ়ালে শৈক্ষিক উত্তৰণ বঁটা



**দৈনন্দিন বাৰ্তা সেৱা, টীয়ক, ২১ জুন ঃ** কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱস হিচাপে সমগ্ৰ ৰাজ্যবাসীয়ে উদ্‌যাপন কৰাৰ দৰে নৃত্য, গীত, কবিতা, বক্তৃতাৰ এক বৰ্ণিল কাৰ্যসূচী লৈ মধ্য যোৰহাটৰ অন্যতম আগশাৰী শৈক্ষিক প্ৰতিষ্ঠান মেলেংস্থিত ভোলানাথ সন্দিকৈ আদৰ্শ জাতীয় বিদ্যাপীঠত উদ্‌যাপন কৰা হয় । অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিজ হাতেৰে প্ৰস্তুত কৰা 'সমন্বয়' নামৰ প্ৰাচীৰ প্ৰত্ৰিকা উন্মোচন কৰে অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা ভাৰতীয় জীৱন বীমা নিগমৰ যোৰহাটৰ শাখা পৰিচালক বিনয় বৰবৰুৱাই। বিদ্যালয়ৰ সঞ্চালিকা ভানু সন্দিকৈয়ে সভাপতিত্ব কৰা অনুষ্ঠানতৰ আঁত ধৰে বিদ্যালয়ৰ জেষ্ঠ্য শিক্ষয়িত্ৰী নীলিমা গগৈয়ে। আদৰণী ভাষণ বিদ্যালয়ৰ অধ্যক্ষ দেৱীপ্ৰসাদ বুঢ়াগোহাঁয়ে আগবঢ়ায়। অনুষ্ঠানত ভৰতীয় জীৱন বিমা নিগমে প্ৰদান কৰে বৰ্ষটোৰ শৈক্ষিক উত্তৰণ বঁটা । এই বঁটা প্ৰদান কৰা হয় সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়লৈ বিশেষ গৌৰৱ কঢ়িয়াই অনা তিনিগৰকী ছাত্ৰী ক্ৰমে কুঁৱলী কাশ্যপ, অৰফিন বেগম আৰু জুপিতৰা গগৈ। বিদ্যালয়ৰ ২০২১-২৩ বৰ্ষৰ প্ৰাক প্ৰাথমিকৰ পৰা উচ্চ মাধ্যমিক শাখালৈ সুখ্যাতি লাভ কৰা তিনিগৰাকী শিক্ষাৰ্থীকো এই বঁটা প্ৰদান কৰা হয় । এটা অতি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ভাৰতীয় জীৱন বীমা নিগমৰ যোৰহাট শাখাৰ পৰিচালক বিনয় বৰবৰুৱা, সহকাৰী পৰিচালক চক্ৰেশ্বৰ পেগু আৰু বাণিজ্য প্ৰবন্ধক দেৱানন্দ দাসে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী শৈক্ষিক আৰু বৌদ্ধিক উত্তৰণৰ বাবে আগবঢ়ায় বহু গুৰুত্বপূৰ্ণ বক্তব্য। ছাত্ৰ-ছাত্ৰীক শৈক্ষিক দিশত উৎসাহিত কৰাৰ উদ্দেশ্যে ভাৰতীয় জীৱন বীমা নিগমে আগবঢ়োৱা এই বঁটা আৰু পদক্ষেপক বিদ্যালয়ৰ অভিভাৱক আৰু পৰিয়ালে আদৰণী জনাইছে।



## ধুবুৰীৰ মাটিফাটা গাঁৱত বানত উটি গ'ল চাৰিটা ঘৰ

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, ধুবুৰী, ২১ জুন ঃ** ক্ৰমাৎ জটিল ৰূপ লৈছে বান পৰিস্থিতিয়ে । মাটিফাটা অঞ্চলত সৃষ্টি হৈছে সাগৰসদৃশ পৰিৱেশ। এফালে বানৰ তাণ্ডৱ, আনফালে লুইতৰ খহনীয়াই নিদ্ৰা হৰণ কৰিছে জনতাক। কিছু সময় পূৰ্বে হঠাৎ ব্ৰহ্মপুত্ৰৰ কোৱাল সোঁতত উটি যায় মাটিফাটা গাঁৱৰ চাৰিটাকৈ পৰিয়ালৰ আৱাস গৃহ। জামাল উদ্দিন, ৰমজান আলী,আৰফান আলী আৰু সমেলা খাতুনৰ আৱাস গৃহ তীব্ৰ সোঁতত উটি যায় । চাৰিটাকৈ ঘৰ বানৰ কোৱাল সোঁতত উটি যায় যদিও স্থানীয় লোকৰ তৎপৰতাত কেইবাখনো ঘৰ স্থানান্তৰ কৰে। ঠাইৰ অভাৱত ভাঙি নিয়া ঘৰবোৰ পানীৰ মাজতেই ৰাখিব লগা হৈছে । এনে জটিল সময়ত কোনো এজনো পঞ্চায়ত প্ৰতিনিধি, বিধায়ক, সাংসদৰ আনকি দক্ষিণ শালমাৰা উন্নয়ন খণ্ড বিষয়া নুৰল ইছলামে ধুবুৰীৰ কাৰ্যালয়ত থাকে আৰু সপ্তাহত এদিন ফকিৰগঞ্জৰ কাৰ্যালয়ত আহে। কিন্তু এনেকুৱা দুৰ্যোগৰ দিনত তেওঁ ৰাইজৰ কাষত আহি উপস্থিত থকাৰ বিপৰীতে তেওঁৰ লগত ফোনযোগে যোগাযোগ কৰিব বিচাৰিলেও কোনো সঁহাৰি পোৱা নাযায় । এনে পৰিপ্ৰেক্ষিতত বানাক্ৰান্ত লোকৰ খবৰ এটা ল'বলৈ আহৰি নোপোৱাত উদ্বেগ প্ৰকাশ কৰে ভুক্তভোগী লোকে।

## চিলাপথাৰ নিলখ বালিজান জনসেৱক পুথিভঁৰালত বিষ্ণুপ্ৰসাদ ৰাভা দিৱস পালন

**দৈনন্দিন বাৰ্তা সেৱা, চিলাপথাৰ, ২১ জুন ঃ** দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বিপ্লৱী বীৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱসটি নিলখ বালিজান জনসেৱক পুথিভঁৰাল আৰু ২১সংখ্যক বিষ্ণু ৰাভা স্মৃতি দিৱস উদ্‌যাপন সমিতিৰ উদ্যাগত পুথিভঁৰালটিৰ প্ৰাংগণত অনুষ্ঠিত হয়। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা সামূহিক চাফাই অন্ততঃ ধেমাজি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি ভবেন শালৈৰ দ্বাৰা গছপুলি ৰোপণ, বালিজান চেমনীয়া হুঁচৰি দল আৰু জেং বিহু দলৰ দ্বাৰা সভাপতিক আদৰণি, উদ্‌যাপন সমিতিৰ সভাপতি উমেশ শইকীয়াৰ দ্বাৰা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, সাংস্কৃতিক শোভাযাত্ৰা, সমৱেত সংগীতেৰে মঞ্চ উদ্বোধনৰ পিছত কবিতা আবৃত্তি, ৰাভা সংগীত, চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে যোগেন নেওগৰ সঞ্চালনত বিষ্ণু ৰাভা দৰ্শন- বৰ্তমান সময়ত প্ৰাসংগিকতাৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত হয়। সন্ধিয়া বন্তি প্ৰজ্বলন, আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ভেশছন প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয় । প্ৰধান শিক্ষক ইন্দ্ৰ গগৈৰ সভাপতিত্ব দুপৰীয়া মুকলি সভা অনুষ্ঠিত হয়। ৰাতিলৈ সাংস্কৃতিক সন্ধিয়াত বিশেষ আকৰ্ষণ হিচাপে একাংকিকা নাটক প্ৰতিযোগিতাৰ লগতে বিভিন্নজনৰ গীতৰ শৰাই।



# উৰিয়াগাঁৱৰ 'সুন্দৰম'ৰ 'নটবিহংগম' নাট কৰ্মশালা

**দৈনন্দিন বাৰ্তা সেৱা, বড়মপুৰ, ২১ জুন ঃ** নগাঁৱৰ অন্যতম অগ্ৰণী সাংস্কৃতিক গোষ্ঠী 'সুন্দৰম'ৰ উদ্যোগত উৰিয়াগাঁওস্থিত সুন্দৰম নাটশালাত যোৱা ১০ জুনৰ পৰা আৰম্ভ হোৱা নটবিহংগম নাট কৰ্মশালাৰ কালি সফলতাৰে সামৰণি পৰে । সেই উপলক্ষে কালি বিষ্ণু ৰাভা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এক অনুষ্ঠানৰ আৰম্ভণিতে বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে 'সুন্দৰম'ৰ সভাপতি দেবানন্দ গোস্বামীয়ে। ইয়াৰ পিছতেই বিষ্ণু ৰাভাৰ এটি গীতেৰে স্বভাৱশিল্পী গোলাপ বৰাই নটবিহংগম নাট কৰ্মশালাৰ সামৰণী অনুষ্ঠান-অনুভৱৰ এক নাট্য সংৰচনা' মুকলি কৰে। মুঠ ১৯ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা ১ ঘণ্টা ৩০ মিনিটজোৰা অনুষ্ঠানটিত বিষ্ণুপ্ৰসাদ ৰাভাৰ কবিতা, অভিনয়, একক অভিনয়ৰ লগতে এখনি চুটি নাট প্ৰদৰ্শন কৰা হয়। উক্ত অনুষ্ঠানতে নাট প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়। নাট কৰ্মশালাৰ মুখ্য প্ৰশিক্ষক জ্যোতিপ্ৰসাদ ভূএগ্ৰাৰ লগতে সুস্মিতা শইকীয়া, প্ৰণৱ বৰুৱা, বিপ্লৱ জ্যোতি ভূএগ্ৰা, কমলেশ শইকীয়া, জ্যোতি গগন আদি প্ৰশিক্ষকসকলৰ লগতে অভিভাৱক, দৰ্শক আৰু সুন্দৰমৰ সদস্য সকলৰ উপস্থিতিত সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে 'সুন্দৰম'ৰ সাধাৰণ সম্পাদক তথা 'নটবিহংগম'ৰ অন্যতম আহ্বায়ক কমলেশ শইকীয়াই। উল্লেখ্য যে, এই প্ৰশিক্ষাৰ্থীসকলে নিজা নিজা অঞ্চলত একোটাকৈ বিনামূলীয়া নাট কৰ্মশালা অনুষ্ঠিত কৰি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ নাট্যকৰ্মী গঢ়ি তোলাৰ প্ৰয়াস অব্যাহত ৰাখিব।




## পুৰণিগুদাম-নগাঁৱত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তা সেৱা, বড়মপুৰ, ২১ জুন ঃ** নগাঁৱৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ ড° ভবেন্দ্ৰনাথ শইকীয়া সোঁৱৰণী প্ৰেক্ষাগৃহত ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমী আৰু অবিনশ্বৰ গোষ্ঠীৰ উদ্যোগত কালি উদ্‌যাপন কৰা হয় বিষ্ণুপ্ৰসাদ ৰাভা দিৱস। প্ৰকৃতিপ্ৰেমী বুবুল শৰ্মাই বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ পাছতে সমাজকৰ্মী, প্ৰাক্তন শিক্ষক পুষ্পকান্ত বৰুৱাই উদ্বোধন কৰে বৰ্ণাঢ্য অনুষ্ঠানৰ । অনুষ্ঠানটিত একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলে বিষ্ণু ৰাভাৰ গীত-মাত-কথাৰে পৰিৱেশ জীপাল কৰি তোলাৰ লগতে বিষ্ণু ৰাভাৰ তাত্বিক দিশৰ ওপৰত এলানি ভাষণ প্ৰদান কৰে নগাঁৱৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰবক্তা ড° কুলেন চন্দ্ৰ দাসে। অনুষ্ঠানত স্থানীয় বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি বৰ্গৰ লগতে অবিনশ্বৰ গোষ্ঠীৰ বিষয়ববীয়া, সদস্য আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকল উপস্থিত থাকে। ইফালে, অসম কবি সন্মিলনৰ নগাঁও জিলা সমিতি আৰু পূৰ্বোদয় আঞ্চলিক কবি কাননৰ উদ্যোগত নগাঁও চহৰৰ কচলুখোৱাস্থিত শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰৰ প্ৰাংগণতো আজি বিষ্ণু ৰাভা দিৱস পালন কৰা হয়। পুৱা ভাগত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণৰে কাৰ্যসূচী শুভাৰম্ভ হোৱাৰ পাছত অনুষ্ঠিত হয় এখনি স্মৃতিচাৰণ সভা। উক্ত সভাতেই বহু কেইগৰাকী যুৱ প্ৰজন্মৰ প্ৰতিভাবান শিল্পীয়ে বিষুও ৰাভা সংগীত পৰিবেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শনৰ ওপৰত কেইবাগৰাকী বক্তাই আলোকপাত কৰে।

শালমৰাত আছুৰ প্ৰতিনিধি দল

# খহনীয়াত স্থানান্তৰিত বহু পৰিয়াল ঃ আছুৰ ক্ষোভ

**দৈনন্দিন বাৰ্তা সেৱা, মাজুলী, ২১ জুন ঃ** সমগ্ৰ অসমৰ লগতে মাজুলীতো বান-খহনীয়াত বহু পৰিয়াল আক্ৰান্ত হৈছে। আজি সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ এটি প্ৰতিনিধি দলে বৃহত্তৰ শালমৰা আৰু কামজান এলেঙী অঞ্চল পৰিদৰ্শন কৰে । বছৰ বছৰ ধৰি বান-খহনীয়াত সৰ্বস্বান্ত হোৱা এই অঞ্চলত আজিৰ ছবি অতি দুখজনক, মৰ্মান্তিক আৰু হৃদয়বিদাৰক। বিশেষকৈ খহনীয়াত পতিত হৈ এই বছৰ ইতিমধ্যে আঠটা পৰিয়ালে ঘৰ, মাটি হেৰুৱাই স্থানান্তৰিত হোৱা লগতে প্ৰায় ৪০টা পৰিয়ালে সপোনৰ ঘৰখন ভাঙি স্থানান্তৰিত হ'বলৈ অগ্ৰসৰ হৈছে। তাৎক্ষণিকভাৱে জিলা প্ৰশাসন আৰু অসম চৰকাৰে এই ভূমিহীন পৰিয়ালসমূহক মাটি দি তেওঁলোকক সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে মাজুলী জিলা ছাত্ৰ সন্থাই । লগতে এই বানবিধ্বস্ত অঞ্চলসমূহত শীঘ্ৰে খাদ্য সামগ্ৰী, বিশুদ্ধ খোৱাপানী, শিশু খাদ্য আৰু পশুধনৰ খাদ্য তাৎক্ষণিকভাৱে যোগান ধৰিবলৈ দাবী জনাইছে সংগঠনটোৱে। সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক সূৰ্য কুমাৰ ভূএগ্ৰা, ৰাজ্যিক কাৰ্যনিৰ্বাহক পৱিত্ৰ গোস্বামী, জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা, সাধাৰণ সম্পাদক বিতোপন শৰ্মাৰ নেতৃত্বত যোৱা দলটোত আছে সহকাৰী সাধাৰণ সম্পাদক কাকুমণি কলিতা, দিগন্ত বৰুৱা, বিত্ত সম্পাদক মণ্টু গায়ন, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল শইকীয়া, ক্ৰীড়া সম্পাদক পংকজ বৰুৱা, যদুমণি হাজৰিকা, পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ভাস্কৰ শইকীয়া আৰু প্ৰান্ত চাহু। আছুৰ দাবী শীঘ্ৰে বান-খহনীয়াত পতিত লোকৰ বাবে দীৰ্ঘম্যাদী আঁচনি প্ৰস্তুত কৰি এই লোকসকলক সঁকাহ দিব লাগে। লগতে খহনীয়াক লৈ ল'ৰা-ধেমালি খেলি থকা ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু টি কে কোম্পানীৰ ওপৰত উচ্চপৰ্যায়ৰ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই । লগতে খহনীয়া প্ৰতিৰোধত ব্যৰ্থ হোৱা ব্ৰহ্মপুত্ৰ ব'ৰ্ডক মাজুলীৰ পৰা বিদায় দিবলৈ দাবী জনাইছে আছুৱে।



## কলগাছিয়াৰ বিভিন্ন অঞ্চলত ভয়াৱহ বানপৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলগাছিয়া, ২১ জুন ঃ** বৰপেটা জিলাৰ জনীয়া সমষ্টিৰ অন্তৰ্গত মজিদভিটা গুইলেজা, লাচাংগা, মোৱামাৰী, আমগুৰি, সুতিৰপাথাৰ, জনীয়া, কাদং, কান্দাপাৰা, ডাউকমাৰী গুণীয়ালগুৰি, দাৰনদিয়া, কান্দুলীয়া, বৰতাৰী, আপৰূপী, মুহিয়া, ক্ষুদ্ৰখোৱা, ইছবপুৰ আদি অঞ্চলত বানপানীয়ে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। বেঁকী আৰু মানাহ নৈৰ বাঢ়নী পানী আৰু নেৰানেপেৰা বৰষুণৰ ফলত কলগাছিয়া অঞ্চলৰ প্ৰায় অৰ্ধ শতাধিক গাঁও পানীৰ তলত আছে। এই দুৰ্দশাৰ মাজত বহুতো পৰিয়ালে আপোন ঘৰ এৰি চৰকাৰী পথ, বিদ্যালয়, অইন মানুহৰ ঘৰত অনিদ্ৰাত দিন-ৰাতি পাৰ কৰিবলগীয়া হৈছে। ৰাইজৰ এই দুখ-দুৰ্দশাৰ সময়ত জনতা গাঁও পঞ্চায়তৰ সভাপতি হাবিল খানে যন্ত্ৰচালিত নাৱেৰে ৰাইজৰ মাজত খবৰ লোৱাৰ লগতে সাধ্য অনুসাৰে সহায়ৰ হাত আগবঢ়োৱা দেখা গৈছে। অনিদ্ৰা-অনাহাৰে দিন কটাইছে পশুধন সহ শ শ পৰিয়ালৰ লোকে। উটি গৈছে বহুতৰে হাঁহ-কুকুৰা, গৰু-ছাগলীৰ লগতে মূল্যবান সা- সামগ্ৰী, ধ্বংস হৈছে হাজাৰ হাজাৰ বিঘা ধান, মৰাপাট, পাচলিৰ খেতি।

# চিলাপথাৰৰ চিচিবৰগাঁও মহাবিদ্যালয়ত ধেমাজি জিলা লেখিকা সমাৰোহ সমিতিৰ ৰাভা দিৱস উদ্‌যাপন

*টিকেন্দ্ৰজিত গগৈ স্মৃতি বঁটা প্ৰদান*

**দৈনন্দিন বাৰ্তা সেৱা, চিলাপথাৰ, ২১ জুন ঃ** ধেমাজি জিলা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আৰু চিচিবৰগাঁও শাখা লেখিকা সমাৰোহ সমিতিৰ আৰু চিচিবৰগাঁও মহাবিদ্যালয়ৰ মহিলা কোষৰ সহযোগত কালি চিচিবৰগাঁও মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস আৰু কালি হৈ যোৱা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ স্মৃতি দিৱসটি প্ৰেৰণা দিৱস হিচাপে একেলগে উদ্‌যাপন কৰা হয় । কাৰ্যসূচী অনুসৰি পুৱা চিচিবৰগাঁও শাখা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী মিনেশ্বৰী চুতীয়া আৰু সম্পাদিকা প্ৰজ্বলিতা ভূএগ্ৰাই স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰাভা সংগীত প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয় । ইয়াৰ পিছতে অনাতাঁৰ শিল্পী চিৰন্তন ভূএগ্ৰাই এটি ৰাভা সংগীত আৰু লেখিকা সমাৰোহ সমিতিৰ সদস্যা, চিচিবৰগাঁও মহাবিদ্যালয়ৰ অধ্যাপিকা আৰু ছাত্ৰীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক সমৱেত সংগীত পৰিবেশন কৰি শুভাৰম্ভ কৰে মুকলি সভাৰ কাৰ্যসূচী। চিচিবৰগাঁও মহাবিদ্যালয়ৰ অধ্যাপিকা তৰুলতা ভূএগ্ৰা আৰু জিলা লেখিকা সমাৰোহৰ সম্পাদিকা ৰুক্মিণী বৰগোহাঞি দত্তই আঁত ধৰা সভাখনত সভানেত্ৰীত্ব কৰে ধেমাজি জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° কবিতা গগৈয়ে। মুখ্য অতিথিৰ আসনত ক্ৰমে পূৰ্ণ চন্দ্ৰ চুতীয়া, ভাস্কৰ চুতীয়া, ড° লেখন গগৈ,বন্দনা দত্ত হাজৰিকা, মণিমালা বড়া, পুষ্পা চুতীয়া, আইমণি গোহাঞি, ডিম্বেশ্বৰী গগৈ লাহন, পূৰ্ণেশ্বৰী শইকীয়া, ৰাণীমা গগৈ, দিতুল লাহন, কোযেশ্বৰ বৰা আদিৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি কৰবী দেউৰী, নিবেদিতা বড়া সন্দিকৈকে ধৰি 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন আৰু কৰ্ম' আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ ওপৰত বক্তব্য প্ৰদান কৰে । ইফালে এই অনুষ্ঠানতে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰচাৰ সম্পাদিকা বন্দনা দত্ত হাজৰিকাৰ দ্বাৰা 'প্ৰেৰণা' নামৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰাৰ লগতে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ৰাজ্যিক সদস্যা ড° পূৰৱী দুৱৰাৰ দ্বাৰা আঁত ধৰা এক কাৰ্যসূচীৰে এই অনুষ্ঠানতেই ৰাজ্যিক ভিত্তিত আয়োজন কৰা টিকেন্দ্ৰজিত গগৈ স্মৃতি কবিতা প্ৰতিযোগিতাৰ বঁটাসমূহো প্ৰদান কৰা হয়। বিভিন্ন শাখাৰ লেখিকা সমাৰোহ সমিতিৰ কৰ্মীবৃন্দ, চিচিবৰগাঁও মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানতে ৰাভা সংগীত প্ৰতিযোগিতাৰ প্ৰথম পূজা দাস, দ্বিতীয় মধুপ্ৰিয়া গগৈ আৰু তৃতীয় ক্ৰমে হেপী চুতীয়া আৰু বনশ্ৰী বন্যা মহন্তক বঁটা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়।



## দুলীয়াজান মহাবিদ্যালয়ত 'ডিফাৰেণ্ট এভিনিউ আফটাৰ গ্ৰেজুৱেচন' শীৰ্ষক কৰ্মশালা

**দৈনন্দিন বাৰ্তা সেৱা, বৰডুবি, ২১ জুন ঃ** দুলীয়াজান মহাবিদ্যালয়ৰ মহিলা কোষ আৰু ছ'চাইটী ফৰ প্ৰমচন অফ এডুকেচন ইন আছাম ৰিজন নামৰ বেচৰকাৰী সংস্থাৰ সহযোগত এখন এদিনীয়া কৰ্মশালা সম্পন্ন হয় । উক্ত কৰ্মশালাৰ আঁত ধৰে ড° মনচুন হাতীবৰুৱাই। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোক বিকাশ গগৈয়ে কৰ্মশালাৰ আৰম্ভণি ভাষণ আগবঢ়ায়। কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ড° অৰুণ কুমাৰ সিং, জ্যোতিৰ্ময় হাজৰিকা আৰু দীপাংকৰ শৰ্মা। মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক নয়নজ্যোতি হাজৰিকাই সমল ব্যক্তিসকলৰ পৰিচয় দাঙি ধৰে। মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ সন্মানীয় অধ্যাপকসকলৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। উক্ত কৰ্মশালাখনৰ সমল ব্যক্তি দীপাংকৰ শৰ্মাই 'গাইডেনছ আৰু এভিনিউ সম্পৰ্কে মন্তব্য আগবঢ়ায়। কেৰিয়াৰ লগত সংগতি ৰাখি বিভিন্ন কোৰ্চসমূহৰ বিষয়ে কয়। ইয়াৰ পাছতেই জ্যোতিৰ্ময় হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে কোনো এটা বস্তু পৃথককৈ ভাবিব লাগে সেই বিষয়ে ব্যাখ্যা কৰাৰ লগতে বিভিন্ন কেৰিয়াৰ সুযোগতাসমূহৰ বিষয়ে উদাহৰণসহ দাঙি ধৰে। কৰ্মশালাখনত উপস্থিত বিশিষ্ট ব্যক্তি ড° সিঙে ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত কৰিব লাগে আৰু মানসিক স্থিতি কেনেদৰে সবল কৰিব পাৰি সেইবিষয়ে পৰামৰ্শ আগবঢ়ায়।

# বিশ্বৰ দ্ৰুততম ছুপাৰ কম্পিউটাৰ

■ পংকজ কুমাৰ নেওগ



শেহতীয়াকৈ ঘোষিত আৰু 'টপ৫০০' ৰেংকিঙে প্ৰকাশ কৰা তালিকা অনুসৰি বিশ্বৰ আটাইতকৈ শক্তিশালী কম্পিউটাৰ চিষ্টেমৰ তালিকাত আমেৰিকাই পুনৰ শীৰ্ষ স্থান দখল কৰিছে। বেঞ্চমাৰ্ক পৰীক্ষাত ছুপাৰ কম্পিউটাৰে 'এক্সাস্কেল' সীমা পাৰ হোৱাও এইবাৰ প্ৰথম দৃষ্টান্ত। এইখিনিতে উল্লেখ কৰিব পাৰি যে টপ-৫০০এ আজিৰ পৃথিৱীত ব্যৱহৃত ৫০০ দ্ৰুততম কম্পিউটাৰ চিষ্টেমৰ তালিকা প্ৰকাশ কৰি আহিছে। ১৯৯৩ চনত এই তথ্যৰ সংগ্ৰহ আৰম্ভ কৰা হয় আৰু তাৰ পিছৰ পৰা প্ৰতি ৬ মাহৰ মূৰে মূৰে এই প্ৰতিবেদনখনত প্ৰয়োজন অনুযায়ী সংস্কৰণ বা সাল-সলনি চলি আহিছে। এক্সাস্কেল কম্পিউটিঙে প্ৰতি ছেকেণ্ডত অন্ততঃ এটা 'এক্সাফ্লপ' বা এক বিলিয়ন বিলিয়ন গণনা কৰিব পৰা গণনা ব্যৱস্থাক (১০ ১৮ ) বুজায়। আজিৰ দিনত ব্যৱহৃত আটাইতকৈ শক্তিশালী ছুপাৰ কম্পিউটাৰতকৈ ই ৫০ গুণ দ্ৰুততৰ আৰু ২০০৮ চনত কাৰ্যক্ষম হোৱা প্ৰথম 'পেটাস্কেল' কম্পিউটাৰৰ তুলনাত হাজাৰগুণ বেগী। এ'ক্সেল ছুপাৰ কম্পিউটাৰৰ জৰিয়তে বিজ্ঞানীসকলে অধিক বাস্তৱসন্মত পৃথিৱী ব্যৱস্থা আৰু জলবায়ুৰ আৰ্হি তৈয়াৰ কৰিব পাৰিব আৰু গৱেষকসকলক নতুন সামগ্ৰীৰ আঁৰৰ নেন'বিজ্ঞান বুজিবলৈ সহায় কৰিব। এ'স্কেল কম্পিউটাৰে আমাক ভৱিষ্যতে ফিউজন শক্তি কেন্দ্ৰ নিৰ্মাণতো সহায় আগবঢ়াব। আণৱিক মডেলিঙৰ পৰা আৰম্ভ কৰি বতৰৰ পূৰ্বাভাস, কোৱাণ্টাম বলবিজ্ঞান, পাৰমাণৱিক সংযোজন গৱেষণা, আৰু বহুতো উন্নত বৈজ্ঞানিক প্ৰয়োগৰ বাবে ছুপাৰ কম্পিউটাৰ ব্যৱহাৰ কৰা হয়। নিয়মীয়া কম্পিউটাৰত কৰা গণনা প্ৰতি ছেকেণ্ডত মিলিয়ন নিৰ্দেশনা (MIPS)ত জুখিব পাৰিলেও ছুপাৰ কম্পিউটাৰত কৰা গণনা প্ৰতি ছেকেণ্ডত ফ্ল'টিং-পইণ্ট অপাৰেচন (FLOPS)ত জুখিব পাৰি আৰু বৰ্তমান ছুপাৰ কম্পিউটাৰে প্ৰতি ছেকেণ্ডত শ শ 'পেটাফ্লপ' (১০ ১৫ ) গণনা কৰে।

টপ৫০০ৰ শেহতীয়া পৰ্যালোচনাই এটা নতুন কম্পিউটাৰ ব্যৱস্থাক তালিকাৰ শীৰ্ষত স্থান দিছে। ই হ'ল আমেৰিকাৰ 'ওক ৰিজ নেচনেল লেব'ৰেটৰী' (ORNL)ৰ 'ফ্ৰন্টিয়াৰ' ব্যৱস্থা। ফ্ৰন্টিয়াৰে দুবছৰৰ বাবে শীৰ্ষস্থান দখল কৰি থকা জাপানৰ 'ৰিকেন চেণ্টাৰ ফৰ কম্পিউটেচনেল চাইন্স' (আৰচিচিএছ)ৰ 'ফুগাকু' ব্যৱস্থাক স্থানচ্যুত কৰে। ফ্ৰন্টিয়াৰ চিষ্টেমটো হিউলেট পেকাৰ্ড এণ্টাৰপ্ৰাইজৰ 'ক্ৰে'এ'' (CrayEX) প্লেটফ'ৰ্মৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হৈছে; ইয়াত AMD EPYC 64C 2GHz প্ৰচেছৰৰ সৈতে AMD Instinct 250X পেছাদাৰী 'জিপিইউ' (Graphic Processing Unit) সমূহ আছে। আমেৰিকান কম্পিউটাৰ আলোচনী পিচি মেগৰ মতে, ৭৪টা উদ্দেশ্য-নিৰ্মিত কেবিনেটত ৯,৪০০ৰো অধিক চিপিইউ আৰু ৩৭,০০০ জিপিইউ স্থাপন কৰা হৈছে যাৰ বাবে 'ক'ৰ'ৰ সংখ্যা ৮,৭৩০,১১২লৈ বৃদ্ধি পাইছে। এই প্ৰচেছিং ইউনিটসমূহৰ সংযুক্ত গণনা কৰিব পৰা শক্তিক এইচ পি এল (High Performance Linpack) বেঞ্চমাৰ্কত পৰীক্ষা কৰা হৈছিল। এই পৰীক্ষাই প্ৰতি ছেকেণ্ডত ১.১০২ এক্সাফ্লপ (১০ ১৮) স্ক'ৰ দিয়ে; বিশ্বৰ যিকোনো ছুপাৰ কম্পিউটাৰৰ বাবে ই হ'ল প্ৰথম এ'ফ্লপ স্ক'ৰ। ইয়াৰ তুলনাত সাধাৰণতে এ'স্কেল ছুপাৰ কম্পিউটাৰ হিচাপে গণ্য কৰা ফুগাকুৱে প্ৰতি ছেকেণ্ডত ৪৪২ পেটাফ্লপৰ বেঞ্চমাৰ্ক স্ক'ৰ দিবলৈ সক্ষম হয়। ফ্ৰন্টিয়াৰ ব্যৱস্থাত তথ্য স্থানান্তৰৰ বাবে এইচপিইৰ 'শ্লিংশ্বট' উচ্চ-কাৰ্য্যক্ষমতা ইথাৰনেটৰ সৈতে ৭০০ পেটাবাইট (পেটাবাইটঞ্চ২ ৫০ বাইট) 'ষ্ট'ৰেজ' লাভ কৰিব পৰা যায়। ছুপাৰ কম্পিউটাৰটো যাতে অতিমাত্ৰা গৰম নহয় তাৰ বাবে চাৰিটা পাম্প ব্যৱহাৰ কৰি কেবিনেটসমূহৰ মাজেৰে প্ৰতি মিনিটত ৬ হাজাৰ গেলন (২২,৭১২ লিটাৰ) পানী পাম্প কৰা হয় বুলি পিচি মেগে প্ৰকাশ কৰিছে। ২০২১ চনৰ ভিতৰত ফ্ৰন্টিয়াৰক দ্ৰুততম ছুপাৰ কম্পিউটাৰ হিচাপে নিৰ্মাণ কৰি উলিওৱাৰ কথা ২০১৯ চনত ঘোষণা কৰা হৈছিল। এই মাইল খুঁটিত উপনীত হোৱাত সামান্য পলম হ'ল যদিও আন এটা কীৰ্তি অৰ্জনে এই পলম হোৱাৰ ত্ৰুটি পূৰণ কৰে। ফ্ৰন্টিয়াৰ ব্যৱস্থাই 'গ্ৰীন৫০০' তালিকাত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। গ্ৰীন৫০০ হ'ল ছুপাৰ কম্পিউটাৰৰ টপ৫০০ তালিকাৰ পৰা শক্তিৰ কাৰ্যক্ষমতাৰ ক্ষেত্ৰত দ্বিবাৰ্ষিক ৰেংকিং। ডাবল-প্ৰিচিছন ফ্ল'টিং-পইন্ট বিন্যাসত উচ্চ ক্ষমতাসম্পন্ন 'লিনপেক' বেঞ্চমাৰ্কসমূহৰ টপ৫০০ পৰিমাপ ব্যৱহাৰ কৰি তালিকাই প্ৰতি ৱাটত কৰ্মক্ষমতা জুখিব পাৰে। ফ্ৰন্টিয়াৰ চিষ্টেমে ৫৫.২৩ গিগাফ্লপযৱাট শক্তি কাৰ্যক্ষমতা লাভ কৰিছিল; অ'আৰএনএলৰ 'ফ্ৰন্টিয়াৰ টেষ্ট এণ্ড ডেভেল'পমেণ্ট চিষ্টেম'ৰ বাহিৰে এই কাৰ্যক্ষমতা আন কোনোৱে চেৰ পেলাব পৰা নাছিল। টিডিএচে ৬২.৮ গিগাফ্লপযৱাট শক্তি কাৰ্যক্ষমতা ৰেকৰ্ড কৰে। ফ্ৰন্টিয়াৰ টিডিএছ ব্যৱস্থাটো ফ্ৰন্টিয়াৰৰ দৰেই যদিও ইয়াৰ মুঠ 'ক'ৰ' মাত্ৰ ১,২০,৮৩২ আৰু এইচপিএলৰ বেঞ্চমাৰ্কত ১৯.২ পেটাফ্লপ/ছেকেণ্ড স্ক'ৰ লাভ কৰিবলৈ সক্ষম হয়।

ছুপাৰকম্পিউটাৰ নিৰ্মাতা আৰু অপাৰেটৰসকলৰ বাবে শক্তি-দক্ষতা প্ৰধান আৰু আৱশ্যকীয় মাপকাঠি। এটা কথা মনকৰিবলগীয়া যে যোৱা বছৰ গ্ৰীণ-৫০০ৰ শীৰ্ষস্থান অধিকাৰ কৰা কম্পিউটাৰে এই বছৰ পঞ্চম শ্ৰেষ্ঠতম স্থানহে লাভ কৰিবলৈ সক্ষম হৈছে। 'প্ৰিফাৰড্ নেটৱৰ্কছ'ৰ এমএন-৩ ছুপাৰকম্পিউটাৰে অতি সামান্য উন্নতিৰ দ্বাৰা ৪০.৯০ গিগাফ্লপযৱাটৰ ৰেটিং লাভ কৰিবলৈ সক্ষম হয়। ফ্ৰন্টিয়াৰৰ দুয়োটা ছুপাৰকম্পিউটাৰ ব্যৱস্থা এই ক্ষেত্ৰত যোৱা বছৰৰ বিজয়ী ছুপাৰকম্পিউটাৰতকৈ যথেষ্ট আগবঢ়া। বেক-আপ ভুলৰ বাবে জাপানীজ ফুগাকু ছুপাৰ কম্পিউটাৰে টেৰাবাইট গৱেষণা তথ্য হেৰুৱাৰ কথা চলিত বৰ্ষৰ আৰম্ভণিতে বাতৰিৰ শিৰোনাম দখল কৰিছিল। এই ফুগাকু ছুপাৰ কম্পিউটাৰ এতিয়া টপ৫০০ তালিকাৰ দ্বিতীয় স্থানত আছে। ইউৰোপত বৰ্তমান প্ৰচলিত 'লুমি' নামৰ আন এটা এইচপিই ক্ৰে' ব্যৱস্থাৰ ছুপাৰ কম্পিউটাৰ সম্প্ৰতি টপ৫০০ৰ তালিকাৰ তৃতীয় স্থানত।

*ফোন ঃ ৯৬৮-৯৯৬৭-২৭৮১*

অভাৱেই আৱিষ্কাৰৰ মূলশক্তি। এটা বা দুটা বল ফাটি বা হেৰাই যোৱাৰ পিছত যেতিয়া বল কোনোবা কাৰোৱে হাতত পইচা নাথাকে তেতিয়া ৰবাব টেঙাজোপাৰ কলি টেঙা এটাকে ক্ৰিকেট বল হিচাপে ব্যৱহাৰ কৰোঁ। সৰু ঘূৰণীয়া ৰবাব টেঙাৰ কলিটো যেন একেবাৰে হাৰ্ড টেনিছ টোৱেই। কি নহয় সেই বলটোৱেও, কেতিয়াবা যদি ইন চুইং আকৌ কেতিয়াবা আউৎ চুইং। এইয়া আচলতে উল্লাস, এইয়া আমাৰ অভাৱৰ আৱিষ্কাৰ, এইয়া আমাৰ ল'ৰালীৰ এক আনন্দ...

# টেঙা বল এটাৰ ইন চুইং

■ দীপাংকৰ বৰুৱা

প্ৰিয় খেলৰ কথা ক'ব গলে মনত বৰ খোকোজা লাগি যায়। কাৰণ আমাৰ অঞ্চলত সময় লৈ খেলৰ প্ৰকাৰ সলনি হৈ থাকে। খৰালি কালত যদি ক্ৰিকেট বাৰিষা কালত আকৌ ফুটবল আৰু পথাৰত গঞা ৰাইজে যেতিয়া কঁঠিয়া পাৰে, ভূঁই ৰুয়ে তেতিয়া আকৌ কেৰম খেলৰ বাদে আন খেল খেলাৰ সুবিধা নহয়। খেলৰ প্ৰতি থকা অদ্ভুত ধাউতিৰ পিছতো গাঁৱত তেতিয়া লৈকে এখন খেলপথাৰ হৈ নুঠাৰ বাবেই চাগে বহুতো প্ৰতিভাই মূৰ দাঙি উঠিব নোৱাৰিলে। একো খেলিব মন নকৰা ল'ৰাটোয়েও পথাৰ খনৰ বা গাঁৱৰ এৰাবাৰীখনৰ দুৰৱীত খোজ পেলাইহে শান্তিৰে ঘৰমুৱা হয়।

বাৰু যি নহওক সময় অনুসৰি খেল সলনি হৈ থাকিলেও পিছে প্ৰিয় খেল বুলি কলে ক্ৰিকেট খেলটোৱেই আমাৰ প্ৰিয় আছিল। ৰঙা ৰঙৰ সেই হাৰ্ডটেনিছটো,কলাফুলত লাগে বুলি তামোলৰ ঢকুৱা এছটা পিন্ধি ল'ব লগা সেই টেছনিটো আজি প্ৰায় লুপ্ত। পিছে দুইকুৰী দি বল এটা কিনি অনাৰ সাহস আকৌ সকলোৰে নাছিল। কোনোবা এটাই যদিও আনিছিল সেইটো হেৰাই বা ফাটি থাকিলে হাঁহাকাৰ লাগি গৈছিল। দৌ দাৰ হেলিকপ্টাৰ শ্বটটোত নামদাংৰ সিপাৰে পৰি যোৱা বলটো নৈখন সাঁতুৰী পাৰ হৈ গৈ আনিব পৰা সাহসী কেইজনেও বল বিচাৰি নাপাই দুখত তেতিয়াহে ভাগৰ এটাৰ বা ভয় এটাৰ অনুভৱ কৰে। কোনোমতে যোৱাতাপলি মাৰি গোটাই অনা বলটোও আকৌ কঁঠাল কাঠৰ বেতৰ কোবত আধ্যা পৰে। তাৰ পিছত আকৌ হাঁহাকাৰ। কেতিয়াবা ঘৰৰ পৰা দুই-এটকা পইচা ঘৰৰ মানুহে গম নোপোৱাকৈ আনো যদিও সেয়া হিচাপৰ পইচা কেইটকা হৈ নুঠেগৈ। এনেদৰে প্ৰতিটো সমস্যাৰ বিপৰীতে ওলোৱা একোটাকৈ সমাধানে খেল স্থবিত ৰাখিব পৰা নাছিল।

অভাৱেই আৱিষ্কাৰৰ মূলশক্তি। এটা বা দুটা বল ফাটি বা হেৰাই যোৱাৰ পিছত যেতিয়া বল কোনোবা কাৰোৱে হাতত পইচা নাথাকে তেতিয়া ৰবাব টেঙাজোপাৰ কলি টেঙা এটাকে ক্ৰিকেট বল হিচাপে ব্যৱহাৰ কৰোঁ। সৰু ঘূৰণীয়া ৰবাব টেঙাৰ কলিটো যেন একেবাৰে হাৰ্ড টেনিছ টোৱেই। কি নহয় সেই বলটোৱেও, কেতিয়াবা যদি ইন চুইং আকৌ কেতিয়াবা আউৎ চুইং । দুৰ্দান্ত পেছ বলাৰ টোৱে যেতিয়া ষ্টাম্প উৰাই দিয়ে তেতিয়াই টেঙা বলটোৱেও তপক তপক চুমা কেইটামান পায়। এইয়া আচলতে উল্লাস, এইয়া আমাৰ অভাৱৰ আৱিষ্কাৰ, এইয়া আমাৰ ল'ৰালীৰ এক আনন্দ। টেঙা বলটোক যিটো আদৰ দিয়া হৈছিল আজিৰ কোনো ধৰণৰ বলে তেনে আদৰ পোৱা নাই। ভৱিৰ সৰুগাঠি বিষটোৱে টেঙাবলটোকেই বাৰে বাৰে মনত পেলাই থাকে। আচলতে টেঙা বলটোৰ ইন চুইং স্মৃতিৰ এখিলা পাতত কোমল কবিতা এটাৰ দৰেই লিখি থোৱা আছে।

*ফোন ঃ ৮৬৩৮-২৮৫৫২৮*

গল্প

# প্ৰেমে সকলো কৰিব পাৰে

কুলদীপ মেধি

যেতিয়া মই তোমাৰ ওচৰলৈ বাট বুলোঁ
প্ৰতিটো ৰাতি
সপোনৰ বাটেৰে
ভাগৰ নলগা দুভৰি মোৰ
তোমাৰ কাষতে ৰৈ ৰ' লাগি চায়
তোমাৰ শূন্যতাক
তোমাৰ অনুপস্থিতিত
তোমাৰ ভাবনাত
মোৰ পৰিপূৰ্ণতা।
কাৰণ মই তোমাক ভালপাঁও,
এনে এদিন ৰাতি মই তোমাৰ
ওচৰলৈ ইমান আপোন হৈ গৈছিলোঁ
আৰু বনৰীয়া হৈ পৰিছিলোঁ,
আৰু তুমি যে মোক কেতিয়াও পাহৰিব নোৱাৰা,
সেই কথা জানিও
মই তোমাৰ আত্মাক মোৰ স'তে লৈ আহিছিলোঁ।
ই এতিয়া মোৰ লগতে আছে আৰু
সম্পূৰ্ণৰূপে মোৰ
ভালৰ বাবে বা বেয়াৰ বাবে,
মোৰ বন্য, জ্বলন্ত প্ৰেম
ইয়াৰপৰা কাহানিও মুক্তি পাব নোৱাৰা।
প্ৰেমে সকলো কৰিব পাৰে
খঙাল আৰু ভীত
কঠিন আৰু সাহসী
জয়, পৰাজয়
হত্যা, ধ্বংস
সকলোৰে ভাল পাব পাৰে।
প্ৰেমে সকলো কৰিব পাৰে
হুঁহুৱাব পাৰে
কন্দুৱাব পাৰে
ক্ষুব্ধ, ভয়াৰ্ত
জেদী, বিদ্ৰোহী
মৌন, নিসঙ্গ
সকলোৰে ভাল পাব পাৰে
এজনে আন এজনৰ স্মৃতিত জীয়াব পাৰে।

# প্ৰেম, ভালপোৱা আৰু কিছু নষ্টালজীয়া...

প্ৰীতিৰেখা দাস

যি কথা কাহানিও নহ'ল কোৱা
আজি কবৰ মন গৈছে তোমাক
অ 'তোমাৰ বাবে আছিল এদিন মোৰ হিয়াৰ সমষ্ট ভালপোৱা...
তোমাৰ নামতে ফুলিছিল মোৰ চকুত সপোনৰ হাছনাহানা...
নিৰলে-নীৰবে বৈছিল বুকুত অনুভৱৰ নিজৰা ।হয় তোমাৰ বাবে.. তোমাৰ বাবে লিখিছিলো বিনিদ্ৰ ৰজনীৰ কবিতা।
তোমাৰ ভাৱনাৰে ভৰি উঠিছিল মোৰ ডায়েৰিৰ জাপ জাপ পৃষ্ঠা।
তুমি নজনাকৈয়ে তোমাৰ নামেৰে আৰম্ভ হৈছিল মোৰ প্ৰতিটো দিন আৰু ৰাতি।
তোমাক পোৱাৰ আশাত মোৰ হেপাঁহবোৰ লহপহকৈ বাঢ়িব ধৰিছিল।
যি কথা কাহানিও নহ'ল কোৱা
যি কথা শুনিবলৈ তুমি উচ-পিচাই আছিলা,
ছটফটাইছিলা দিনৰ পিছত দিন।
আকুল দুচকুৰে মাথো চাই আছিলা মোৰ চকুলৈ।
কোৱা নহল তোমাক ভালপাওঁ বুলি।
দিয়া নহল মনৰ বতৰা।
ৰৈ গল হিয়াত সংগোপোনে তোমালৈ থকা মোৰ তিৰবিৰ হেপাঁহ ..
বুকুভৰি থকা মৰম আকুলতা ।
কোৱ নহল কাহানিও ভালপাওঁ বুলি তোমাক ।
আজি উঠিছে বুকুত গুজুৰি গুমুৰি অযুত অপ্ৰকাশিত ভাৱনাৰ হিল্লোল ।
মনাকাশত জ্বলিছে আজি জোনাকী সময়ৰ জোন-জিল-মিল ।
যি কথা কাহানিও নহল কোৱা
আজি কবৰ মন গৈছে তোমাক
জানো যদিও তুমি আজি শুনিব নোৱাৰিবা
মোৰ কথা। মোৰ কথাই ঢুকি নপোৱা দুৰত্বত আছা তুমি
মোৰ অনুভৱে চুব নোৱাৰা অসীমত হেৰাই গৈছা তুমি।
তথাপি... তথাপি যি কথা কাহানিও নহ'ল কোৱা
আজি কবৰ মন গৈছে তোমাক
মই তোমাক ভালপাঁও
মই তোমাক ভালপাঁও
কেবল তোমাক ভালপাঁও।

*ফোন ঃ ৮১০৫২৫২৩৫০*



# বিপ্লৱী শিল্পী তুমি...

■ পূৰবী তালুকদাৰ

সৰ্বগুণাকৰ তোমাৰ মনত এফালে আন্দোলিত হৈছিল শিল্পী-সত্তা আৰু আনফালে জ্বলি উঠিছিল বিপ্লৱৰ অগনি। তোমাৰ কাপেৰে নিগৰিছিল গল্প, প্ৰবন্ধ, কবিতা, উপন্যাস আৰু গীত। তোমাৰ হাতৰ পৰশত বাদ্যযন্ত্ৰবোৰে প্ৰাণ পাই উঠিছিল। তুমিয়েই শোষকৰ কবলৰ পৰা মুক্ত হ'বলৈ খাটিখোৱা লোকসকলক সংগ্ৰাম কৰিবলৈ আহ্বান জনাইছিলা। জোৱাৰ তুলিছিলা এক বিপ্লৱৰ যিয়ে গঢ়িব বিচাৰিছিল এখন শোষণমুক্ত সমাজ। তুমি যেতিয়া কৰ্কট ৰোগৰ যন্ত্ৰণাৰে সাধাৰণ বিছনা এখনত পৰি আছিলা, অসমী আয়ে কান্দিছিল। চকুপানীবোৰক নেওচি তুমি গুচি গৈছিলা সিপাৰলৈ। কিন্তু তোমাৰ বুকুৰ তেজৰ শেষ বিন্দুটিও অসমৰ জনগণৰ হকে উৎসৰ্গিত কৰি গৈছিলা। তোমাৰ তেজেৰে বলীয়ান এই জাতি কেতিয়াও শুই নপৰে, শুই পৰিব নোৱাৰে বিষ্ণু ৰাভা!

*বেংগালুৰু*
*ফোন ঃ ৯৫৩৮৪০৬২৮৭*

# অভিসাৰিকা

■ হিমাংশু পাঠক



ড° শেৱালী বৰুৱাৰ বিয়া। প্ৰথম দৃষ্টিতেই বহু পুৰুষৰ বুকুত কম্পন জগাই দিব পৰা ৰূপৰ অধিকাৰী তেওঁ। বহু যুৱকৰ হৃদয়ক বশ কৰি ৰাখি থৈছে ড° শেৱালী বৰুৱাই। ইমান কম বয়সতে উচ্ছ শিক্ষা লৈ ৰাজনীতি বিজ্ঞান বিষয়ত তড়িৎ গতিত ডক্তৰেট ডিগ্ৰী লৈছে। অৱশ্যে কোনো মহাবিদ্যালয়ত শিক্ষকতাক বৃত্তি হিচাপে লোৱা নাই তেওঁ। কাৰণ তেওঁৰ অন্যান্য চখ বহুতো আছে। ফুৰি ভাল পায়। বন্ধু-বান্ধৱীৰ সৈতে উমলি ভাল পায়।

পিয়নজনে আহি শেৱালীৰ হাতত এটা লেফাফা দি গ'ল। লেফাফাত অহা চিঠিখন পঢ়ি ড° শেৱালী বৰুৱা শিল পৰা কপৌৰ দৰে নিশ্চুপ হৈ থাকিল বহু সময়। এই দৃশ্য দেখি বন্ধু জিতেন দৌৰ মাৰি আহি হাতৰ পৰা কাগজখন থাপ মাৰি নি পঢ়িব ধৰিলে। এয়া কেনেকৈ সম্ভৱ। কোৰ্টৰ নটিচ।

"জিতেন ! জিতেন ! প্ৰায় চিঞৰি মতাৰ দৰে মাতিলে শেৱালীয়ে।" কিতাপ প্ৰকাশ হোৱা মাত্ৰ দুদিন হৈছে। উন্মোচন কৰাই নাই। প্ৰৱন্ধবোৰৰ কথা কেনেকৈ গম পালে সি? তোৰ বাহিৰতো আনে এই কথা নেজানে? তেন্তে ? কেনেকৈ জানিলে সি? কোৰ্টৰ নটিচৰ উত্তৰ কেনেকৈ দিম? চুইচাইদ্ কৰাৰ বাদে মোৰ অইন উপায় আছে জানো? তাক এতিয়াই ফোন কৰ জিতেন। মই চুইচাইদ্ কৰিম আৰু তাৰ বাবে জগৰীয়া কিন্তু সিয়েই হ'ব। ক'লেজৰ প্ৰেম ক'লেজতেই এৰি আহিছোঁ। কি বুলি ভাবিছে ননচেন্স নয়নে?'

"তই ঠাণ্ডা হ' শেৱালী। মই আছোঁ নহয়। সকলো চম্ভালিম। কিতাপ প্ৰকাশ কৰা লেখাবোৰ যে তোৰেই লেখা সেয়া তই দাবী কৰি যাবি।'

শেৱালীৰ মুখেৰে মাত ওলোৱা নাছিল। ধৈৰ্য্যৰ বান্ধ চিঙি গৈছিল। ফোন লগালে হেল্ল'.....হেল্ল' নয়ন। মই যদি চুইচাইদ কৰোঁ তাৰ বাবে যে দায়ী তুমি সেয়া মই লিখি থৈ যাম। তুমি চিনি পোৱা নাই ডঃ শেৱালী বৰুৱাক। " বুলি কৈয়েই ফোনটো কাটি দিলে। ক'লেজীয়া দিনৰ পৰা নিজক বিশেষ স্থানত ৰাখিব খোজা এক নিচাৰ প্ৰতি তীব্ৰ আসক্তি আছিল শেৱালীৰ। ক'লেজত অধিক জনপ্ৰিয় হ'বলৈ হ'লে ছাত্ৰী নিবাসত থাকিব লাগিব। নহ'লে সকলোৰে পৰিচিত হোৱাটো কঠিন হ'ব। প্ৰফেচৰ সকলৰো হেনো ওচৰ চাপিবলৈ সহজ। প্ৰফেচৰ সকলক আকৰ্ষণ কৰিব নোৱাৰিলে পৰীক্ষাত মই গেৰা মাৰিব লাগিব। নাই নাই যি উপায়েৰেই নহওক নম্বৰ পাবই লাগিব।" শেৱালী অই শেৱালী কি চিন্তা কৰি আছ? মৌচুমীৰ মাতত যেন শেৱালীৰ সম্বিত্ ঘূৰি আহিল। "এহ্ নাই নাই। এনেয়ে ঘৰৰ কথা ভাবি আছিলোঁ। মাতি আছিলা নেকি?" ব'লা ব'লা হোষ্টেললৈ যাওঁ। এবাৰ চাই লওঁ তোমালোক কেনেকৈনো থাকা হোষ্টেলত। ভাল লাগিলে চাগৈ ময়ো থাকিম।" ও হয় নেকি ? তুমিতো বহুত আধুনিকা আমাতকৈ। পাৰিবা জানো আমাৰ লগত থাকিবলৈ? মৌচুমীয়ে হাঁহি হাঁহি ক'লে। "ধেই কি যে কোৱা মৌচুমী।" শেৱালীয়ে অতি সৰল হৈ কৈয়েই মৌচুমীৰ হাতখনত ধৰি একপ্ৰকাৰ টানি লৈ যোৱাৰ দৰে লৈ গ'ল।

মৌচুমীয়ে ছাত্ৰী নিবাসৰ সকলো আবাসীকে শেৱালীৰ সৈতে চিনাকি কৰি দিলে। আজিৰ পৰা আমাৰ হোষ্টেলৰ নতুন সদস্যা। শেৱালীয়ে হাঁহি হাঁহি সকলোকে নমস্কাৰেৰে অভিবাদন জনালে। ছিনিয়ৰসকল নিশা বহুপৰলৈ এইকেইদিন কিবা এটা বিশেষ কামত ব্যস্ত। শেৱালীয়ে বৰ আগ্ৰহেৰে কি কৰি আছে চাবলৈ গ'ল। অইন এজনী ছিনিয়ৰৰ কোঠাত গৈ দেখিলে যে বহু ছেদেলি-ভেদেলি হৈ থকা কাগজৰ টুকুৰাক লৈ বাৰ - পোন্ধৰজনীমান ছোৱালী খুব মনোযোগেৰে ব্যস্ত হৈ আছে।এটা চুকত তাইৰ সহপাঠী মৌচুমী আৰু বন্দনাও আছে। নিজক চম্ভালিব নোৱাৰি কোঠাৰ ভিতৰলৈ সোমাই গ'ল শেৱালী। সকলোৱে মুৰ তুলি চাই গিৰ্জনি মাৰি হাঁহি মাৰি ক'লে "অ তই হে ? আমি আকৌ কোনোবা অভিসাৰিকা সোমাই অহা বুলি চক খালো জাননে ?" সকলোৱে আকৌ হাঁহিলে। "অই এনেকৈ চুৰুণীৰ দৰে নাহিবি দেইন" বন্দনাই চিঞৰিয়াছ হৈ ক'লে। শেৱালীৰ খং উঠিছিল যদিও হাঁহিৰ আঁচলেৰে লুকুৱাই ৰাখিলে। মনতে ভাবিলে তই মোক চুৰুণী বুলি ক'লি! ৰহ্! চাই ল'ম তোক।" মনৰ ভিতৰতেই গুমৰিলে শেৱালীয়ে।

শেৱালীয়ে দেখিলে যে হোষ্টেলত এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ আয়োজন চলি আছে আলোচনী সম্পাদিকা আৰু ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা জুবেদা আৰু নিলুৰ পৰিচালনাত। নিজৰ ৰুমলৈ ঘূৰি আহি শেৱালীৰ মন অস্থিৰ হ'বলৈ ধৰিলে। " কিবা নহয় কিবা এটা লেখা যদি দিব পাৰো তেন্তে খুব সোণকালেই মোক বহুতে চিনি পাব আৰু মই যে লিখা - মেলাত অভ্যস্ত এই কথা জানিলে মোক বহুজনে পাত্তা দিবলৈ ধৰিব।" শুই শুই শেৱালীয়ে কি লিখিব সেয়াই চিন্তা কৰি থাকোতে কেতিয়া টোপনি আহিল ক'বই নোৱাৰে।

চক্ মক্ কৈ উঠি বহিল শেৱালী। নিজকে নিজে গালি পাৰিছে " কি কৰিছ তই ? বলীয়া হ'লি নেকি ? শুইছ যে ? কাইলৈৰ ভিতৰত কিবা এটা লেখা দিব নোৱাৰিলে পুনৰ তিনি মাহ ৰ'ব লাগিব। প্ৰাচীৰ পত্ৰিকাত লিখি থকাসকলকহে কলেজৰ মুখপত্ৰত বাচনি কৰিব। কিবা এটা কৰ কিবা এটা কৰ। " ঘড়ীটোলৈ চাই দেখে ৰাতি তিনি বাজি গৈছে আৰু হোষ্টেলৰ পৰিৱেশ সম্পূৰ্ণ নিমাওমাও। হাতত সাৰে ভৰিত সাৰে শেৱালীয়ে নিজৰ কোঠাৰ পৰা বাহিৰ হৈ বাৰণ্ডাত খোজ কাঢ়িবলৈ ধৰিলে।

" কবিতা ? ওহোঁ! নাই নাই গম পাই যাব। প্ৰৱন্ধ বা নিৱন্ধ জাতীয় কিবা এটা হ'লে বেয়া নহ'ব চাগৈ। নাই নাই ঘৰলৈ যাওঁ আৰু যিমান পাৰি সিমান সোণকালে ঘূৰি আহি জমা দিব লাগিব। এতিয়া আৰু শোৱাটো ঠিক নহ'ব।'

প্ৰাচীৰ পত্ৰিকা ছোৱালী হোষ্টেলৰ বেৰৰ নিৰ্দিষ্ট ঠাইত ওলোমোৱা কাম সমাপ্ত হ'ল। সুন্দৰ গুলপীয়া ৰঙী চিল্কসূতাৰ পৰ্দাৰে ঢাকি ৰাখিছে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ অনিতা বৰা দেৱী আহিব উন্মোচন কৰিবলৈ। শেৱালীৰ মন চঞ্চল পখিলাৰ দৰে উৰি ফুৰিছে। জীৱনত প্ৰথম তাইৰ নামটো ৰাজহুৱা স্থানত প্ৰদৰ্শিত হ'ব। তাইৰ মনৰ চঞ্চলতাখিনি যেন নিয়ন্ত্ৰণ কৰিব পৰা নাই। নিজৰ লেখাটো যেন শ্ৰেষ্ঠ লেখা হৈছে। সকলোৱে যেন তাইৰ লেখাটোক লৈ আলোচনা কৰিব ইত্যাদি ইত্যাদি। অধ্যাপক ডঃ বৰা বাইদেউ আহি উন্মোচন কৰিলে প্ৰাচীৰ পত্ৰিকা "ফিৰিঙতি"। ওপৰে ওপৰে হ'লেও সকলোৱে লেখাবোৰ চকু ফুৰাই গৈছে লগতে লেখক, কবি, গল্পকাৰ, চিত্ৰকাৰসকলৰ সৈতে চিনাকিও হৈ গৈছে। " সাহিত্য চৰ্চাত আজিৰ নাৰীৰ ভূমিকা" - শেৱালী বৰুৱা। অধ্যাপক বাইদেৱে শেৱালী বৰুৱাৰ প্ৰৱন্ধটোৰ ওপৰত চকু ফুৰালে। কোনে লিখিছে এই প্ৰৱন্ধটো ? " বাইদেউ মই লিখিছোঁ। আচলতে বহুদিন আগতেই লিখি থোৱা আছিল। দৌৰাদৌৰিকৈ লিখা বাবে খুব এটা ভাল নহ'ল বাইদেউ। হয়নে ?" ডঃ বৰা বাইদেৱে সামান্য হাঁহিলে। কিন্তু একো নক'লে। শেৱালীৰ বুকু আত্মতুষ্টিৰে ডাঠ হৈ গ'ল।

আলোচনী সম্পাদিকা জুবেদাই আবেলি শেৱালীক নিজৰ কোঠালৈ মাতি পঠিয়ালে। শেৱালী আৰু জুবেদাৰ বাদে কোঠাৰ ভিতৰত আন কোনো নাই। " কি জানানে শেৱালী ; ডঃ অনিতা বৰা দেৱী বাইদেৱে তোৰ লেখাটোৰ কথা সুধিছে মোক। প্ৰকাশ কৰাৰ আগতে লেখাটো মই পঢ়ি চাইছিলোঁ নে নাই সুধিছে।" শেৱালীৰ মুখখন পূৰ্ণিমাৰ জোনৰ দৰে পোহৰ হৈ উঠিছে আনন্দত। প্ৰথম লেখাটোতেই তাই আকৰ্ষনৰ কেন্দ্ৰ হ'ল। ইয়াতকৈ আৰু কি সুখ লাগে। " নাই নাই যিকোনো বিনিময়ত মই নিজকে লেখিকা হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব।" মনৰ ভিতৰতেই পাগুলিবলৈ ধৰিলে শেৱালীয়ে। "শেৱালী, ওই শেৱালী ; মই কি কৈছোঁ তই শুনিছ নে নাই ?" হুহ্!!! অহ ! শুনিছোঁ শুনিছোঁ মোৰ লেখাটোৰ বিষয়ে বাইদেৱে খুব গুণ গাইছে হয় নে ?" "গুণ ? ধুৎ কেতিয়া ক'লো? বাইদেৱে কি কইছে জান ? তোক অধ্যয়ন কৰি লিখিব কৈছে। এনেকৈ অৰ পৰা অলপ তৰ পৰা অলপ আনৰ লেখাৰ পৰা চুৰ কৰি নিজৰ নামত লিখিব মানা কৰিছে। সেয়াও এসোঁপা ভুল বানানেৰে। তই যিটো লেখা প্ৰস্তুত কৰিছ সেইটো লেখা হেনো বাইদেৱে বাতৰি কাকতত নিয়মিত লিখি থকা কোনোবা স্তম্ভ লেখকৰ কলমত কাহানিবাই পঢ়িছিল। সেয়ে তোৰ অভিসাৰৰ কথা বাইদেৱে বুজি পাইছে। তোক এনে দুষ্কাৰ্যৰ পৰা বিৰত থাকিবলৈ কৈছে।

"কি জানা জুবেদা মই আৰু জীয়াই নাথাকো। মই আজি মৰি থাকিম। তুমি মোৰ ঘৰত কি বুলি জনোৱা জনাবা। কাৰণ এই কোঠাটোত কেৱল তুমি আৰু মইহে আছোঁ। বাহিৰত যেতিয়া এইবোৰ কথা তুমি আনক ক'বা তাৰপিছত মই আৰু জীয়াই থাকিব পাৰিম নে ? হ'ব দিয়া। বাইদেউক ক'বা মই চিৰদিনৰ কাৰণেই লেখা বন্ধ কৰিলো বুলি।" শেৱালীয়ে চকুপানী মচি মচি জুবেদাৰ কোঠাৰ পৰা ওলাই আহিল। বাকৰুদ্ধ হৈ জুবেদা শিল পৰা কপৌৰ দৰে কোঠাৰ ভিতৰতেই থিয় হৈ থাকিল।

এজন ভাল কবি বুলি পৰিচিত নয়ন বৰা সপ্তম যান্মাষিকৰ ছাত্ৰ। লগৰ কেইজনমানৰ লগত আলোচনা কৰি আছিল কেনেকৈ তাৰ কবিতাৰ বহিটোৰ পৰা কবিতাৰ এখিলা পাত চিৰি আনি শেৱালীয়ে তাইৰ নামত কলেজ মেগাজিনত প্ৰকাশ কৰিছিল। সি আপত্তি কৰিছিল। তেতিয়া গালে মুখে কেইবাটাও চুমা খাইছিল তাই। তাক নেপালে হেনো মৰি যাব। শৰীৰত কৰা অভিসাৰৰ সুখত বন্ধ হৈছিল তাৰ মুখ। আৰু এতিয়া বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰিয়েই তাই মোক চিনি নোপোৱাৰ ভাওঁ দিছে জান নয়নৰ অসহায় মুখলৈ চাই তাৰ বন্ধুকেইজনৰ মুখৰ মাত হৰিল। দিনক দিনে প্ৰৱন্ধ, গল্প, কবিতা লিখাৰ চখে নিচাৰ ৰূপ ল'বলৈ ধৰিলে শেৱালীৰ। নিজৰ সৌন্দৰ্য্যৰে অভিসাৰত লিপ্ত হৈ হ'লেও বহু যুৱকৰ বুকুত তুলি গৈছে অভিসাৰৰ বেনামী ঢৌ।

বিশ্ববিদ্যালয় শিক্ষা সমাপ্ত কৰিয়েই শেৱালীয়ে এখন মাহেকীয়া আলোচনীৰ লগত জড়িত হৈ পৰে। উদ্দেশ্য তেওঁৰ নিজক প্ৰচাৰ কৰা। আলোচনীৰ লগতে দুই এখন বাতৰি কাকততো তাইৰ প্ৰৱন্ধ, কবিতা ইত্যাদি প্ৰকাশ পাবলৈ ধৰিলে। বিভিন্ন সাহিত্য সংগঠনৰ লগতো জড়িত হৈ নিজৰ ৰূপ আৰু যৌৱনৰ অভিসাৰেৰে আগস্থানত বহি কেৱল নিজৰ প্ৰসাৰ কৰি গ'ল। নয়নে এইবোৰ দেখিও নেদেখা ভাওঁ ধৰাত বাদে আন উপাই নাছিল। বাতৰি কাকতত তাৰ কেইবাটাও কবিতা তাইৰ নামত প্ৰকাশ হোৱাৰ পিছতো সি একো প্ৰতিবাদ কৰিব পৰা নাছিল। আগতে সি তাইক তেনে নকৰিবলৈ বহুবাৰ বুজাইছিল কিন্তু শাৰীৰিক সুখৰ অভিসাৰেৰে তাই তাক বশ কৰি পেলাইছিল।

শেৱালী বৰুৱাই আজিকালি নামৰ আগত ডক্তৰ শেৱালী বৰুৱা লিখে। শেৱালী বৰুৱাই কেতিয়া আৰু কোন বিশ্ববিদ্যালয়ৰ পৰা ডক্তৰেট ডিগ্ৰী ল'লে সেয়া তাইক জনাসকলে একোকে গম নেপায়। কেৱল নিজৰ মাজতে বু-বা-বু-বা কৰাত বাদে কোনেও সুধিবলৈ সাহস কৰিব পৰা নাই। ডক্তৰেট ডিগ্ৰীটো ল'বলৈহে যেন শেৱালীয়ে ৰৈ আছিল। ৰচি গৈছে ইখনৰ পিছত সিখন গ্ৰন্থ। সাহিত্য সংগঠকসকলৰ চকু কঁপালত উঠিব ধৰিলে। মাত্ৰ দুবছৰৰ ভিতৰত বাৰখনকৈ গ্ৰন্থ লিখিছে।

ড° শেৱালী বৰুৱাৰ বিয়া আজি। ৰভা লাইট মিউজিকৰ এক মহা সংযোগ ঘটিছে বিয়াথলী। কোনো উচ্ছ পদৰ চৰকাৰী চাকৰি নকৰা শেৱালীৰ বিয়াৰ আড়ম্বৰপূৰ্ণ বিয়াৰ আয়োজন দেখিলে চকু কঁপালত উঠে।

উপস্থিত অনেকৰ মাজত এটাই প্ৰশ্ন এয়া কেনেকৈ সম্ভৱ। এজন সাধাৰণ যুৱকৰ সৈতে বিয়াত বহাৰ ৰহস্য কি? কোনোবাই কৈছে অবৈধ সম্পৰ্কৰ বাবে উপাহীন হৈ বিয়াত বহিছে। কোনোবাই আকৌ কৈছে দৰাজনে হেনো আনে লিখা বহু প্ৰৱন্ধ চুৰ কৰি আনি দিছে আৰু সেইবোৰক নিজৰ নামত কিতাপ আকাৰে ছপা কৰিছে। নিজৰ অভিসাৰ লুকুৱাবলৈ বিয়া হোৱাত বাদে অইন উপাই নাছিল। সেয়েহে এই বিয়া। অ সস্তীয়া প্ৰচাৰেৰে যশস্যা আদায়ৰ হেতু কৰি গৈছে ইজনৰ পিছত সিজনৰ সৈতে অভিসাৰ। কেৱল অভিসাৰ।

শেৱালীয়ে দেখিলে যে হোষ্টেলত এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ আয়োজন চলি আছে আলোচনী সম্পাদিকা আৰু ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা জুবেদা আৰু নিলুৰ পৰিচালনাত। নিজৰ ৰুমলৈ ঘূৰি আহি শেৱালীৰ মন অস্থিৰ হ'বলৈ ধৰিলে। "কিবা নহয় কিবা এটা লেখা যদি দিব পাৰো তেন্তে খুব সোণকালেই মোক বহুতে চিনি পাব আৰু মই যে লিখা- মেলাত অভ্যস্ত এই কথা জানিলে মোক বহুজনে পাত্তা দিবলৈ ধৰিব।" শুই শুই শেৱালীয়ে কি লিখিব সেয়াই চিন্তা কৰি থাকোতে কেতিয়া টোপনি আহিল ক'বই নোৱাৰে...

*নাৰেঙ্গী, গুৱাহাটী*
*ফোন ঃ ৮৬৩৮৬৭৩৪৮০*

# ৰঙা ফোঁট লোৱা নাৰীবোৰ

বিপুল শৰ্মা

ৰঙা ফোঁট লোৱা নাৰীবোৰ
মোৰ ভাল লাগে
পুৱা উদয় হোৱা বেলিটো
নাৰীৰ ৰঙা ফোঁটটো
ৰঙা ফোঁটৰ ঐতিহ্যত
সেউতাৰে নামি আহে কৃষ্ণ
কৃষ্ণ মোৰ প্ৰিয়
কৃষ্ণৰ প্ৰেমত গোপীৰ নৃত্য বৃন্দাবনত
শৰতৰ পূৰ্ণিমা ৰাতিৰ জোন
মোৰ প্ৰিয় নাৰীৰ কপালত
পূৰ্ণিমাৰ জোনত-প্ৰেমৰ প্ৰকাশ
নাৰীৰ ৰঙা ফোঁটত- প্ৰেমৰ স্থায়ীত্ব
সেইবাবে ৰঙা ফোঁট লোৱা নাৰীবোৰ
মোৰ ভাল লাগে।
কাৰণ
মই প্ৰেমিক
প্ৰেমৰ ৰঙ যে ৰঙা

*ফোন ঃ ৮০১১৫৯০৩৭৯*

ৰাষ্ট্ৰপতি নিৰ্বাচনক লৈ অৱশেষত স্বস্তি ১৮টা দলৰ

# যশৱন্ত সিনহা বিৰোধীৰ সৰ্বসন্মত প্ৰাৰ্থী



**নতুন দিল্লী, ২১ জুন ঃ** যশৱন্ত সিনহা ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধী মিত্ৰজোঁটৰ সৰ্বসন্মত প্ৰাৰ্থী হ'ব। মঙলবাৰে আবেলি দিল্লীত এনচিপিৰ মুৰব্বী শাৰদ পাৱাৰৰ বাসভৱনত ১৮ টা মিত্ৰজোঁটৰ দলৰ এখন বৈঠকত এই সন্দৰ্ভত আনুষ্ঠানিক সিদ্ধান্ত লোৱা হয়। বৈঠকৰ পিছত শাৰদ পাৱাৰ আৰু কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেকে ধৰি বিৰোধী নেতাসকলে এখন সংবাদমেলত এই সিদ্ধান্তৰ কথা ঘোষণা কৰে। পাৱাৰে কয়, ''যশৱন্ত সিনহা বিজেপিৰ বিৰুদ্ধে ধৰ্মনিৰপেক্ষ শিবিৰৰ সৰ্বসন্মত প্ৰাৰ্থী হ'ব।'' এগৰাকী প্ৰাক্তন আমোলা যশৱন্ত সিনহাই ১৯৮৪ চনত জনতা দলৰ জৰিয়তে সক্ৰিয় ৰাজনীতিত যোগদান কৰিছিল। ইয়াৰ পিছত তেওঁৰ গেৰুৱা শিবিৰৰ সৈতে ঘনিষ্ঠতা গঢ়ি উঠে। তেওঁ এসময়ত বিজেপিৰ মুখপাত্ৰও আছিল। যশোৱন্ত সিনহা অটল বিহাৰী বাজপেয়ীৰ প্ৰধানমন্ত্ৰিত্বৰ কাৰ্যকালত বিত্ত আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্বও পালন কৰিছিল। কিন্তু ২০১৪ চনত নৰেন্দ্ৰ মোডী আৰু অমিত শ্বাহৰ হাতত দলটোৰ শাসনভাৰ যোৱাৰ পিছত বিজেপিৰ সৈতে সিনহাৰ সম্পৰ্কৰ অৱনতি ঘটিবলৈ আৰম্ভ কৰে। লগতে পঢ়ক: কৃষি আইনৰ পাছত এইবাৰ অগ্নিপথ: ৰাষ্ট্ৰজোৰা প্ৰতিবাদ গঢ়ি তুলিব সংযুক্ত কিষাণ মৰ্চাই মোডী-শ্বাহৰ হাতত বিজেপিৰ চিন্তা-চৰ্চা গণতন্ত্ৰ বিৰোধী হৈ উঠা বুলি তেওঁ বাৰে বাৰে অভিযোগ কৰি আহিছে। অৱশেষত তেওঁ ২০১৮ চনত বিজেপিৰ পৰা ওলাই আহে। কিন্তু তেওঁৰ পুত্ৰ জয়ন্ত সিনহা এতিয়াও বিজেপিত আছে। জয়ন্ত সিনহা বৰ্তমান ঝাৰখণ্ডৰ হাজাৰিবাগ লোকসভা সমষ্টিৰ এগৰাকী সাংসদ। উল্লেখ্য যে বিৰোধী ৰাজনৈতিক দলবোৰে তিনিজনকৈ ব্যক্তিক ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হ'বলৈ প্ৰস্তাৱ দাখিল কৰিছিল যদিও তেওঁলোকে এই প্ৰস্তাৱ অগ্ৰাহ্য কৰিছিল। ফলত বিৰোধীৰ মাজত দেখা দিছিল চৰম হতাশা।



অষ্টম সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ্ণাটকৰ মাইসুৰ চহৰত অংশগ্ৰহণ কৰাৰ সময়ত, মঙলবাৰে

## ৮ দিনৰ পিছত ৰোগমুক্ত ছোনিয়া গান্ধী

**নতুন দিল্লী, ২১ জুন ঃ** ইটোৰ পিছত সিটোকৈ বিপদে লগ নেৰা হৈছে কংগ্ৰেছ নেতৃত্বৰ। নেচনেল হেৰাল্ড কাকত কৰ্তৃপক্ষৰ নামত কৰ ফাঁকি আৰু ৰাষ্ট্ৰীয় সম্পদ হ্ৰলুকি কৰাৰ এক গোচৰে কঁপাই তুলিছে দলটোৰ ভিতৰচ'ৰা। ইয়াৰ মাজতে ক'ভিডত আক্ৰান্ত হৈ এসপ্তাহতকৈ অধিক কাল চিকিৎসালয়ত কটাব লগা হ'ল ছোনিয়া গান্ধীয়ে। অৱশ্যে কোভিডত আক্ৰান্ত হোৱা কংগ্ৰেছ অধ্যক্ষ ছোনিয়া গান্ধীক চিকিৎসালয়ৰ পৰা অব্যাহতি দিয়া হৈছে। চিকিৎসকসকলে



তেওঁক বৰ্তমানৰ বাবে বিশ্ৰাম ল'বলৈ পৰামৰ্শ দিছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে সোমবাৰে সন্ধিয়া এটা টুইটযোগে এই কথা প্ৰকাশ কৰে। মন কৰিব লগীয়া যে ছোনিয়া কৰোনাৰ দ্বাৰা সংক্ৰমিত হোৱাৰ পিছত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। কৰোনা-মুক্ত হোৱাৰ পিছত, তেওঁ ছোনিয়াৰ শ্বাসনলীত সংক্ৰমণ বিয়পি পৰা বুলি জানিব পৰা গৈছে । ৰাজস্থানৰ চিন্তন শিবিৰৰ পৰা উভতি অহাৰ পিছতে জুনৰ আৰম্ভণিতে ছোনিয়া গান্ধী কৰোনাত আক্ৰান্ত হৈছিল। ১২ জুনত তেওঁক ছাৰ গংগা ৰাম চিকিৎসালয়ত ভৰ্তি কৰিব লগীয়া হয়। কোভিড-১৯ৰ উপৰিও তেওঁৰ শৰীৰত আন সমস্যাও আছিল। তেওঁ ভেঁকুৰজনিত সংক্ৰমণত আক্ৰান্ত বুলি ধৰা পৰিছে। শ্বাসনলীত সংক্ৰমণৰ বাবে তেওঁৰ নাকৰ পৰা ৰক্তক্ষৰণ হৈছিল। ছোনিয়া গান্ধীক যোৱা তিনিদিন ধৰি চিকিৎসকসকলে পৰ্যবেক্ষণত কৰি আছিল। চিকিৎসালয়ৰ পৰা অব্যাহতি দিলেও তেওঁ বৰ্তমানৰ বাবে ঘৰত জিৰণি ল'ব লাগিব বুলি চিকিৎসকসকলে কৈছে। নেচনেল হেৰাল্ড গোচৰৰ সন্দৰ্ভত ইডিয়ে ছোনিয়াক মাতি পঠিয়াইছিল। তেওঁক ২৩ জুনত ইডিৰ কাৰ্যালয়লৈ পুনৰ মতা হৈছে। কিন্তু চিকিৎসকে তেওঁক বিশ্ৰাম ল'বলৈ পৰামৰ্শ দিয়াৰ ফলত নিৰ্ধাৰিত তাৰিখত তেওঁ ইডিৰ কাৰ্যালয়ত উপস্থিত হয় নে নাই সেয়া অনিশ্চিত হৈ পৰিছে।

ক'ত হেৰাল শিৱসেনাৰ ২২ বিধায়ক

# মহাৰাষ্ট্ৰত ৰাজনৈতিক সংকট, চৰকাৰ ভংগৰ আশংকা



**মুম্বাই, ২১ জুন ঃ** মহাৰাষ্ট্ৰত চৰকাৰ সলনিৰ সম্ভাৱনাৰে শাসকীয় পক্ষৰ মাজত বিৰাট মতভেদ আৰু যোগাযোগ বিচ্ছিন্ন অৱস্থাৰ সূত্ৰপাত হৈছে। এদিনৰ পূৰ্বে বিধান পৰিষদৰ নিৰ্বাচনৰ ভোট অনুষ্ঠিত হৈছিল। দহ আসনৰ বাবে অনুষ্ঠিত হোৱা ভোটৰ ফলাফল প্ৰকাশ পাইছে আৰু ইয়াৰে পাঁচ আসন শাসকীয় শিৱসেনা, এনচিপি-কংগ্ৰেছৰ হাতলৈ গৈছে। অন্য পাঁচ আসন বিজেপিৰ হাতলৈ গ'ল। ৰাজ্যখনত প্ৰধান বিৰোধী দল বিজেপিৰ হৈ থকাৰ বাবে শাসকীয় পক্ষৰ অনেকে বিজেপিক সমৰ্থন কৰা বুলি প্ৰকাশ পাইছে। আনকি নগৰ উন্নয়ন মন্ত্ৰী তথা শিৱসেনা দলৰ বিধায়ক একনাথ সিন্ধে লগত ২১ বিধায়কক লৈ হোটেলত আত্মগোপন কৰি আছে। এনেকৈয়ে মুঠ ২২ জন বিধায়কে বিজেপিত যোগদান কৰা বুলিও খবৰ ওলাইছে। গুজৰাটৰ হোটেল মেৰিডিয়ান চুৰাটত আটাইকেইজন বিধায়কে মন্ত্ৰী একনাথসহ আত্মগোপন কৰা বুলি চৰ্চিত হৈছে। গতিকে বিষয়টো যদিহে সত্য হয়, তেনেহ'লে দুই-এদিনতে সংখ্যালঘুত পৰিণত হ'ব শাসকীয় পক্ষ। ফলত মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে পদত্যাগৰ বিকল্প নাথাকিব বুলি চৰ্চিত হৈছে।

# অপসাৰিত হ'ল শিৱসেনাৰ বিধায়িনী দলৰ নেতা একনাথ সিন্ধে



**মুম্বাই, ২১ জুন ঃ** বিধান পৰিষদৰ নিৰ্বাচনৰ পিছতে বিসম্বাদে গা কৰি উঠিছে মহাৰাষ্ট্ৰৰ চৰকাৰী পক্ষত। নিজৰ দল আৰু চৰকাৰক বিশ্বাসঘাটকতা কৰাৰ অভিযোগত একনাথ সিন্ধে নামৰ শিৱসেনাৰ বিধায়কজনৰ বিৰুদ্ধে অনুশাসনমূলক পদক্ষেপ গ্ৰহণ কৰা হৈছে। দলটোৰ বিধায়িনী দলৰ মুৰব্বী আছিল একনাথ। লগতে নগৰ উন্নয়ন বিভাগৰো মন্ত্ৰী আছিল। গতিকে এইজন দায়িত্বশীল নেতাক অপসাৰণ কৰাৰ লগে লগে এতিয়া শিৱসেনাৰ অন্য বহুকেইজন বিধায়কে আত্মগোপন কৰা বুলি প্ৰকাশ পাইছে। ইফালে চৰকাৰখনৰ অন্যতম অংশীদাৰ এন চি পি দলৰ মুৰব্বী শাৰদ পাৱাৰে কয় যে মহাৰাষ্ট্ৰ চৰকাৰ ভংগ কৰিব বাবে তৃতীয়বাৰলৈ পদক্ষেপ চলোৱা হৈছে। ইতিমধ্যে এন চি পি সকলো বিধায়কক তলব কৰিছে শাৰদ পাৱাৰে। তেওঁ লগতে কয় যে এই পৰিস্থিতি মোকাবিলা কৰিবলৈ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে সমৰ্থ হ'ব। একনাথক অপসাৰণৰ পিছত বিধায়ক অজয় চৌধুৰীক শিৱসেনাৰ বিধায়িনী দলৰ নেতা হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে কংগ্ৰেছ দলে জ্যেষ্ঠ নেতা কমল নাথক প্ৰেৰণ কৰিছে মহাৰাষ্ট্ৰলৈ। কোনো কাৰণত যাতে কংগ্ৰেছৰ বিধায়কসকল হতাশ নহয় আৰু তেওঁলোকে বিজেপিৰ প্ৰলোভনৰ জালত নপৰে, সেয়া নিশ্চিত কৰিবলৈ কোৱা হৈছে। প্ৰণিধানযোগ্য এয়ে যে মহাৰাষ্ট্ৰত বিধায়কৰ সংখ্যা হ'ল ২৮৮জন। চৰকাৰী পক্ষৰ মৰ্চাত আছে শিৱসেনাৰ ৫৫, এনচিপিৰ ৫৩, কংগ্ৰেছৰ ৪৪, বহুজন বিকাশ আঘাৰী দলৰ তিনি, সমাজবাদী পাৰ্টি-এআইএমআইএন আৰু প্ৰহৰ জনশক্তি পাৰ্টিৰ দুজনকৈ বিধায়ক আছে। ইয়াৰ উপৰিও এজনকৈ বিধায়ক আছে এমএনএছ, চিপিএম, পিডব্লিউপি, স্বাভামিনী পক্ষ, ৰাষ্ট্ৰীয় সমাজ পাৰ্টি, জনসূৰ্য শক্তি পাৰ্টি আৰু ক্ৰান্তিকাৰী চেকাৰী পক্ষ। নিৰ্দলীয় হিচাপে ১৩ জন আছে। ইয়াৰ বিপৰীতে বিৰোধী বিজেপিৰ ১০৬ জন নিৰ্বাচিত হৈছে। ইফালে আত্মগোপন কৰি থকা একনাথ সিন্ধে কয় যে তেওঁ বালাচাহেব থাকৰেৰ শিৱসৈনিক তথা ভক্ত। গতিকে শিৱসেনাৰ প্ৰতিষ্ঠাপক নেতাজনক ক্ষমতাৰ বাবে কেতিয়াও বিশ্বাসঘাটকতা কৰা নহয়। গতিকে সংবাদ মাধ্যমত চৰ্চিত হৈ থকাৰ মাজতে টুইটাৰৰ জৰিয়তে ব্যক্ত কৰিছে যে তেওঁ বিশ্বাসঘাটকতা নকৰে। এনেকৈয়ে মঙলবাৰৰ দিনটোত একনাথ সিন্ধে আৰু অন্য ২১ বিধায়কৰ অৱস্থিতিক লৈ মহাৰাষ্ট্ৰৰ ৰাজনৈতিক মহলত তীব্ৰ চাঞ্চল্য আৰু উৎকণ্ঠা বিৰাজ কৰা দেখা গৈছে।

# মালদ্বীপত যোগাসনৰ কাৰ্যসূচীৰ মাজতে ইছলামিক মৌলবাদীৰ আক্ৰমণ

## ৰাষ্ট্ৰপতি ইব্ৰাহিম মহম্মদ ছুলিৰ তদন্তৰ নিৰ্দেশ



**মালে, ২১ জুন ঃ** মালদ্বীপত অনুষ্ঠিত ভাৰতীয় দূতাবাসে মঙলবাৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰিছিল কাৰ্যসূচী। কিন্তু ৰাষ্ট্ৰখনত যোগ দিৱসৰ অনুষ্ঠানত মুছলমান মৌলবাদী সংগঠনে আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। স্থানীয় ক্ৰীড়া ষ্টেডিয়ামত ডেৰ শতাধিক লোকৰ উপস্থিতিত এই কাৰ্যসূচী ৰূপায়ন কৰা হৈছিল। চৰকাৰী বিষয়া-কৰ্মচাৰীৰ উপৰিও কূটনৈতিক বিষয়া, নিৰাপত্তাৰ সৈতে জড়িত ভাৰতীয় লোকসকলে এই দিৱসত অংশগ্ৰহণ কৰিছিল। কিন্তু স্থানীয় একাংশ মৌলবাদীয়ে ষ্টেডিয়ামত প্ৰৱেশ কৰি এফালৰ পৰা আক্ৰমণ কৰা বুলি প্ৰকাশ পাইছে। তেওঁলোকৰ অভিযোগ হ'ল এয়ে যে যোগা প্ৰণালী হ'ল ইছলাম ধৰ্মৰ পৰিপন্থী। ভাৰতত কেইবাকোটি মুছলমান লোকে বসবাস কৰে যদিও তেওঁলোকে যোগাসনৰ কাৰ্যসূচীত ভাগ নলয় বুলি প্ৰকাশ পাইছে। ভাৰতীয় উপ মহাদেশৰ অন্তৰ্গত ভাৰত মহাসাগৰৰ দ্বীপমালাৰ এটা দ্বীপ হ'ল এই মালদ্বীপ। এই দ্বীপ ৰাষ্ট্ৰখনত অৰ্ধ নিযুত লোকে বসবাস কৰে। তেওঁলোকৰ অধিক সংখ্যক ইছলাম ধৰ্মীয় লোক। অৱশ্যে স্থানীয় আৰক্ষী অধীক্ষক ফাথমাথ নাছোৱাই সংবাদ মাধ্যমৰ আগত কয় যে আক্ৰমণৰ ঘটনাত জড়িত ছয়জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। সমান্তৰালভাৱে ৰাষ্ট্ৰপতি ইব্ৰাহিম মহম্মদ ছুলিয়ে এই ঘটনাৰ নিন্দা কৰিছে আৰু আৰক্ষীৰ জৰিয়তে তদন্তৰ নিৰ্দেশ দিছে।

প্ৰতিৰক্ষা বাহিনীৰ অগ্নিপথ আঁচনি

# প্ৰতিবাদৰ সমান্তৰালভাৱে অব্যাহত প্ৰতিক্ৰিয়া

**নতুন দিল্লী, ২১ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে প্ৰতিৰক্ষা বাহিনীত নিযুক্তিৰ বাবে ঘোষণা কৰা অগ্নিপথ আঁচনিৰ প্ৰথমটো নিযুক্তি কাৰ্যকৰী কৰা হ'ব আগন্তুক বৰ্ষৰ জুলাই মাহত। ইফালে স্থলসেনাৰ লেঃ জেঃ অনিল পুৰীয়ে ব্যক্ত কৰিছে যে অগ্নিবীৰসকলক সেনাৰ দ্বাৰা সন্মানিত কৰা বিভিন্ন গেলেণ্টেৰী সন্মানৰ বাবেও বিবেচনা কৰিব। আনহাতে এয়াৰ মাৰ্চাল এছ কে ঝাই কয় যে বিভাগটোত আগন্তুক সময়ত সকলো নিযুক্তি অগ্নিবীৰ বায়ুৰ মাজৰ পৰা কাৰ্যকৰী কৰা হ'ব। প্ৰথম বছৰত দুই শতাংশ, পঞ্চম বছৰত ছহাজাৰ আৰু দশম বছৰৰ কমেও দহ হাজাৰ অগ্নিবীৰ বায়ু নিযুক্ত হ'ব। বৰ্তমান সেনাৰ নিযুক্তিত পুৰণি প্ৰক্ৰিয়া বন্ধ হৈ পৰিব বুলিও অনিল পুৰীয়ে ব্যক্ত কৰিছে। আনহাতে ছট্টিশগড়ৰ কংগ্ৰেছৰ মুখ্যমন্ত্ৰী ভূপেশ বাঘেলে এই নিযুক্তি প্ৰক্ৰিয়া দেশৰ বাবে অশুভ হ'ব বুলি সমালোচনা কৰিছে। কংগ্ৰেছৰ অন্যান্য নেতাসকলে এনেদৰে সমালোচনা কৰাৰ বিপৰীতে ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে কয় যে একাংশই সংঘাতৰ সূত্ৰপাত ঘটালেও অগ্নিপথ আঁচনি কাৰ্যকৰী হ'বই। অগ্নিবীৰসকলৰ ভৱিষ্যত সম্পূৰ্ণ নিৰাপদ আৰু এইক্ষেত্ৰত দুচিন্তাৰ কাৰণ নাই। দেশৰ প্ৰতিৰক্ষা বাহিনীত যুৱ প্ৰজন্ম আৰু সুপ্ৰশিক্ষিত জোৱানৰ আৱশ্যক হৈছে। অগ্নিপথৰ জৰিয়তে এই অভাৱ পূৰণ হ'ব। আনহাতে মঙলবাৰে চেন্নাইত টিপিডিকে নামৰ সংগঠনৰ কৰ্মকৰ্তাসকলে অগ্নিপথৰ বিৰোধিতাৰে প্ৰধানমন্ত্ৰী মোডীৰ প্ৰতিকৃতি দাহ কৰিছে। একেদৰে বিহাৰত হিংসাত্মক ঘটনাত জড়িত ৩০ জনক গ্ৰেপ্তাৰ কৰা হৈছে।



# বিহাৰৰ বাহুবলী বিধায়ক অনন্ত সিঙক দহ বছৰৰ কাৰাদণ্ড




**পাটনা, ২১ জুন ঃ** বিহাৰৰ বাহুবলী বিধায়ক তথা আৰজেডি দলৰ নেতা অনন্ত সিঙক পাটনা বিশেষ আদালতে দহ বছৰৰ কাৰাদণ্দ বিহিছে। মঙলবাৰে আদালতে এই নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য যে ২০১৯ বৰ্ষত বিধায়কজনৰ বাসগৃহৰ পৰা অবৈধভাৱে মজুত ৰখা এটা এ কে-৪৭ ৰাইফল, দুটা হেণ্ড গ্ৰেণেড, ২৬ জাই সজীৱ বুলি উদ্ধাৰ কৰিছিল আৰক্ষীয়ে। পিছত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। যোৱা ১৪ জুন তাৰিখে নিজৰ দোষ স্বীকাৰ কৰিছিল আদালতৰ মজিয়াত। বাসগৃহত ৰখীয়া হিচাপে থকা সুনীল ৰাম নামৰ ব্যক্তিজনকো দহ বছৰৰ কাৰাদণ্ড বিহা হৈছে। উল্লেখ্য যে পাটনাত অৱস্থিত এম পি-এমএলএ বিশেষ আদালতৰ ন্যায়াধীশ ত্ৰিলুকি ডুবে এই শাস্তি ঘোষণা কৰিছে। তেওঁ বৰ্তমান পাটনা জিলাৰ মুকামা বিধানসভা সমষ্টিৰ বিধায়ক হৈ আছে। বিধায়কজনৰ হৈ আদালতত যুক্তি প্ৰদৰ্শন কৰিছিল অধিবক্তা সুনীল সিঙে। অৱশ্যে বিশেষ আদালতৰ এই ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলি অধিবক্তা সুনীল সিঙে ঘোষণা কৰিছে।

কৃষি আইনৰ পাছত এইবাৰ অগ্নিপথ

# দেশজুৰি প্ৰতিবাদ গঢ়ি তুলিব সংযুক্ত কিষাণ মৰ্চাই

**নতুন দিল্লী, ২১ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে ২০২০ চনত প্ৰৱৰ্তন কৰা তিনি বিতৰ্কিত কৃষি আইন বাতিলৰ দাবীত দীৰ্ঘদিনীয়া আন্দোলনেৰে যোৱা বৰ্ষত তিনিওখন আইন বাতিল কৰিবলৈ চৰকাৰক বাধ্য কৰোৱা দেশৰ কৃষক সংস্থাসমূহৰ একত্ৰিত শক্তি সংযুক্ত কিষাণ মৰ্চাই (এছকেএম) এইবাৰ অগ্নিপথ বিৰোধী প্ৰতিবাদত যোগদান কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে। ইতিমধ্যে অগ্নিপথ বাতিলৰ দাবীত দেশজুৰি ব্যাপক প্ৰতিবাদ গঢ়ি তুলিছে সেনাত নিযুক্তি প্ৰত্যাশী দেশৰ যুৱক-যুৱতীসকলে। প্ৰতিবাদী এই যুৱ প্ৰজন্মলৈ সমৰ্থন আগবঢ়াই সংযুক্ত কিষাণ মৰ্চাই ২৪ জুনত দেশজুৰি আন্দোলনৰ আহ্বান জনাইছে। সোমবাৰে এই উদ্দেশ্যে হাৰিয়ানাৰ কৰ্ণালত এক বৈঠকত মিলিত হয় কৃষক সংগঠনটোৰ নেতাসকল। এছকেএমৰ অধীনৰ বিভিন্ন ইউনিয়নে সমগ্ৰ দেশতে বৈঠকৰ আয়োজন কৰিছিল আৰু সৰ্বসন্মতিক্ৰমে অগ্নিপথ আঁচনিৰ বিৰোধিতা কৰাৰ সিদ্ধান্ত লোৱা হয়। বৈঠকৰ পাছতে ভাৰতীয় কিষাণ ইউনিয়নৰ নেতা তথা কৃষি আইন বিৰোধী আন্দোলনৰ সফলতাৰ অন্যতম নায়ক ৰাকেশ টিকাইটে অগ্নিপথ আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা হ'ব বুলি জানিবলৈ দিয়ে। "এছকেএমে ২৪ জুনত সমগ্ৰ দেশৰ জিলা সদৰত অগ্নিপথ আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব। দেশৰ সকলো নাগৰিক আৰু যুৱক-যুৱতীসকলক আঁচনিখনৰ বিৰুদ্ধে প্ৰতিবাদত যোগদান কৰিবলৈ অনুৰোধ জনোৱা হৈছে।"- টিকাইটে কয়। ইতিপূৰ্বে টিকাইটে অগ্নিপথৰ বিৰোধিতা কৰি অগ্নিপথক কৃষক বিৰোধী



বুলি অভিহিত কৰিছিল। যোৱা ১৮ জুনত টিকাইটৰ নেতৃত্বত ভাৰতীয় কিষাণ ইউনিয়নে হৰিদ্বাৰত এক প্ৰতিবাদী কাৰ্যসূচীও গ্ৰহণ কৰিছে। কালিৰ বৈঠকৰ পিছতে ভাৰতীয় কিষাণ ইউনিয়নৰ (আছালী) সভাপতি চৌধুৰী হৰপাল সিঙে মোডী চৰকাৰে অগ্নিপথ আঁচনি ৰূপায়ণ কৰি কৃষক আৰু শ্ৰমিকৰ পুত্ৰসকলক আম্বানী আৰু আদানিসকলৰ দাস কৰিব বিচাৰিছে বুলি অভিযোগ কৰিছিল। এই আঁচনিয়ে দেশৰ সেনাৰ ভৱিষ্যতক অন্ধকাৰলৈ ঠেলি দিছে বুলিও তেওঁ মন্তব্য কৰিছিল। একেদৰে অখিল ভাৰতীয় কিষাণ সভাৰ (এআইকেএছ) সাধাৰণ সম্পাদক অতুল অঞ্জনে কৃষকসকলক প্ৰতাৰণা কৰাৰ পিছত মোডী চৰকাৰে এতিয়া দেশৰ যুৱক-যুৱতীসকলক প্ৰতাৰণা কৰাৰ ষড়যন্ত্ৰ কৰিছে বুলি অভিযোগ উত্থাপন কৰে। চৰকাৰে এই আঁচনিখন ঘূৰাই ল'ব লাগিব বুলি তেওঁ সজোৰে দাবী জনায়। যুৱপ্ৰজন্মৰ দেশজোৰা ব্যাপক প্ৰতিবাদৰ সময়তে সংযুক্ত কিষাণ মৰ্চাৰ এই সমৰ্থনে অগ্নিপথ বিৰোধী আন্দোলনটোক অন্য এক গতি দিব বুলি ধাৰণা কৰা হৈছে।

# পাকিস্তানত পাঁচ বছৰে বন্দী হৈ থকা ২০ ভাৰতীয় মাছমৰীয়াক মুকলি

**নতুন দিল্লী, ২১ জুন ঃ** ভাৰত-পাকিস্তানৰ মাজত ধাৰাবাহিকভাৱে চলি অহা ৰাজনৈতিক শত্ৰুতাৰ মাজতো সদিচ্ছাৰ অঙ্গীকাৰ কৰি পাকিস্তান চৰকাৰে দেশখনত বন্দী হৈ থকা ২০ গৰাকী ভাৰতীয় মাছমৰীয়াক মুকলি কৰি দিছে। সোমবাৰে সন্ধিয়া সদ্য মুক্তিপ্ৰাপ্ত মাছমৰীয়া কেইজন ৱাঘা সীমান্ত পাৰ হৈ স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰে। গুজৰাট উপকূলৰ এই মাছমৰীয়া সকল পাকিস্তানৰ জলসীমাত অবৈধভাৱে মাছ ধৰাৰ অভিযোগত যোৱা পাঁচ বছৰ ধৰি কৰাচীৰ লেণ্ডি অঞ্চলৰ মালিৰ জিলা কাৰাগাৰত বন্দী হৈ আছিল। পাকিস্তানৰ বৈদেশিক কাৰ্যালয়ে এক বিবৃতিত কয় যে এই মাছমৰীয়াসকলক ৱাঘা সীমান্তৰে ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰা হৈছে। মুক্তি প্ৰাপ্ত মাছমৰীয়াসকলে ইতিমধ্যে তেওঁলোকৰ শাস্তি সম্পূৰ্ণ কৰিছে বুলি বিবৃতিটোত লগতে উল্লেখ কৰা হৈছে। 'বন্দীসকলৰ সমস্যাৰ মানৱীয় প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰেও একে স্থিতিৰ প্ৰতিদান দিব বুলি পাকিস্তান চৰকাৰে আশা কৰিছে।''— বিবৃতিটোত এইদৰে কোৱা হৈছে। পাকিস্তানৰ এগৰাকী ৰেঞ্জাৰ বিষয়াই জানিবলৈ দিয়া অনুসৰি দেওবাৰে সিন্ধু প্ৰদেশৰ মালিৰৰ জিলা কাৰাগাৰৰ পৰা মুকলি কৰা ২০ জন ভাৰতীয় মাছমৰীয়াক এখন বিশেষ বাছেৰে লাহোৰলৈ অনা হয় আৰু সোমবাৰে ৱাঘা সীমান্তত তেওঁলোকক খাদ্য, নতুন কাপোৰ আৰু ৫০০০ পাকিস্তানী টকা প্ৰদান কৰা হৈছিল। সকলো চৰকাৰী নীতি নিয়ম সম্পাদন কৰাৰ পিছত তেওঁলোকক ভাৰতৰ সীমান্ত সুৰক্ষা বাহিনীৰ (বিএছএফ) হাতত গতাই দিয়া হয় বুলি তেওঁ লগতে সংবাদ মাধ্যমৰ আগত সদৰি কৰে। উল্লেখ্য যে পাকিস্তান আৰু ভাৰতৰ মাজত সামুদ্ৰিক সীমা উলংঘা কৰাৰ বাবে নিয়মীয়াকৈ দেশ দুখনৰ মাছমৰীয়াসকলক গ্ৰেপ্তাৰ কৰা হয়। এই লৈ দেশ দুখ দুখনৰ মাজত প্ৰায়ে বিবাদৰো সৃষ্টি হৈছে।



ইউক্ৰেইন সংকটৰ ফল

# চীনৰ বৃহৎ তেল সৰবৰাহকাৰী হ'লগৈ ৰাছিয়া

**নতুন দিল্লী, ২১ জুন ঃ** ইউক্ৰেইন সংকটৰ পিছত ৰাছিয়াৰ ওপৰত পশ্চিমীয়া নিষেধাজ্ঞাৰ ফলত বিশ্বব্যাপী বাণিজ্য পথত পৰিৱৰ্তন আহিছে। বিশ্বত ৰাছিয়াৰ তেলৰ বজাৰ হ্ৰাস পাইছে যদিও চীনত সম্প্ৰসাৰিত হৈছে তেলৰ বজাৰ। আন্তৰ্জাতিক সংবাদমাধ্যমৰ বাতৰি অনুসৰি ২৪ ফেব্ৰুৱাৰীৰ পৰা এতিয়ালৈকে ৰাছিয়া চীনৰ সৰ্ববৃহৎ তেল সৰবৰাহকাৰীত পৰিণত হৈছে। চীনে চলিত বছৰৰ আৰম্ভণিতকৈ মে' মাহত ৰাছিয়াৰ পৰা ৫৫ শতাংশ অধিক তেল আমদানি কৰিছে। পূৰ্বে চৌদি আৰৱ চীনৰ মুখ্য তেল যোগানকাৰী আছিল। চীনে কৰ'না সংকটৰ সৈতে মোকাবিলা কৰিবলৈ তেলৰ বাবে ৰাছিয়াৰ পিনে মুখ কৰাৰ বিপৰীতে ৰাছিয়াইও অৰ্থনীতি ধৰি ৰাখিবলৈ চীনত তেলৰ বজাৰ সম্প্ৰসাৰিত কৰে। উল্লেখ্য যে যোৱা ফেব্ৰুৱাৰী মাহত চীন আৰু ৰাছিয়াই ঘোষণা কৰিছিল যে তেওঁলোকে তেওঁলোকৰ বন্ধুত্ব আৰু শক্তিশালী কৰি তুলিব।

# ডিমাকুছিত চলি থকা ১৭ বছৰ অনুৰ্ধ্ব মহিলা ৰাষ্ট্ৰীয় হিৰো ফুটবল চেম্পিয়ণশ্বিপত অসমৰ বৃহৎ জয়লাভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ২১ জুন ঃ** ভাৰতীয় ফুটবল ফেডাৰেচনৰ উদ্যোগত আৰু অসম ফুটবল সন্থা আৰু ভেৰগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগত অনুষ্ঠিত হিৰো জুনিয়ৰ ১৭ বছৰ অনুৰ্ধ্ব মহিলা ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়ণশ্বিপৰ আজি অনুষ্ঠিত অসম আৰু পুডুচেৰীৰ মাজৰ খেলত অসম দলে বৃহৎ জয়লাভ কৰিছে । অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শুভ উদ্বোধন কৰা খেলত অসম দলে পুডুচেৰী দলক ৭-১ গ'লত পৰাস্ত কৰি বৃহৎ জয়লাভ কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠিত আন এখন খেলত হাৰিয়ানা দলে ৰাজস্থান দলক ৫-১ গ'লৰ ব্যৱধানত হৰুৱাই পৰবৰ্তী ঘূৰণত অগ্ৰগতি লাভ কৰিছে।

# ইংলেণ্ডত ভাৰতীয় দলত যোগ দিলে প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে

**লণ্ডন, ২১ জুন ঃ** ভাৰতীয় ক্ৰিকেট দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে আজি ইংলণ্ডত অনুশীলন কৰি থকা টেষ্ট দলত যোগ দিছে। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। ইতিমধ্যে ভাৰতীয় দলে নিজৰ অনুশীলন আৰম্ভ কৰিছে। অনুশীলনত অংশ লৈছে বিৰাট কোহলি, চেতেশ্বৰ পূজাৰা, ৰবীন্দ্ৰ জাডেজা, যশপ্ৰীত বুমৰাহ আদিয়ে। উল্লেখ্য যে বি চি চি আয়ে এই টেষ্টখনৰ বাবে ভাৰতীয় দলটো পূৰ্বেই ঘোষণা কৰিছে। ৰোহিত শৰ্মাৰ নেতৃত্বত ঘোষিত ভাৰতীয় দলটো হ'ল ঃ লোকেছ ৰাহুল, শুভমন গিল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, চেতেশ্বৰ পূজাৰা, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীন্দ্ৰ জাডেজা, ৰবীচন্দ্ৰন অশ্বিন, শ্বাৰ্দুল ঠাকুৰ, মহম্মদ ছামি, যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ, উমেশ যাদব আৰু প্ৰষিদ্ধ কৃষ্ণা। উল্লেখ্য ইংলণ্ড ভ্ৰমণত ভাৰতীয় ক্ৰিকেট দলে টেষ্ট মেচখন খেলাৰ পাছত তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাও খেলিব। ইতিমধ্যে ইংলণ্ড ক্ৰিকেট ব'ৰ্ডে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাৰ সূচীও ঘোষণা কৰিছে। সেই অনুসৰি অহা সাত, ন আৰু ১০ জুলাইত টি-২০ মেচ তিনিখন অনুষ্ঠিত হ'ব। আনহাতে ১২, ১৪ আৰু ১৭ জুলাইত তিনিখন এদিনীয়া মেচ খেলিব ভাৰত আৰু ইংলণ্ডে। ইফালে, টেষ্টখনৰ পূৰ্বে অহা ২৪-২৭ জুনত টীম ইণ্ডিয়াই এখন অনুশীলন মেচত অংশ ল'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ভাৰতীয় দলে ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা।

# ইংলেণ্ডৰ বিৰুদ্ধেও টি-২০ শৃংখলাত ভাৰতক নেতৃত্ব দিব হাৰ্দিকে



**মুম্বাই, ২১ জুন ঃ** আসন্ন আয়াৰলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় দলটো ইতিমধ্যে ঘোষণা কৰিছে বি চি চি আয়ে। এতিয়া এই দলটোৱেই ইংলণ্ডৰ বিৰুদ্ধেও তিনিখন টি-২০ মেচৰ শৃংখলাটোত অংশ লোৱাৰ সম্ভাৱনা আছে। বি চি চি আইৰ সূত্ৰত এই কথা প্ৰকাশ। উল্লেখ্য যে আয়াৰলেণ্ড ভ্ৰমণত টীম ইণ্ডিয়াই ঘৰুৱা দলটোৰ বিৰুদ্ধে ২৬ আৰু ২৮ জুনত ডাবলিনত দুখন টি-২০ মেচত অংশ ল'ব। আনহাতে, অহা সাত, ন আৰু ১০ জুলাইত ইংলণ্ড আৰু ভাৰতৰ মাজত টি-২০ মেচৰ শৃংখলা অনুষ্ঠিত হ'ব। ইংলণ্ড আৰু ভাৰতৰ মাজত অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব টেষ্ট মেচখন। আনহাতে, ১২, ১৪ আৰু ১৭ জুলাইত তিনিখন এদিনীয়া মেচ খেলিব ভাৰত আৰু ইংলণ্ডে। সেয়ে মূল দলটোক জিৰণি দিয়াৰ লক্ষ্যৰে যুৱ দলটোকে টি-২০ শৃংখলাত সুযোগ দিয়াৰ কথা চিন্তা কৰিছে বি চি চি আয়ে। উল্লেখ্য যে টীম ইণ্ডিয়াক আয়াৰলেণ্ড ভ্ৰমণত নেতৃত্ব দিব তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই। আনহাতে ঘোষিত দলটোত ভাৰতীয় দলৰ সহ-অধিনায়ক হিচাপে বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰক নিৰ্বাচিত কৰা হৈছে। কিন্তু দক্ষিণ আফ্ৰিকা শৃংখলাত ভাৰতীয় দলৰ নেতৃত্বত থকা উইকেটকীপাৰ বেটাৰ ঋষভ পণ্টক আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত স্থান দিয়া হোৱা নাই। কাৰণ পণ্ট এই সময়ছোৱাত ইংলেণ্ডৰ বিৰুদ্ধে টেষ্টৰ বাবে ভাৰতীয় দলৰ অংশ হিচাপে থাকিব। পণ্টৰ লগতে লোকেশ ৰাহুল আৰু শ্ৰেয়াছ আয়াৰকো ইংলেণ্ড ভ্ৰমণৰত ভাৰতীয় দলত স্থান দিয়াৰ বাবে আয়াৰলেণ্ডৰ বিৰুদ্ধে শৃংখলাত উপলব্ধ নহ'ব। কিন্তু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাত প্ৰথমবাৰৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰা পেচাৰদ্বয় উমৰান মালিক আৰু অৰ্শদ্বীপ সিঙক আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত ৰখা হৈছে। আনহাতে উইকেটৰক্ষক বেটাৰ দিনেশ কাৰ্তিককো আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত পুনৰ অন্তৰ্ভুক্ত কৰা হৈছে। ঘোষিত ভাৰতীয় দলটো ঃ হাৰ্দিক পাণ্ডিয়া, ভুৱনেশ্বৰ কুমাৰ, ঈশান কিষণ, ৰিতুৰাজ গায়কোৱাড, সঞ্জু চেমছন, সূৰ্যকুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, দীপক হুডা, ৰাহুল ত্ৰিপাঠী, দিনেশ কাৰ্তিক, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ৰবি বিষ্ণয়, হৰ্ষল পেটেল, আভেশ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।

## সৌৰভ গাংগুলীৰ আস্থা লাভ ভি ভি এছ লক্ষ্মণৰ

# টীম ইণ্ডিয়াৰ আয়াৰলেণ্ড ভ্ৰমণত প্ৰশিক্ষকৰ দায়িত্বত ভি ভি এছ

**নতুন দিল্লী, ২১ জুন ঃ** টীম ইণ্ডিয়াৰ আসন্ন আয়াৰলেণ্ড ভ্ৰমণত ৰাহুল দ্ৰাৱিড়ৰ পৰিৱৰ্তে ভাৰতীয় দলৰ প্ৰশিক্ষকৰ ভূমিকাত দেখিবলৈ পোৱা যাব ভি ভি এছ লক্ষ্মনক। উল্লেখ্য যে ভাৰতৰ টেষ্ট দলৰ সৈতে নিয়মীয়া প্ৰশিক্ষক ৰাহুল দ্ৰাবিড় ইংলেণ্ড ভ্ৰমণত ব্যস্ত থাকিব বাবে লক্ষ্মনক টি-২০ শৃংখলাটোত প্ৰশিক্ষকৰ দায়িত্ব দিয়া হৈছে। অহা এক জুলাইৰ পৰা আৰম্ভ হ'ব ভাৰতৰ ইংলেণ্ড ভ্ৰমণ। এই সময়ছোৱাতে আয়াৰলেণ্ডৰ বিৰুদ্ধে আৰম্ভ হ'ব টি-২০ শৃংখলাও। সেয়েহে একে সময়তে দুয়োটা দলক নেতৃত্ব দিয়াটো দ্ৰাবিড়ৰ পক্ষে সম্ভৱপৰ নহ'ব। সেইবাবেই ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীৰ মুৰব্বী ভি ভি এছ লক্ষ্মনৰ প্ৰশিক্ষণত ভাৰতে আয়াৰলেণ্ডলৈ প্ৰেৰণ কৰিব টি-২০ৰ দল। লক্ষ্মনৰ লগতে সীতাংশু কোটাক, চৈৰাজ বাহুতুলে আৰু মুনিষ বালিকো কোচিং ষ্টাফৰ অংশ হিচাপে প্ৰেৰণ কৰা হ'ব আয়াৰলেণ্ডলৈ। সীতাংশু কোটাকে ভাৰতীয় দলটোৰ বেটিং প্ৰশিক্ষক হিচাপে থাকিব। ইফালে, ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপৰ সময়ত বালি আৰু বাহুতুলেও ভাৰতীয় দলৰ অংশ আছিল। সেয়ে আয়াৰলেণ্ড ভ্ৰমণত তেওঁলোক ক্ৰমে ফিল্ডিং আৰু বলিং বিভাগৰ প্ৰশিক্ষক হিচাপে জড়িত থাকিব। স্বাভাৱিকতে আয়াৰলেণ্ড ভ্ৰমণ ভি ভি এছ লক্ষ্মনৰ বাবে নতুন অভিজ্ঞতা হ'ব। বি চি চি আইৰ সভাপতি সৌৰভ গাংগুলীয়ে আস্থা ৰাখিছে ভি ভি এছৰ ওপৰত। ইফালে, আসন্ন আয়াৰলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰিছে বি চি চি আয়ে। উল্লেখ্য যে টীম ইণ্ডিয়াক আয়াৰলেণ্ড ভ্ৰমণত নেতৃত্ব দিব তাৰকা অলৰাউণ্ডাৰ হাৰ্ডিক পাণ্ডিয়াই। আনহাতে ঘোষিত দলটোত ভাৰতীয় দলৰ সহ-অধিনায়ক হিচাপে বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰক নিৰ্বাচিত কৰা হৈছে। পেচাৰদ্বয় উমৰান মালিক আৰু অৰ্শদ্বীপ সিঙকো আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত ৰখা হৈছে। আনহাতে উইকেটৰক্ষক বেটাৰ দিনেশ কাৰ্তিককো আয়াৰলেণ্ড ভ্ৰমণৰ বাবে



দলত পুনৰ অন্তৰ্ভুক্ত কৰা হৈছে। ঘোষিত ভাৰতীয় দলটো ঃ হাৰ্দিক পাণ্ডিয়া, ভুৱনেশ্বৰ কুমাৰ, ঈশান কিষণ, ৰিতুৰাজ গায়কোৱাড, সঞ্জু চেমছন, সূৰ্যকুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, দীপক হুডা, ৰাহুল ত্ৰিপাঠী, দিনেশ কাৰ্তিক, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ৰবি বিষ্ণয়, হৰ্ষল পেটেল, আভেশ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।

# কৰ'নাৰ বাবে ইংলণ্ড ভ্ৰমণ বাতিল হ'ল অশ্বিনৰ

**লণ্ডন, ২১ জুন ঃ** ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা টেষ্টখনৰ বাবে ইতিমধ্যে ভাৰতীয় দলে নিজৰ অনুশীলন আৰম্ভ কৰিছে। কিন্তু এই প্ৰয্যন্ত ইংলণ্ডত উপস্থিত হোৱা নাই অভিজ্ঞ স্পীনাৰ ৰবীচন্দ্ৰন অশ্বিন। উল্লেখ্য যে ভাৰতীয় দল যোৱা ১৬ জুনতে উপস্থিত হয় লণ্ডনত। কিন্তু বিমানত উঠাৰ পূৰ্বে হোৱা কৰ'না পৰীক্ষাত অশ্বিন ব্যৰ্থ হয়। ভাৰতীয় ক্ৰিকেট দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে আজি ইংলণ্ডত অনুশীলন কৰি থকা টেষ্ট দলত যোগ দিছে। তেওঁৰ লগতে গৈছে দক্ষিণ আফ্ৰিকা বিৰুদ্ধে খেলা পাঁচখনীয়া টি-২০ শৃংখলাত ভাৰতীয় দলক নেতৃত্ব দিয়া উইকেটকীপাৰ বেটাৰ ঋষভ পণ্ট আৰু শ্ৰেয়াছ আয়াৰ। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ভাৰতীয় দলে ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা। ইফালে, টেষ্টখনৰ পূৰ্বে অহা ২৪-২৭ জুনত টীম ইণ্ডিয়াই এখন অনুশীলন মেচত অংশ ল'ব।


**MISSING INFORMATION**



The above is photograph of Smt. Jofa Boro (40 Yrs), W/O. Sri Lakhi Boro, Vill- Umananda, PS -Khairabari, Dist.-Udalguri who has been missing since- 05/06/2022 on the way to Goreswar Markat from her home.

This refers to Khoirabari PS GDE No-161 Dtd; 09/06/2022 and this office Man Missing Register Entry No.55, Dtd. 16/06/2022

**Descriptive Roll of the Missing Person :**

| | | |
|---|---|---|
| 1. Complexion | - | Swarthy |
| 2. Age | - | 40 Years |
| 3. Height | - | 5 Feet |
| 4. Built | - | Medium |
| 5. L/Known | - | Boro |
| 6.W/apparel | - | Yellow colour Dakhana |

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 8134852559/9859427622 (Cell phone).

/
**Superintendent of Police,**
**Udalguri, Assam**

Janasanyog/D/6073/22


# অৰুণাচল, কৰ্ণাটকৰ জয়, ড্ৰ খেলিলে মিজোৰাম-ছট্টিশগড়, গোৱা-হিমাচলে

**গুৱাহাটী, ২১ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ খেল আজিৰে পৰা সৰুসজাই ষ্টেডিয়ামতো আৰম্ভ হৈছে। আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'ডি'ৰ খেলত অৰুণাচলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছিকিমক। এই গ্ৰুপৰে আন এখন মেচত গোৱা আৰু হিমাচলে গ'লশূন্য ড্ৰ খেলে। ইফালে, সৰুসজাই ষ্টেডিয়ামতে আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'বি'ৰ খেলত কৰ্ণাটকে একমাত্ৰ গ'লত উত্তৰ প্ৰদেশক পৰাস্ত কৰাৰ বিপৰীতে এই গ্ৰুপৰে আন এখন মেচত মিজোৰাম আৰু চত্তিছগড়ে ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ 'এ' ত আছে মণিপুৰ, উত্তৰাখণ্ড, ঝাৰখণ্ড আৰু অন্ধ্ৰপ্ৰদেশ । গ্ৰুপ 'বি' ত স্থান লাভ কৰিছে মিজোৰাম, উত্তৰ প্ৰদেশ, চত্তিছগড় আৰু কৰ্ণাটক । গ্ৰুপ 'চি' ত আছে তেলেংগনা, বিহাৰ, মেঘালয়, দিল্লী আৰু মধ্য প্ৰদেশ । গ্ৰুপ 'ডি' ত আছে অৰুণাচল প্ৰদেশ , হিমাচল প্ৰদেশ, ছিকিম আৰু গোৱা । গ্ৰুপ 'ই' ত নগালেণ্ড, লাডাখ, পঞ্জাৱ আৰু কেৰালা । গ্ৰুপ 'এফ' ত আছে ত্ৰিপুৰা, উৰিষ্যা, মহাৰাষ্ট্ৰ, দাদৰা আৰু নগৰ হাভেলি। গ্ৰুপ 'জি' ৰ দলসমূহ হ'ল অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । আনহাতে, গ্ৰুপ 'এইচ' ত স্থান লাভ কৰিছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজস্থান। গ্ৰুপৰ চেম্পিয়ন দলটো যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হৈছে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।

# কাকজানত প্ৰয়াত শিক্ষাবিদ ত্ৰিবেদানন্দ দত্ত-ইন্দ্ৰ বৰদলৈ সোঁৱৰণী ফুটবল প্ৰতিযোগিতা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কাকজান, ২১ জুন ঃ** ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত কাকজান খেলপথাৰত চলি থকা প্ৰয়াত শিক্ষাবিদ তথা ক্ৰীড়া সংগঠক ত্ৰিবেদানন্দ দত্ত আৰু ইন্দ্ৰ বৰদলৈ সোঁৱৰণী পঞ্চম বাৰ্ষিক ফুটবল প্ৰতিযোগিতাৰ দেওবাৰে ফাইনেল খেলত ১৩ বছৰ অনুধ্বৰ লৰাৰ শাখাত কাকজান কচিং চেন্টাৰক গোলাঘাট কচিং চেন্টাৰে টাইব্ৰেকাৰত ৫-৩ গলত পৰাস্ত কৰি চুড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। অন্যহাতে ১৯ বছৰ অনুধ্বৰ খেলত গোলাঘাট কচিং চেন্টাৰক নুমলীগড় কচিং চেন্টাৰে টাইব্ৰেকাৰত ৪-২গলত আৰু মহিলাৰ শাখাত কাকজান কচিং চেন্টাৰে মৰিয়নিৰ বাহনি চাহ বাগিচাৰ ফুটবল দলক টাইব্ৰেকাৰত ৫-৪ গলত পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। সাংবাদিক মানৱজ্যোতি বৰদলৈয়ে আত ধৰা ফাইনেল খেলৰ বটা বিতৰনী সভাত ট্ৰফী আৰু প্ৰাইজমানী সমূহ বিতৰন কৰে ক্ৰীড়া সংগঠক বলীন বৰুৱা, ভাস্কৰ ভূঞা, ড° অনন্ত তামুলী, ৰূপক ৰঞ্জন শইকীয়া, দেৱজিৎ বৰা, হৃদয়ানন্দ দত্ত, বীৰেণ বৰা, বিকাশ সন্দিকৈয়ে।


# ত্ৰিবেদানন্দ দত্ত-ইন্দ্ৰ বৰদলৈ ফুটবলৰ সামৰণি

**গুৱাহাটী, ২১ জুন ঃ** ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত কাকজান খেলপথাৰত চলি থকা প্ৰয়াত শিক্ষাবিদ তথা ক্ৰীড়া সংগঠক ত্ৰিবেদানন্দ দত্ত আৰু ইন্দ্ৰ বৰদলৈ সোঁৱৰণী পঞ্চম বাৰ্ষিক ফুটবল প্ৰতিযোগিতাৰ দেওবাৰে ফাইনেল খেলত ১৩ বছৰ অনুৰ্ধ্বৰ ল'ৰাৰ শাখাত কাকজান কচিং চেন্টাৰক গোলাঘাট কচিং চেন্টাৰে টাইব্ৰেকাৰত ৫-৩ গলত পৰাস্ত কৰি চুড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে । অন্যহাতে ১৯ বছৰ অনুৰ্ধ্বৰ খেলত গোলাঘাট কচিং চেন্টাৰক নুমলীগড় কচিং চেন্টাৰে টাইব্ৰেকাৰত ৪-২ গলত আৰু মহিলাৰ শাখাত কাকজান কচিং চেন্টাৰে মৰিয়নিৰ বাহনি চাহ বাগিচাৰ ফুটবল দলক টাইব্ৰেকাৰত ৫-৪ গলত পৰাস্ত কৰি বিজয়ীৰ সন্মান লাভ কৰে । সাংবাদিক মানৱজ্যোতি বৰদলৈয়ে আত ধৰা ফাইনেল খেলৰ বটা বিতৰনী সভাত ট্ৰফী আৰু প্ৰাইজমানী সমূহ বিতৰন কৰে ক্ৰীড়া সংগঠক বলীন বৰুৱা ,ভাস্কৰ ভূঞা, ড০ অনন্ত তামুলী, ৰূপক ৰঞ্জন শইকীয়া,দেৱজিৎ বৰা,হৃদয়ানন্দ দত্ত ,বীৰেণ বৰা,বিকাশ সন্দিকৈয়ে ।


# জুনিয়ৰ মহিলা ফুটবলত বৃহৎ জয়ৰে অসমৰ আৰম্ভণি

**গুৱাহাটী, ২১ জুন ঃ** অসমে চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত বৃহৎ জয়ৰে নিজৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'জি'ৰ প্ৰথম খেলখনত অসমে ৬-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে প্ৰতিদ্বন্দ্বী পুডুচেৰীক। অসমৰ হৈ হেট্ৰিকসহ চাৰিটা গ'ল কৰে অঞ্জুলী বন্মাই (৩৪, ৪৫, ৬৮, ৮৩ মিনিট)। আনহাতে, দুটা গ'ল দিয়ে সোণম দত্তই (৩৩, ৫৭ মিনিট)। মেচৰ শ্ৰেষ্ঠ হয় অঞ্জুলী। উল্লেখ্য যে গ্ৰুপ 'জি' ত আয়োজক অসমৰ লগতে আছে হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট। অহা ২৩ জুনত গুজৰাটৰ বিৰুদ্ধে অসমে দ্বিতীয়খন মেচ খেলিব। আনহাতে, ২৫ জুনত অসমে খেলিব হাৰিয়ানাৰ বিৰুদ্ধে। আজি হোৱা গ্ৰুপ 'জি'ৰ আন এখন খেলত হাৰিয়ানাই ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে গুজৰাটক। হাৰিয়ানৰ হৈ তিনিটা গ'ল দি হেট্ৰিক অৰ্জন কৰে কল্পনাই। তেওঁ মেচৰ শ্ৰেষ্ঠ হয়। প্ৰতিযোগিতাত অসম দলটোক নেতৃত্ব দিছে তুষামণি গগৈয়ে। আনহাতে, দলৰ সহঃঅধিনায়কৰ দায়িত্বত আছে মৌচুমী ব্ৰহ্ম । দলটোৰ অন্য খেলুৱৈ হল ঃ মম্পী সোণোৱাল, ৰেশ্মী ৰয়, সোণম ডালমা লামা, পূৰ্ণিমা ৰেগন, চয়নিকা সোণোৱাল, কে জুলি চংলয়, ৰেমালী বড়ো, ৰাজশ্ৰী সোণোৱাল, উদাংশ্ৰী নাৰ্জাৰী, চুমি দাস, হেৰিনা বসুমতাৰী, অঞ্জুলী বন্মা, মাইনু বসুমতাৰী, সোণম দত্ত, জানমণি পাংগিং, অংকিতা মেচ, মীনা কাছাৰী আৰু সবিতা ৰাভা । অসমৰ মহিলা দলটোৰ মুখ্য প্ৰশিক্ষক লোচন শইকীয়া । মেনেজাৰ আৰু সহঃমেনেজাৰৰ দায়িত্বত আছে ফিলাচেম বড়ো আৰু ৰয়েল বসুমতাৰী।

# গোৱাত সফলতা লাভ কৰা ফুটবল খেলুৱৈক সম্বৰ্ধনা আছাৰ

**গুৱাহাটী, ২১ জুন ঃ** ধুবুৰী জিলাৰ চাপৰ চাহ বাগিচা অঞ্চলৰ তিনি খেলুৱৈ ক্ৰমে আনন্দ ডেমতা, ডেভিদ লোহাৰ আৰু বাচিল কংগাডিয়ে মাজবাটৰ আনচুলাই একাডেমীৰ পৰা গোৱাত ১৫ বছৰ অনুৰ্ধ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি চাপৰলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উক্ত প্ৰতিযোগিতাত এই খেলুৱৈ তিনিগৰাকীয়ে অংশগ্ৰহণ কৰা দলটোৱে ৰানাৰ্চ আপৰ সন্মান লাভ কৰে। তিনি ফুটবল খেলুৱৈ ক্ৰমে আনন্দ ডেমতা, ডেভিদ লোহাৰ আৰু বাচিল কংগাডি চাপৰ চাহ বাগিচাত উপস্থিত হোৱাৰ লগে লগে চাপৰ চাহ বাগিচাস্থিত বিৰচা মুণ্ডা ষ্টেডিয়ামত স্থানীয় ৰাইজ তথা আছা-ৰ নেতা-কৰ্মীসকলে আদিবাসী ৰীতি-নীতিৰে উদীয়মান ফুটবল খেলুৱৈ তিনিগৰাকীক উষ্ম আদৰণি জনাই তেওঁলোকৰ উৎজ্বল ভৱিষ্যত কামনা কৰে।

# ক্ৰ'ৱেছিয়াৰ বিশ্ব কাৰাটেৰ ভাৰতীয় দলত অসমৰ সুৰজ কোঁৱৰ

**গুৱাহাটী, ২১ জুন ঃ** অহা ২৭ জুনৰ পৰা তিনি জুলাইলৈ ক্ৰ'ৱেছিয়াত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত ভাৰতীয় দলৰ হৈ স্থান লাভ কৰিছে তিনিচুকীয়া জিলা ডিগবৈৰ প্ৰতিভাৱান যুৱ খেলুৱৈ সুৰজ কোঁৱৰে । সুৰজ ডিগবৈ পাণবাৰী গাওঁৰ নিবাসী সুৰজ বিশ্ব কোঁৱৰ আৰু পদুমী কোঁৱৰৰ পুত্ৰ তথা ডিগবৈৰ বিবেকানন্দ একাডেমি দশম শ্ৰেণীৰ ছাত্ৰ। উল্লেখ্য যে ক্ৰ'ৱেছিয়াত অনুষ্ঠিত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত বিশ্বৰ ১৩০ খন ৰাষ্ট্ৰৰ প্ৰায় ১০ হেজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। কিন্তু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিব পৰাকৈ সুৰজৰ পৰিয়ালবৰ্গ আৰ্থিকভাৱে টনকিয়াল নহয় । প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিবলৈ প্ৰায় তিনি লাখ টকাৰ প্ৰয়োজন । আৰ্থিকভাৱে দুৰ্বল সুৰজে প্ৰয়োজনীয় ধনৰ অভাৱত আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিবলৈ মনত প্ৰবল হেঁপাহ পুহি ৰাখিছে যদিও বৰ্তমান পৰ্যন্ত হাতত প্ৰয়োজনীয় ধনৰ অভাৱৰ বাবে হতাশাত ভুগিব লগাত পৰিছে।


No. Kamrup/PMKSY 2.0/Appointmcnt/2022-23/65

**WALK-IN-INTERVIEW**
**FOR ENGAGEMENT OF CONTRACTUAL STAFF**

Applications are invited in a Standard Form of application for engagement on contractual basis for the following post under Watershed Development Component of Pradhan Mantri Krishi Sinchayee Yojana 2.0.

| SI. No. | Name of Post | No. of Post | Age limit | Qualification | Experience | Remuneration Per month (in Rs.) |
|---|---|---|---|---|---|---|
| 1. | WDT Member (Technical), Contractual | 1 No | 25-40 years as on 01-01-2022 | Diploma in Civil Engineering from a recognized University. Minimum 3 (three) months Diploma/ Certificate in Computer Application with **Auto CAD** Software from recognized Institute. | Minimum 5 (five) years experience in the relevant field with working knowledge of Field Survey and preparation of Plan & Estimates and Design. Candidates working in similar capacity in Govt./Semi Govt. Office/ Department/ Organization or PSUs will be given preference. | 15,000/- |

Venue : Office of the Divisional Officer, South Bank Soil Conservation Division, Bhumi Sangrakshan Bhawan, R.G. Baruah Road, Guwahati-781005, Kamrup Metro District.
Date : 08-07-2022
Reporting Time : 9:30 AM

**Terms and Conditions:**

1. Interested candidates may appear before the Selection Committee with all original documents, all relevant testimonials (self attested copies of Age Proof Certificate, Pass Certificate, Mark Sheets, Experience Certificates, two copies of recent passport size photographs etc.) including one filled up standard form of application on the date of Interview.
2. Selected candidate in the Walk-in-Interview will be made through email/Contact Number.
3. No TA/DA shall be paid to the candidates for attending the interview.
4. At any stage of recruitment, if it is found that the candidate does not fulfill the eligibility criteria and/ or that he/she has furnished incorrect/ false information/ certificates/ documents, his/ her candidature/ appointment will stand cancelled and necessary legal action will be initiated.
5. The decision of the Selection Committee in any matter related to the recruitment at any stage of the recruitment process will be final and binding upon the candidates.
6. The Selection Committee may prepare waiting list of suitable candidates, which would remain valid for 6 months from the date of declaration of result.
7. The engagement is purely contractual and coterminous with the end of the programme with no provision of regularization.
8. Initially the engagement will be made for 11 (eleven) months which may be extended subject to the satisfactory performance.
9. The candidates selected for engagement shall have to sign an Agreement with The Project Manager, WCDC, Kamrup, WDC-PMKSY 2.0 & Divisional Officer, South Bank Soil Conservation Division, Guwahati-5.

Sd/-
Project Manager
WCDC, Kamrup, WDC-PMKSY 2.0
&
Divisional Officer
South Bank Soil Conservation Division
Guwahati

Janasanyog/D/6107/22


## অসমলৈ আকৌ গৌৰৱ কঢ়িয়াই আনিলে দীপামনি ডেকাই

# ৫ হাজাৰ মিটাৰ ৰাষ্ট্ৰীয় দৌৰত সোণৰ পদক অৰ্জন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ২১ জুন ঃ**সৰ্ব ভাৰতীয় পৰ্যায়ত গুজৰাটৰ বদোদ্ৰাত যোৱা ১৬ জুনৰ পৰা ১৯ জুনলৈ অনুষ্ঠিত 'প্ৰথম ৰাষ্ট্ৰীয় অপেন মাষ্টাৰচ এথলেটিকচ চেম্পিয়নশ্বিপ-২০২২'ত অসম ছোৱালী দৌৰ ৰাণী দীপামনি ডেকাৰ ৫০০০ মিটাৰ দৌৰত সোনৰ পদক অৰ্জন কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। দৰং জিলাৰ উদমাৰী গাঁৱৰ জীয়ৰী দীপামনি ডেকাই ইয়াৰ আগতেও ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সোন, ৰূপ, ব্ৰঞ্জকে ধৰি অলেখ পদক অৰ্জন কৰে । উল্লেখ্য যে বদ্ৰোদাত অনুষ্ঠিত ১৯ জুনত সামৰনি পৰা 'প্ৰথম ৰাষ্ট্ৰীয় অপেন মাষ্টাৰ্চ এথলেটিকচ চেম্পিয়নশ্বিপ-২০২২'ত সৰ্বভাৰতীয় পৰ্যায়ত মহিলা শাখাত বিভিন্ন প্ৰতিযোগিতাৰ পৰা মুঠ ১০ (দহ) গৰাকী ৰেকৰ্ড হ'ল্ডাৰ খেলুৱৈক এথলেটিকচ ফেডাৰেচন অব ইণ্ডিয়াই নিৰ্বাচন কৰে আৰু অসমৰ সু জীয়ৰী অসম জিয়ৰী দীপামনি ডেকাই ৫০০০ মিটাৰ দৌৰত ৰেকৰ্ড হ'ল্ড কৰি অসমৰ নাম উজলাই তোলে। উত্তৰ-পূব স্পৰ্টছ এছচিয়েছনে দীপামনি ডেকা দৌৰ ৰাণী উপাধি প্ৰদান কৰি আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।





প্ৰমোদ তালুকদাৰ ৱল্ড এজ হোমৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ ছবি, মঙলবাৰে

# ১ জুলাইত ধুবুৰী জিলা দিৱস

## ৰাইজৰ সহযোগত জিলা প্ৰশাসনৰ বিশেষ আয়োজন ঃ ধুবুৰীৰ চহকী ঐতিহ্য, ইতিহাস, সংস্কৃতি, শিল্প আৰু সৌন্দৰ্যৰ আভাস দিয়াৰ পৰিকল্পনা জিলা প্ৰশাসন-ৰাইজৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২১ জুন ঃ** ধুবুৰী জিলা প্ৰশাসন আৰু জিলাখনৰ স্থানীয় ৰাইজৰ উদ্যোগত ১ জুলাইত ধুবুৰী জিলা দিৱস উদ্‌যাপন কৰা হ'ব। জিলা দিৱস উদযাপন সন্দৰ্ভত আলোচনাৰ বাবে আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন আয়ুক্ত কান্তা দাসৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। ধুবুৰীৰ স্থানীয় বিশিষ্ট ব্যক্তি আৰু জিলা প্ৰশাসনৰ কেবাগৰাকী শীৰ্ষ বিষয়াৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত ধুবুৰী জিলাৰ ইতিহাস সন্দৰ্ভত আলোকপাত কৰি জিলা দিৱস কেনেদৰে উদ্‌যাপন কৰা হ'ব সেই সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। উল্লেখ্য যে, ১৯৮৩ চনৰ ১ জুলাইত ধুবুৰী জিলা গঠন হয়। ইয়াৰ পূৰ্বে ধুবুৰী গোৱালপাৰা জিলাৰ অন্তৰ্গত আছিল আৰু ঐতিহাসিক ধুবুৰী টাউন অবিভক্ত গোৱালপাৰা জিলাৰ সদৰ ঠাই আছিল। অসম চৰকাৰে প্ৰতিখন জিলাকে জিলা দিৱস উদযাপনৰ বাবে দিয়া নিৰ্দেশৰ ভিত্তিত ধুবুৰী জিলা দিৱস অহা ১ জুলাইত ধুবুৰী চহৰৰ মাজমজিয়াত থকা ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত বৰ্ণিল কাৰ্যসূচীৰে আয়োজন কৰাৰ বাবে আজিৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ধুবুৰী জিলাত পদ্মপুৰাণ আখ্যানত উল্লেখিত নেতাই ধুবুনী ঘাটৰ পৰা আৰম্ভ কৰি মধ্যযুগ আৰু আধুনিক যুগৰ ইতিহাসৰ বহু কীৰ্তিস্তম্ভ আছে। শতিকা প্ৰাচীন মঠ-মন্দিৰ, সত্ৰ, মছজিদ-দৰগাহ, গুৰুদ্বাৰ আদিয়ে জিলাখনৰ ধৰ্মীয় ইতিহাস আৰু সম্প্ৰীতিৰো স্বাক্ষৰ বহন কৰিছে। লগতে টেৰাকটা আৰু কুঁহিলা শিল্পৰো প্ৰাণকেন্দ্ৰ ধুবুৰী জিলা। ধুবুৰীৰ বুকুৰে বৈ যোৱা ব্ৰহ্মপুত্ৰকে ধৰি বিভিন্ন নৈ আৰু উপনৈয়ে জিলাখনক প্ৰাকৃতিক সৌন্দৰ্যৰ দিশৰ পৰাও আকৰ্ষণীয় কৰি ৰাখিছে। এই সকলো বিষয় সামৰি জিলাখনৰ ৰাইজ বিশেষকৈ নতুন প্ৰজন্মক আৰু জিলাৰ বাহিৰৰ লোকক ধুবুৰীৰ চহকী ঐতিহ্য, ইতিহাস, সংস্কৃতি, শিল্প আৰু সৌন্দৰ্যৰ আভাস দিব পৰাকৈ ১ জুলাইৰ জিলা দিৱস উদযাপন কৰাৰ সিদ্ধান্ত লোৱা হয়। সেই অনুসৰি শিক্ষাৰ্থীৰ মাজত ধুবুৰীৰ ঐতিহ্য আৰু সংস্কৃতিক বিষয়বস্তু হিচাপে লৈ ৰচনা প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে ধুবুৰীৰ ঐতিহ্য আৰু ইতিহাসক প্ৰতিফলিত কৰাকৈ প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰা হ'ব। প্ৰখ্যাত টেৰাকটা পুতলা 'হাটিমা'ৰ আৰ্হিত জিলা দিৱস উদযাপনৰ ল'গ' প্ৰস্তুত কৰাৰ লগতে এটা শীৰ্ষক গীত নিৰ্মাণৰো সিদ্ধান্ত লোৱা হয়। জিলাখনৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱাৰো সিদ্ধান্ত লোৱা হয়। ইয়াৰোপৰি জিলা দিৱসৰ দিনটোত ধুবুৰীৰ ঐতিহ্য আৰু ইতিহাসৰ আলোচনা আৰু এটা সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হ'ব। সকলো কাম সুকলমে সম্পন্ন কৰাৰ বাবে এখন অভ্যৰ্থনা সমিতিৰ লগতে আন কেবাখনো উপ-সমিতি আজিৰ বৈঠকত সকলোৰে সৰ্বসন্মতিমৰ্মে গঠন কৰা হয়। বৈঠকত ধুবুৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিশ্বজিৎ গোস্বামী, অতিৰিক্ত উপায়ুক্ত ক্ৰমে ধ্ৰুৱজ্যোতি দাস, দৰ্শনা চেতিয়া, ধুবুৰী পৌৰসভাৰ সভাপতি ডাঃ দেৱময় সান্যাল, জ্যেষ্ঠ সাংবাদিক ক্ৰমে প্ৰণৱাশীষ ৰয়, বিজয় শৰ্মা প্ৰমুখ্যে জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়া, বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ধুবুৰী-কচুগাঁও গড়কাপ্তানি পথত আবদ্ধ শ শ যান বাহন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২১ জুন ঃ** ধুবুৰী জিলাৰ সদৰ চহৰ ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ কচুগাঁও সংযোগী গড়কাপ্তানি পথ ছোৱাৰ পাগলাহাট আৰু তামাৰহাটৰ মাজৰ অংশত প্ৰাকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাতৰ সৃষ্টি হৈ বোকাময় পৰিস্থিতিৰ সৃষ্টি হৈছে। আজি উক্ত পথ ছোৱাৰ দ গাতত কেই খন মান ট্ৰেক্টৰ আৰু ডাম্পাৰ গাড়ী আবদ্ধ হোৱাত পথ ছোৱাৰ দুয়ো ফালে শ শ যাত্ৰীবাহী আৰু মালবাহী সৰু বৰ যান বাহন আববদ্ধ হৈ পৰে। ফলত ধুবুৰী-কচুগাঁও গঁড়কপ্তনী পথৰে সকলো ধৰণৰ যান বাহনৰ যাতায়াত ব্যাহত হৈ পৰাত দূৰ দূৰণিৰ পৰা অহা যাত্ৰী সকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। খবৰ পাই ঘটনাস্থলীত উপস্থিত হয় পাগলাহাট আৰক্ষীৰ এটা দল। অনেক সময় ধৰি বহুত চেষ্টাৰ পিছত পগলাহাট আৰক্ষীৰ সহযোগত পথ ছোৱাৰে যাতায়াত ব্যাৱস্থা সুচল হয়।

# যোগীঘোপাৰ মালেগড়ত অভিভাৱক মন্ত্ৰী ৰণজিত দাসৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন

## গৰাখহনীয়াত গৃহহীনক সংস্থাপনৰ ব্যৱস্থা লোৱাৰ প্ৰতিশ্ৰুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২১ জুন ঃ** বঙাইগাঁও জিলাৰ দক্ষিণ অভয়াপুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত যোগীঘোপা অঞ্চলৰ খহনীয়াগ্ৰস্ত আৰু বানাক্ৰান্ত এলেকাসমূহ পৰিদৰ্শন কৰে জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰণজিত দাসে। মন্ত্ৰীগৰাকীয়ে আজি নাৱেৰে মালেগড়ৰ গোবিন্দপুৰ গাৱঁৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। উল্লেখ্য গোবিন্দপুৰ গাঁৱত ব্ৰহ্মপুত্ৰ, আই, মানাহ আৰু বেঁকী নৈয়ে খহনীয়াৰ



তাণ্ডৱ চলোৱাত যোৱা এটা পযেকৰ ভিতৰতে প্ৰায় ২৫টা পৰিয়ালৰ ভেটিমাটি, ঘৰ-বাৰী উচন হোৱাত গৃহহীন লোকসকলে আত্মীয়ৰ ঘৰত আশ্ৰয় লৈ আছে। মন্ত্ৰী দাসে উক্ত খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কালত খহনীয়া প্ৰতিৰোধৰ বাবে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ তাত উপস্থিত থকা বিষয়াক নিৰ্দেশ দিয়ে। আনহাতে খহনীয়াত গৃহহীনলোকক পুনৰ সংস্থাপনৰ বাবে ভূমি আৱণ্টনৰ ব্যৱস্থা কৰিবলৈ উত্তৰ শালমাৰাৰ মহকুমাধিপতি, সৃজনগ্ৰামৰ ৰাজহ চক্ৰ বিষয়াক নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে মন্ত্ৰী ৰণজিত দাসে প্ৰায় ২ কিল'মিটাৰ ব্ৰহ্মপুত্ৰ নৈৰে ভটিয়াই গৈ পাচনীয়াৰ খহনীয়াগ্ৰস্ত এলেকা পৰিদৰ্শন কৰে।পৰিদৰ্শন কালত উক্ত এলেকাত ইতিপূৰ্বে জলসম্পদ বিভাগে ৰূপায়ণ কৰা ৩২ কোটিটকীয়া আঁচনি অবাধ দুৰ্নীতিৰ বাবে প্ৰহসনত পৰিণত হোৱা বুলি সাংবাদিকে জানিবলৈ দিয়াত এই বিষয়ে অজ্ঞতা প্ৰকাশ কৰি এই বিষয়ত তদন্তৰ ব্যৱস্থা কৰিবলৈ উপস্থিত থকা উপায়ুক্তক নিৰ্দেশ দিয়ে। উল্লেখ্য মন্ত্ৰীগৰাকীয়ে মালেগড়ৰ দুটাকৈ বানপীড়িতৰ শিৱিৰ পৰিদৰ্শন কৰে।




# শিৱসাগৰত মটক যুৱ-ছাত্ৰ সন্মিলনৰ প্ৰতিবাদ

## চৰকাৰে প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ হৈছে ঃ জনজাতিকৰণকে ধৰি এঘাৰদফীয়া দাবীৰে মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২১ জুন ঃ** অসমৰ মানচিত্ৰত বসবাস কৰি অহা এটি অতিকৈ পুৰণি জনগোষ্ঠী তথা ভূমিপুত্ৰ হ'ল অসমৰ মটক সকল। অসমৰ এই মটক জনগোষ্ঠীটোৰ ন্যায্য প্ৰাপ্তিৰ দাবীত জনগোষ্ঠীটোৰ পুৰোধা সকলে আজিৰ পৰা বহু বছৰৰ পূৰ্বে আন্দোলনৰ এক পটভূমি সৃষ্টি কৰি থৈ গৈছিল। এই পটভূমিকে সৰোগত কৰি মটক জনগোষ্ঠীটোৱে নিজৰ ন্যায্য প্ৰাপ্তিৰ আন্দোলনখন চলাই আহিছে। জনগোষ্ঠী হিচাপে নিজৰ এক স্বকীয় পৰিচয় আছে যদিও এই পৰিচয় চৰকাৰী ভাৱে স্বীকৃতি নোপোৱাৰ ফলশ্ৰুতিত দীৰ্ঘ সময় ধৰি জনগোষ্ঠীটোৰ আন্দোলন অব্যাহত ৰাখিছে। এই দাবীৰ ভিত্তিতে আজি সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ শিৱসাগৰ জিলা সমিতিয়ে শিৱসাগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত তিনি ঘণ্টীয়া এক অৱস্থান ধৰ্মঘট প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা সন্মিলনৰ কৰ্মী সকলে মটক সকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰক, নিবনুৱা সমস্যা সমাধান কৰক, ন' এছ টি ন' ৰেষ্ট, আলফাৰ সমস্যা সমাধান কৰক আদি শ্লোগানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। তিনি ঘণ্টীয়া এই অৱস্থান ধৰ্মঘট কাৰ্যসূচীত অংশগ্ৰহণ কৰা সংগঠনটোৰ নেতৃত্বই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে মটক জনগোষ্ঠীৰ ভাৰতবৰ্ষৰ সংবিধান প্ৰদত্ত মৌলিক অধিকাৰ, ন্যাৰ্য্য দাবী আৰু প্ৰাপ্য অধিকাৰৰ দাবীত, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনে সংগঠনৰ জন্মলগ্নৰে পৰা নিৰবিচ্ছিন্নভাৱে সংগ্ৰাম চলাই আহিছে। ভাৰত চৰকাৰ আৰু অসম চৰকাৰে বিগত লোকসভা আৰু বিধান সভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত মটক জনগোষ্ঠীক দিয়া কেইবাটাও প্ৰতিশ্ৰুতি পূৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰে প্ৰৱঞ্চনা কৰিছে। বিশেষকৈ মটক জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা, আলফা সমস্যাৰ স্থায়ী সমাধান কৰা,মটক স্বায়ত্ত পৰিষদলৈ পৰ্যাপ্ত পুঁজিৰ যোগান ধৰা,মটক জনগোষ্ঠীৰ বিশেষ শিতানত ঘোষিত ১২৫ কোটি টকাৰ অৱশিষ্ট ধনৰাশি মুকলাই দিয়া, খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰা, শিৱসাগৰৰ জৰাজীৰ্ণ বাট-পথসমূহ নিৰ্মাণ কৰা, গৰাখহনীয়া ৰোধ কৰা, নিবনুৱা সমস্যা সমাধান কৰা, জিলাখনৰ ঐতিহাসিক কীৰ্তিচিহ্ন সমূহ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ ব্যৱস্থা কৰা, ঐতিহাসিক নগৰখনক তৈল নগৰী হিচাপে ঘোষণা কৰা আদিৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হৈছে বুলি নেতৃত্বই দাবী কৰে। এই দাবী সমূহক সামৰি মটক যুৱ-ছাত্ৰ সন্মিলনৰ শিৱসাগৰ জিলা সমিতিৰ হৈ সভাপতি নিৰঞ্জন চেতিয়া আৰু বিকাশ গগৈয়ে শিৱসাগৰ জিলা উপায়ুক্তৰ যোগেদি ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীলৈ দহ দফীয়া দাবী সম্বলিত এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

# শোক প্ৰকাশ



খাৰঘুলি নিবাসী ৰেণু দাসে কালি (২০ জুন, ২০২২) নিশা ৯মান বজাত ইহলীলা সম্বৰণ কৰে। ১৯৮৬/৮৭ চনত তেওঁ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ আয়তী নামৰ শিল্পী আছিল। প্ৰয়াত ৰেণু দাস ডাঙৰীয়ানী একশৰণ ভাগৱতী সমাজৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। তেখেতে উজান বজাৰ একশৰণ ভাগৱতী সমাজৰ নামঘৰৰ প্ৰতিষ্ঠাপক আছিল। তেওঁ মৃত্যুৰ সময়ত দুজন পুত্ৰ, এগৰাকী কন্যাসহ দুগৰাকী বোৱাৰী আৰু নাতি-নাতিনী এৰি থৈ গৈছে। দৈনন্দিন বাৰ্তা গোষ্ঠীৰ পৰিয়ালৰ তৰফৰ পৰা তেখেতৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

**দৈনন্দিন বাৰ্তা গোষ্ঠীৰ সমূহ সদস্য**




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি